
মই সুখ বৰুৱাই কৈছোঁ
ডং সুখ বৰুৱাৰ জীৱন পৰিক্ৰমা
সাক্ষাৎকাৰ - ডং অনিল শইকীয়া
ডং অনিল শইকীয়া

# মই সুখ বৰুৱাই কৈছোঁ

## ড° সুখ বৰুৱাৰ জীৱন পৰিক্ৰমা




**ড° অনিল শইকীয়া**

*মই সুখ বৰুৱাই কৈছোঁ*

**Moi Sukha Baruai koichu : My story - tolded by Dr. Sukha Barua**; a book on interview with Dr. Sukha Barua founder Principal of Moran Mohila Mahavidyaloi- by Dr. Anil Saikia, published by Sukha Barua Smrity Raksha Samity on the occassion of Dr. Sukha Barua's first social ritual ceremony on 13th Sep. 2023. Price Rs.50/-( Rupees Fifty only)
First Published on 13th Sept., 2023.

---

**মই সুখ বৰুৱাই কৈছোঁ ঃ ড° সুখ বৰুৱাৰ জীৱন পৰিক্ৰমা সাক্ষাৎকাৰৰ ভিত্তিত ৰচনা কৰা গ্ৰন্থ।**

**প্ৰকাশ কাল** ঃ ১৩ ছেপ্তেম্বৰ, ২০২৩
ড° সুখ বৰুৱাৰ আদ্য শ্ৰাদ্ধত প্ৰকাশিত।

**প্ৰকাশক** ঃ ড° সুখ বৰুৱা স্মৃতি ৰক্ষা সমিতি।

**সাক্ষাৎকাৰ গ্ৰহণ** ঃ ড° অনিল শইকীয়া

**ডি.টি.পি.** ঃ পূৰ্ণিমা চুতীয়া

**প্ৰচ্ছদ** ঃ ৰঞ্জু বড়া

**মূল্য** ঃ ৫০/- টকা ( পঞ্চাছ টকা মাত্ৰ)

**মুদ্ৰণ** ঃ **কল্পতৰু প্ৰেছ**
১ নং সোণালী পথ, মৰাণ,
ডিব্ৰুগড়, অসম - ৯৩৬৫৭৭২৮৮৭।



# আগকথা

ড° সুখ বৰুৱা এটি আপোচ বিহীন সংগ্ৰামী সত্তা। তেখেতৰ জীৱনৰ সৰু-সুৰা কথাবোৰ জানিবলৈ আৰু আনক জনাবলৈ বহু দিনৰে পৰা মন গৈ আছিল। আমি যেতিয়াই তেতিয়াই সুখ বাইদেউৰ ঘৰলৈ যাওঁ। এদিন বাইদেউক প্ৰস্তাব দিলো। আপোনাৰ জীৱন কথা বাণীবদ্ধ কৰিব খুজিছো। বাইদেউৱে সন্মতি জনালে। তাৰ বাবে এটা দিন স্থিৰ কৰিলো। বাইদেউক সুধিলো -'প্ৰশ্নসমূহ আগতে দি দিম নেকি?'। বাইদেৱে ক'লে- 'নালাগে। আগতে প্ৰশ্নবোৰ পালে উত্তৰবোৰ স্বাভাবিক নহ'ব। লগে লগে প্ৰশ্ন পালে উত্তৰবোৰ তৎকালীন হ'ব। তেতিয়াহে ভাল লাগিব।' সেই সময়ত বাইদেউৰ অভিনন্দন গ্ৰন্থখনৰ শেষ পৰ্যায়ৰ কাম চলি আছিল। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বিভিন্নজনৰ প্ৰবন্ধ আহিছে, ফোন আহিছে। বাইদেউ অসম্ভৱ ব্যস্ত। কিতাপৰ আকাৰ গৈ ৭০০ পৃষ্ঠামান হৈছেগৈ।তেনে ব্যস্ততাপূৰ্ণ দিনবোৰতে যন্ত্ৰ-পাতি লৈ আগতে থিৰাং কৰা দিনটোত গৈ হাজিৰ হ'লোগৈ। মাইক্ৰফ'ন বাইদেউৰ সন্মুখত ঠিয় কৰি এবাৰ 'হেল্ল-টেচটিং' কৰি বাইদেউক ক'লো- 'আপোনাক জন্মৰ পৰা সকলো কথা সুধি যাম। বা মাজে মাজে প্ৰশ্নটো কাগজত লিখি দি যাম, আপুনি চাই চাই কৈ যাব। ইয়াত বাণীবদ্ধ

কৰা কথাবোৰ প্ৰয়োজন সাপেক্ষে লগে লগে সম্পাদনা কৰিব পাৰিম। একো চিন্তা নাই। আপুনি মাথো কৈ যাব। ভুল হ'লে ৰ'ব নালাগে। একেটা বাক্যকে দুবাৰ ক'ব।' বাণী বন্ধন আৰম্ভ হ'ল পুৰা ন বজাত। প্ৰথম প্ৰশ্ন আছিল-'আপোনাৰ জন্ম, জন্ম হোৱা গাঁওখন আৰু পৰিয়াল স্বজনৰ কথা কওকচোন। দীঘলীয়াকৈ ক'ব দেই।' প্ৰশ্ন শুনি বাইদেউ এক ছেকেণ্ডো নোৰোৱাকৈ অনৰ্গল কৈ গ'ল। কোতো অকনো খোকোজা নাই। শব্দৰ অগাপিছা নাই। স্পষ্ট আৰু পৰিষ্কাৰ।কোনো বাক্যকে সম্পাদনা কৰিব লগা নহ'ল। ক'তো ৰ'বলগিয়াও নহ'ল। মাথো মাজে মাজে চাহ জলপান খাওঁতে যি অকমান ৰৈছিলো। তাৰ মাজত যদি ফ'ন আহিছিল সেয়াও প্ৰথমে বিনন্দ বৰুৱা ছাৰে ধৰিছিল আৰু অতি প্ৰয়োজনীয় ফ'ন বাইদেউক দিছিল। ফ'ন কৰাৰ পাছতো বাইদেউৰ বাক্য বিন্যাস বা কৈ থকা কথাৰ প্ৰসঙ্গ সলনি হোৱা নাছিল। আমি প্ৰায় ছাৰি ঘন্টা বহিছিলো। তাৰ ভিতৰত তিনিঘন্টামান বাণীবন্ধন চলিছিল। আবেলি সময়ত আমি বাইদেউৰ ঘৰৰ পৰা ওলাই আহিছিলো। পাছত সেই বাণীবন্ধনখিনি পূৰ্ণিমা চুতীয়াক শুনি শুনি ডি.টি.পি কৰিবলৈ দিলোঁ। বাইদেউৰ কথাখিনি ইমানেই পৰিস্কাৰ আছিল পূৰ্ণিমাই ডি.টি.পি কৰোতে অকণো অসুবিধা নাপালে। ডি.টি.পি.কৰাৰ পাছত লিখাখিনি সুখ বাইদেউক চাবলৈ দিলোঁ। চালে, আৰু ক'লে-'পাৰো যদি এইখিনি অভিনন্দন গ্ৰন্থখনত প্ৰকাশ কৰিম।' অভিনন্দন গ্ৰন্থত প্ৰকাশ কৰিলে?

আজি সুখ বৰুৱা বাইদেউৰ আদ্যশ্ৰাদ্ধ। আমাৰ আশা সাক্ষাৎকাৰটিত হয়তো সুখ বাইদেউৰ বিশাল বৰ্ণাঢ্য জীৱন সিন্ধুৰ এটা বিন্দু হলেও প্ৰতিফলিত হ'ব।

স্থান ঃ মৰাণহাট
তাৰিখ ঃ ১১/০৯/২০২৩ — **অনিল শইকীয়া**

# ড° সুখ বৰুৱাৰ জীৱন পৰিক্ৰমা

২০১৯ চনৰ ডিচেম্বৰ মাহৰ এটি ৰাতিপুৱা ড° সুখ বৰুৱা (নামেই যাৰ পৰিচয়) বাইদেউৰ লগত তেখেতৰ জীৱন সম্পৰ্কীয় নানান কথা পাতিছিলো। তেখেতে জন্ম লভা গাঁওখনৰ পৰা, পৰিয়ালৰ পৰিচয়ৰ পৰা, শিক্ষা জীৱন, কৰ্মজীৱন, সামাজিক কাম কাজ, সামাজিক স্বীকৃতি-প্ৰভৃতি অনেক আলোচনা কৰিছিলো।বাইদেৱে অকণো যতি নপৰাকৈ অতি সাৱলীল ভাৱে নিজৰ জীৱনৰ সোঁৱৰণি পাঠ আমাৰ আগত আওঁৰাইছিল। বাইদেউৰ প্ৰখৰ স্মৃতি শক্তি দেখি আমি আশ্চৰ্য অনুভৱ কৰিছিলো। কথাবোৰ নিখুত আৰু নিয়াৰি। ক'তো জড়তা নাই। বাইদেউৰ কথাখিনি আমি বাণীবদ্ধ কৰিছিলো। ড° সুখ বৰুৱা বাইদেউৰ জীৱন সোঁৱৰণৰ পাঠ লিপিবদ্ধ কৰি আপোনাসবলৈ আগবঢ়ালো।

প্ৰশ্ন ঃ আপোনাৰ জন্ম, জন্ম হোৱা গাঁওখন আৰু পৰিয়াল স্বজনৰ কথা কওকচোন। দীঘলীয়াকৈ ক'ব দেই।

- ড° সুখ বৰুৱা ঃ স্বাধীনতা এবছৰ পূৰ্বে ১৯৪৬ চনৰ ৩১ ডিচেম্বৰত শিৱসাগৰৰ ঐতিহ্যমণ্ডিত মৌজা বেতবাৰীত মোৰ জন্ম হৈছিল। বেতবাৰীৰে এখন অতি পিছপৰা গাঁও- বৰকুৰি চেতিয়া গাঁও। দিচাং নদীৰ মথাউৰিৰ কিনাৰৰ এখন গাঁও। যিখন গাঁৱত মই জন্ম হৈছিলো, যিখন গাঁৱৰ বতাহ খাই মোৰ জীৱন আগবাঢ়িছিল, সেইখন গাঁও আছিল মোৰ অতি মৰমৰ আৰু আদৰৰ। মোৰ পিতৃৰ নাম আছিল ফুলবৰ চেতিয়া আৰু মাতৃৰ নাম আছিল গুণলতা চেতিয়া। দেউতাৰ পাঁচজন ককাই-ভাই আৰু এজনী ভনীয়েক আছিল। আমাৰ যৌথ পৰিয়াল আছিল। যৌথ পৰিয়ালৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে প্ৰত্যেকে নিজাকৈ ঘৰ সাজি থাকিবলৈ লৈছিল। ঠিক সেইদৰে আমাৰ দেউতায়ো সুকীয়াকৈ থাকিবলৈ লৈছিল। খেৰ-বাঁহেৰে এটি সাধাৰণ ঘৰ সাজিছিল। আমি পাঁচোটা ল'ৰা-ছোৱালীৰ ভিতৰত মই তৃতীয় আছিলো। মোৰ ওপৰত এগৰাকী বাইদেউ আৰু এজন ককাইদেউ আছিল। মোৰ পাছতেই দুজন ভাইটি আছিল। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে, আমাৰ সৰু ভাইটি জন্মৰ সময়তেই দেউতাৰ অকাল মৃত্যু হৈছিল। তেতিয়া মই তৃতীয় শ্ৰেণীত পঢ়ি আছিলো। দেউতাৰ মৃত্যুৰ পাছত মায়ে আমাৰ পাঁচোটা ল'ৰা-ছোৱালীক অতি কষ্টৰে শিক্ষিত কৰি ডাঙৰ-দীঘল কৰিছিল। তেওঁ পিতৃ আৰু মাতৃৰ দৈত্য ভূমিকা পালন কৰিছিল। আমাৰ বৰদেউতা দুজন আৰু দদাইদেউ দুজন। তেওঁলোক যথেষ্ট টকা-পইচা আৰু খেতি-বাতিৰে ধনী-মানি কৰ্মথ ব্যক্তি আছিল যদিও আমাক কিন্তু বিশেষ সহায়ৰ হাত আগবঢ়োৱা নাছিল। আমি মাক আইতা বুলি মাতিছিলো। মাৰ বয়স তেতিয়া খুওব সম্ভৱ ২৫ বছৰমান হৈছিল। সেই সময়তে মা বিধবা হৈছিল। বৰদেউতাহঁতে ভাবিছিল যে, আমাৰ মাক ঘৰলৈ ঘূৰাই পঠাব আৰু আমাক তেওঁলোকৰ ঘৰত কাম-বন কৰাব, এই অভিপ্ৰায় আছিল। আমাৰ মা আছিল মেচাগড়ৰ বৰগোহাঁই বংশৰ। যি বংশৰ ৰজাঘৰীয়া এজন মন্ত্ৰী আছিল বৰগোহাঁই মন্ত্ৰী। সেই পৰিয়ালৰ হোৱা বাবে মাৰ গাত ৰাজকীয় বা ৰাজপৰিয়ালৰ

কিছু তেজ আছিল বুলি আমি পিছত অনুভৱ কৰিছিলো। মায়ে আমাক যেনেদৰে ডাঙৰ-দীঘল কৰিছিল, তেনেদৰে সততাৰে আগবাঢ়ি যাবলৈও শিকাইছিল। আমিও নিজে নিজে আত্মনিৰ্ভৰশীল হ'বলৈ শিকিছিলো। আমি সৰুৰে পৰাই দৈনন্দিন কামবিলাক নিজে কৰিছিলো। আমাৰ ঘৰত গৰু, ছাগলী, হাঁহ, ডাঙৰ ডাঙৰ বাঁহ-কাঠৰ বাৰী আছিল। দেউতা যেতিয়া আমাৰ মাজৰ পৰা আঁতৰি গৈছিল তেতিয়া মায়ে বাঁহ-কাঠ বিক্ৰী কৰি, আনৰ ঘৰত ৰোৱা-তোলা কৰি আমাক ডাঙৰ কৰিছিল। আমিও সেইদৰে কেনেকৈ নিজৰ ভৰিত থিয় দিব লাগে সেই কথা সৰুৰে পৰা শিকিছিলো। আনৰ বেয়া চিন্তা নকৰি, কেনেকৈ আনৰ উপকাৰ কৰি সততাৰে জীৱন কটাব লাগে, মিছা কথা নোকোৱা এইবিলাক নীতিশিক্ষা আমি 'মা'ৰ পৰাই শিকিছিলো। আমাক মায়ে কেতিয়াও দেউতাৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল।

প্ৰশ্ন ঃ আপোনাৰ এল.পি. স্কুলৰ দিনৰ কথাবোৰ কওকচোনআৰু তেতিয়াৰ দিনৰ সামাজিক পৰিবেশ কেনেকুৱা আছিল,সেইখিনিও ক'ব।

- ড° সুখ বৰুৱা ঃ আমাৰ গাঁৱত এখন এল.পি. স্কুল আছিল। নাম আছিল '২ নং চেতিয়া কাকতি প্ৰাথমিক বিদ্যালয়' (স্থাপিত ১৯৪৭)। সেই বিদ্যালয়তে আমি শিক্ষা গ্ৰহণ কৰিছিলো। সেই সময়ত স্কুলত বেঞ্চ-ডেস্ক নাছিল। আমি বহিবলৈ ঘৰৰ পৰা কলৰ ঢাৰি লৈ গৈছিলো। বোকা-পানী গচকি আমি স্কুললৈ অহা-যোৱা কৰিছিলো। আমাৰ গাঁওখন অতি পিছপৰা আছিল যদিও ধান-চাউল, শাক-পাচলি, বিভিন্ন শস্যৰ ক্ষেত্ৰত পয়োভৰা আছিল। ডাঙৰ ডাঙৰ বাৰীবোৰ আম-কঁঠাল, তামোল-পাণ আদি গছেৰে পৰিপূৰ্ণ আছিল। আমাৰ যেতিয়া যৌথ পৰিয়াল আছিল, তেতিয়া কুঁহিয়াৰ খেতি, ম'হৰ খুটি, গৰুৰ খুটি আছিল। কিন্তু আমি যেতিয়া নিজাববীয়াকৈ থাকিবলৈ লৈছিলো, তেতিয়া আমাৰ এইবোৰৰ নাটনি হৈছিল। এইবোৰ কথা আমাৰ বুঢ়ী আইতা আৰু মায়ে কোৱা শুনিছিলো।

  মই বৰ অনুসন্ধিৎসু আছিলো। কিছুমান কথা জানিবলৈ মই খুওব ইচ্ছা কৰিছিলো। দেউতাক আমি খুউব কম সময় পাইছিলো যদিও দেউতাৰো কিছুমান কথা মনত পৰে। সেই সময়ত দেউতাই মাজুলীৰ পৰা দিচাং নদীয়েদি যোৱা কোম্পানীৰ নাৱত কাম কৰিছিল। তেতিয়া নাও বিলাকত খেৰৰ বেপাৰ কৰিছিল। আমি মাৰ পৰা জানিব পাৰিছিলো সেই সময়ত দেউতাৰ এটা ডাঙৰ অসুখ হৈছিল। দেউতাৰ মৃত্যু বৰ যন্ত্ৰণাদায়ক আছিল। যিসময়ত গাঁৱৰ ৰাস্তা-পদূলি উন্নত অৱস্থা নাছিল। গৰু গাড়ীৰ বাহিৰে আন একো উপায় নাছিল। গৰু গাড়ীতে দেউতাক নি ডিব্ৰুগড় মেডিকেলত ৰাখিছিল। তাতেই আমাৰ এজন সম্পৰ্কীয় লোক আছিল। তেখেতৰ নাম আছিল ডাঃ পদ্ম ফুকন। তেওঁ যথেষ্ট চেষ্টা কৰিছিল দেউতাক জীয়াই ৰাখিবলৈ। কিন্তু নোৱাৰিলে। সেই মৰ্মান্তিক ঘটনাটোৱে আমাৰ পৰিয়ালটোৰ জীৱনৰ গতি সলনি কৰি দিছিল। তথাপিও আমাৰ মাৰ যি ঐকান্তিক প্ৰচেষ্টা, উদ্যম, সাহস আৰু ত্যাগৰ ফলত আমি প্ৰতিজনে একো একোজন মানুহ হিচাপে নিজৰ পৰিচয় দিব পৰাকৈ গঢ় লৈ উঠিছিলো।

প্ৰশ্ন ঃ আমি শুনিছো আপুনি শৈশৱৰে পৰা মেধাবী আৰু সামাজিক কামত আগৰণুৱা আছিল, তেনেকুৱা কিবা মনত পৰে নেকি?

- ড° সুখ বৰুৱা ঃ যেতিয়া মই এল.পি. স্কুলত পঢ়িছিলো, তেতিয়া পৰিয়ালৰ মানুহে মোৰ মেধা শক্তিৰ পৰিচয় পাইছিল। মই সকলো কামতে আগৰণুৱা আছিলো। শিক্ষক-শিক্ষয়িত্ৰীসকলে সকলো কাম মোৰ দ্বাৰাই কৰাব বিচাৰিছিল। সেই কথা মনত পৰিলে আজিও মনটো ৰঙেৰে উপচি পৰে। আমাৰ ঘৰৰ পৰা

## *মই সুখ বৰুৱাই কৈছোঁ*

আঢ়ৈ কিলোমিটাৰমান দূৰত এখন উচ্চ মাধ্যমিক বিদ্যালয় আছিল। নাম আছিল ‘বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়’। পিছলৈ সেই বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিত হ’ল। সেই বিদ্যালয়তে আমি পাঁচোটা ল’ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিছিলো। স্কুললৈ আমি এটা গো-বাটেৰে অহা-যোৱা কৰিব লগা হৈছিল। তেতিয়া মোৰ মনত এটা ভাৱ হৈছিল। বোকা-পানীৰে ভৰা এই গো-বাটটো কেনেবাকৈ যদি আমি অলপ উন্নত কৰিব পাৰো, তেতিয়া আমাৰ নিশ্চয় কষ্ট লাঘৱ হ’ব। সেই কথা ভাবি এদিন স্কুললৈ যাওঁতে মোৰ লগৰ আৰু ভাই-ভনীসকলক কৈছিলো যে, আমি এই ৰাস্তাটো অলপ ভাল কৰিব নোৱাৰোনে? তেতিয়া মোৰ দদাইদেউৰ ল’ৰা অকণে মোক সুধিলে— ‘কেনেকৈ ভাল কৰিবি?’ মই ক’লো— ‘মই এটা কথা ভাবিছো। আমাৰ স্কুললৈ যোৱা বাটতে এঘৰ মানুহ আছে। সেই মানুহঘৰৰ বাৰীখন ৰবাব টেঙা, তামোল, কঁঠাল আদি গছেৰে ভৰি আছিল। কিছুমান তামোল গছ বুঢ়া হৈ ছিগি পৰি আছিল। সেইবিলাক কাটি যদি আমি ৰাস্তাটোত পাৰি দিও নিশ্চয় ৰাস্তাটো অলপ ভাল হ’ব।’ কথাটো শুনি দুজনমানে মোক উৎসাহিত কৰিছিল, কিন্তু মোৰ দদাইদেউ আৰু বৰদেউতাৰ ছোৱালীকেইজনীয়ে এই কাম অসাধ্য বুলি মোক ক’লে। কিন্তু মোৰ যিটো উদ্যম, সেই উদ্যমে হাৰ নামানিলে। মই ঘৰলৈ আহি মাক কথাটো ক’লো। মাক সুধিলো, আমাৰ বাৰীত বহুত বাঁহ আছে। তাৰে চাৰি-পাঁচডালমান বাঁহ ৰাস্তাটোৰ কাৰণে কাটিবলৈ দিবনে? মায়েও মোক নিৰোৎসাহ নকৰি বাঁহ কাটিবলৈ ক’লে। আমি সেইমতে কাম কৰিলো। আমি আটাইকেইটা লগ হৈ দা-কোঠাৰ লৈ বাঁহ কাটি তাত গোঁজ দিলো। তামোল গছবোৰ ফালি ৰাস্তাটোত পাৰি দিলো। তাৰ পাছত সেই বাটেৰে মটৰ চাইকেলো যাব পৰা হ’ল। ৰাস্তাটোৰ তলেদি এটা গো-বাট থাকি গ’ল। যি বাটেৰে গৰু-ম’হ অহা-যোৱা কৰিব পৰা হ’ল। ৰাস্তাটো বনোৱাৰ বাবে মোক সকলোৱে বাঃ বাঃ দিলে। কিয়নো ইমান কম বয়সতে যে, মই ইমান এটা ডাঙৰ কাম কৰিবলৈ উৎসাহিত হ’লো, সেইবাবেই হয়তো সকলোৱে শলাগ ল’লে। সেয়াই মোৰ সামাজিক কামৰ আৰম্ভণি। তেতিয়া মই অষ্টম শ্ৰেণীৰ ছাত্ৰী আছিলোঁ।

প্ৰশ্ন ঃ স্কুলত পঢ়াদিনত আপুনি পঢ়াৰ উপৰিও কি কি চৰ্চা কৰিছিল?

- ড° সুখ বৰুৱা ঃ স্কুলত পঢ়ি থকাৰ দিনবোৰটো মই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা সমাদৰ লাভ কৰিছিলো। গান গোৱা, প্ৰবন্ধ লিখা, নাটক কৰা, কথা কোৱা এইবোৰত মই কেতিয়াও পিচহোহোকা নাছিলো। আমি পঢ়া প্ৰাথমিক বিদ্যালয়খনৰ এজনেই শিক্ষক আছিল। তেখেতৰ নাম আছিল টংকেশ্বৰ চেতিয়া। তেখেত বৰ নিষ্ঠাৱান শিক্ষক আছিল। তেখেতে ধূতি-কামিজ পৰিধান কৰিছিল। তেখেত সদায় চাইকেলেৰে বিদ্যালয়লৈ আহিছিল। তেখেতে যিদৰে সময়ৰ প্ৰতি লক্ষ্য ৰাখিছিল, সেইদৰে আমাকো সময়ৰ সদ্ ব্যৱহাৰ কৰিবলৈ শিকাইছিল। ডাঙৰক শ্ৰদ্ধা কৰা, সৰুক মৰম কৰা, কাকো হিংসা নকৰা আদি সকলোবোৰ তেখেতে আমাক শিকাইছিল। মোৰ প্ৰতি তেখেতৰ যথেষ্ট অনুকম্পা আছিল। মই কেতিয়াবা স্কুললৈ নগ’লে তেখেতে আমাৰ ঘৰ আহি ওলাইছিল। আহিয়েই তেখেতে কয়হি ‘আজি কিয় তাই স্কুললৈ যোৱা নাই’। মাক কয়— ‘বৌ, ছোৱালীজনীক সদায় স্কুললৈ পঠাব। তাইক গৰু-ছাগলি চোৱা কামত নলগাব। তাই যথেষ্ট বুদ্ধিমতি, সাহসী আৰু পঢ়া-শুনাৰ প্ৰতি ধাউতি থকা ছোৱালী। গতিকে সেইখিনি কেতিয়াও মৰহি যাবলৈ নিদিব।’

প্ৰশ্ন ঃ এল.পি. স্কুলৰ পাছত আপুনি কোন স্কুলত নাম লিখালে ? লগৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামবোৰ মনত

## *মই সুখ বৰুৱাই কৈছোঁ*

পৰেনে ? সেই দিন বোৰ কেনেকুৱা আছিল, ওচৰৰ গাঁওবোৰৰ পৰিবেশ কেনেকুৱা আছিল অলপমান কওকচোন।

- ড° সুখ বৰুৱা ঃ এল.পি. স্কুলৰ পাছত মই বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰিলো। প্ৰাথমিক বিদ্যালয় পাৰ হৈ যেতিয়া আমি হাইস্কুল পৰ্যায়লৈ আহিলো, তেতিয়া আমাৰ গাঁৱৰ কেইবাটাও ল'ৰা-ছোৱালী অনুত্তীৰ্ণ হ'ল। কিন্তু অকন, পূৰ্ণ, গোলাপ, ৰেৱতী, জানকী, পূৰৱী আদিয়ে মোৰ লগত আহি হাইস্কুলত নামভৰ্তি কৰিলে। হাইস্কুলৰ দিনবোৰ আমাৰ কাৰণে আটাইতকৈ মধুময় আছিল। বিভিন্ন ঠাইৰ পৰা অহা ল'ৰা-ছোৱালীক আমি হাইস্কুলত লগ পাইছিলো। তাৰ মাজতে মই কেনেদৰে আগবাঢ়ি যাব পাৰো তেতিয়াই মোৰ মনত এটা প্ৰতিযোগিতাৰ ভাৱ আহিছিল। সেই সময়ত আমাৰ স্কুলত এটা বৃত্তি পৰীক্ষা লৈছিল। সেই পৰীক্ষাত মই উত্তীৰ্ণ হৈছিলো। বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে মই কোনো মাচুল নিদিয়াকৈ শিক্ষা গ্ৰহণ কৰিছিলো।

  আমাৰ অঞ্চলত থকা কেইখনমান গাঁৱৰ কথা মোৰ মনলৈ আহিছে। দ' গাঁও, দুৰৱী গাঁও, জোলা গাঁও, কৈৱৰ্ত্ত গাঁও, কোঁৱৰ গাঁও, বৰটানি কাকতি গাঁও, লুঠুৰি চেতিয়া গাঁও আদি। এই গাঁওবিলাকৰ পৰা ল'ৰা-ছোৱালী গৈ আমাৰ স্কুলত শিক্ষা গ্ৰহণ কৰিছিল। সকলোৰে লগত মোৰ ভাল সান্নিধ্য আছিল। তাৰে ভিতৰত কেইগৰাকীমান ছোৱালীৰ লগত মোৰ ভাল সম্পৰ্ক গঢ়ি উঠিছিল। সেইবিলাকৰ ভিতৰত আছিল— ভাৰতী দিহিঙ্গীয়া, পুতলী চেতিয়া, নিৰু কোঁৱৰ, লাৱণ্য গগৈ, যমুনা গগৈ আৰু ল'ৰাৰ ভিতৰত— কেশ দিহিঙ্গীয়া,প্ৰমোদ বৰুৱা, তিলক কোঁৱৰ, চন্দ্ৰ চেতিয়া, যোগেশ্বৰ বৰা, নবীন শৰ্মা, লক্ষী জোলা, উপেন বৰপাত্ৰ, ৰাজেশ্বৰ চেতিয়া আদি আৰু বহুতো , এই মুহুৰ্ত্তত সকলোৰে নাম মনলৈ অহা নাই । স্কুলত যেতিয়া বছেৰেকীয়া খেল-ধেমালি হয়, তেতিয়া আমি সকলোৱে যোগ দিছিলোঁ। দৌৰত মই সদায় প্ৰথম হৈছিলো। চকী খেল, সমদল গীত আদি সকলোতে মই অংশগ্ৰহণ কৰিছিলোঁ। আমি কেতিয়াও হতাশ হোৱা নাছিলোঁ। কেনেদৰে আমি বিভিন্ন ক্ষেত্ৰত আগুৱাই যাব পাৰো তাৰ কথা চিন্তা কৰিছিলোঁ।

প্ৰশ্ন ঃ পাঠ্যপুথিৰ উপৰিও তেতিয়াৰ দিনত কেনেধৰণৰ বাহিৰা কিতাপ আদি পঢ়িছিল ?

- ড° সুখ বৰুৱা ঃ অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই বিভিন্ন লেখকৰ গ্ৰন্থ অধ্যয়ন কৰিছিলো। বিশেষকৈ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, শংকৰদেৱ-মাধৱদেৱৰ নামঘোষা, কীৰ্ত্তন আদি। তদুপৰি বাণীকান্ত কাকতি, সত্যনাথ বৰা, কৃষ্ণকান্ত সন্দিকৈ এই বৰেণ্য ব্যক্তিসকলৰ জীৱনীয়ে মোক বৰকৈ আকৃষ্ট কৰিছিল। সেইবাবেই বছেৰেকীয়া খেল-ধেমালিবিলাকত প্ৰবন্ধ প্ৰতিযোগিতাত মই তেওঁলোকৰ জীৱনী লিখি প্ৰথম পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিলোঁ। স্কুলৰ আলোচনীবিলাকতো মই বিভিন্ন ধৰণৰ প্ৰবন্ধ আৰু কবিতা লিখিছিলোঁ। তেতিয়া মই গল্প বা উপন্যাস আদিত হাত দিয়াৰ কথা ভবা নাছিলো। ক'ব নোৱাৰাকৈয়ে ডাঙৰ ডাঙৰ মহৎ লোকৰ জীৱনীবিলাক পঢ়ি মই ইমানেই আকৃষ্ট হৈছিলোঁ, মইও যদি জীৱনত তেওঁলোকৰ প্ৰেৰণাৰে কিবা এটা কেনেকৈ লিখিব পাৰো মোৰ দুৰ্বাৰ হেঁপাহ জাগিছিল। তাৰ ফলস্বৰূপেই জীৱনৰ পাছৰ সময়ছোৱাত লিখা-মেলাৰ প্ৰতি আকৃষ্ট হৈছিলোঁ।

প্ৰশ্ন ঃ আপোনাক পঢ়ুউৱা শিক্ষক সকললৈ মনত পৰেনে ? সেই শিক্ষকসকলৰ কথা কওকচোন। যিমান মনত পৰে সিমান কওক। স্কুলত পঢ়া দিনবোৰত পঢ়াৰ উপৰিও আৰু কেনেকুৱা সাংস্কৃতিক কাৰ্য লৈছিল কিবা মনত পৰেনে ?

## *মই সুখ বৰুৱাই কৈছোঁ*

- ড° সুখ বৰুৱা ঃ বেতবাৰী হাইস্কুলৰ শিক্ষকসকলক মই যথেষ্ট শ্ৰদ্ধা আৰু ভক্তি কৰিছিলো। তেখেতসকলৰ ভিতৰত আছিল লক্ষেশ্বৰ বুঢ়াগোঁহাই ছাৰ আৰু প্ৰধান শিক্ষক শিৱনাৰায়ন বৰা ছাৰ। তেখেতসকলে মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। এদিনৰ কথা। তেতিয়া সংস্কৃত বিষয়টো ছাত্ৰ-ছাত্ৰীৰ কাৰণে বাধ্যতামূলক আছিল। মই তেতিয়া সংস্কৃত বাক্যবোৰ স্পষ্টকৈ ক'ব পাৰিছিলো আৰু ব্যাকৰণো ভালকৈ ক'ব পাৰিছিলো। কিন্তু আমাৰ লগৰবোৰে সংস্কৃত বিষয়টো একেবাৰে বেয়া পাইছিল। এদিন হঠাতে আমাৰ প্ৰধান শিক্ষক শিৱনাৰায়ণ বৰা ছাৰে আমাক সংস্কৃতৰ তিনি-চাৰিটা শাৰী পঢ়িবলৈ দিলে। আমাৰ বাদে কোনেও ভালকৈ পঢ়িব নোৱাৰিলে। পঢ়িব নোৱাৰাৰ বাবে তেওঁ সকলোকে থিয় কৰাই থ'লে। কিন্তু তেতিয়া মোৰ গৰ্ব হোৱা নাছিল। মোৰ মনত তেতিয়া খুউব দুখ লাগিছিল। ভগৱানক প্ৰাৰ্থনা কৰিছিলো যাতে সকলোকে ভাল হ'বলৈ, পঢ়িবলৈ শক্তি দিয়ে। মই তেতিয়া প্ৰধান শিক্ষকক কৈছিলো— 'ছাৰ, তেওঁলোকক বেছি সময় থিয় কৰাই নাৰাখিব। সোনকালে বহিবলৈ দিয়ক।' তেতিয়া ছাৰে এটা ধুনীয়া হাঁহি মাৰি সকলোকে বহিবলৈ দিছিল। সেই দৃশ্যটোৱে মোক এতিয়াও আমনি কৰি থাকে।
ইংৰাজী বিষয়ৰ দুজন শিক্ষক আছিল। এজনৰ নাম আছিল চিকন গগৈ আৰু আনজনৰ নাম দেহীৰাম গগৈ। তেখেতসকলে ইংৰাজীত এম.এ. পৰীক্ষা দি আমাৰ স্কুলত অস্থায়ীৰূপে শিক্ষকতা কৰিছিল। তেখেতসকল যথেষ্ট মেধা শক্তিৰ আছিল। আমি কেইটামান ল'ৰা-ছোৱালীয়ে তেখেতসকলক কেনেদৰে ব্যতিব্যস্ত কৰি তুলিছিলো সেই কথা সদায় মনত পৰে। তেখেতসকলে ঘৰত এনেদৰে প্ৰস্তুতি চলাই আহে আমাক যাতে তেখেতসকলে ব্যতিব্যস্ত কৰি তুলিব পাৰে। এনে মনোবৃত্তি তেখেতসকলে এইকাৰণেই লৈছিল যাতে আমি ভালকৈ ঘৰত পঢ়ি আহো। আমিও ঘৰত ভালকৈ পঢ়ি গৈছিলো। আৰু তেখেতসকলক সদায় নতুন নতুন কথা সুধিছিলো। যিবিলাক কথা তেখেতসকলৰো উত্তৰ দিওঁতে খোকোজা লাগিছিল। এদিন চিকন গগৈ ছাৰে মোক মাতি নি কৈছিল— 'তই বৰ বুদ্ধিমান। সেইবাবে আমাক তই ব্যতিব্যস্ত কৰিবলৈ শিকিছ।' মই তেতিয়া কৈছিলো— 'নহয় ছাৰ, ব্যাকৰণৰ যিবোৰ কথা আমি জনা নাছিলো, সেইখিনি শিকাই দিবৰ বাবেহে আমি সেইখিনি কথা সুধিছিলো।' সেইদৰে আমি শিক্ষকসকলৰ প্ৰিয়ভাজন হৈ পৰিছিলো। পিছলৈ আমাৰ শ্ৰেণীটোক অতি মনোযোগ দিছিল আৰু যথেষ্ট ভাল পাইছিল। ইয়াৰ উপৰিও আমাৰ সহকাৰী প্ৰধান শিক্ষক লক্ষেশ্বৰ বুঢ়াগোঁহাই, ডিম্বধৰ দুৱৰী, বেনু চিৰিং, তিলক চেতিয়া, ফুলদা বুঢ়াগোঁহাই, বৈকুণ্ঠ দাস, নীল কোঁৱৰ, কিৰণ বৰদলৈ আদি কৰি সকলো শিক্ষক শিক্ষয়িত্ৰীক মই অতি ভক্তি কৰিছিলো আৰু প্ৰিয়ভাজন হৈ পৰিছিলো।আমি সেই সময়ত এখন নাটক কৰাৰ কথা ভাবিছিলো। যেতিয়া নাটক কৰাৰ কথা ব্যক্ত কৰিছিলো, তেখেতসকলে বিভিন্ন ধৰণৰ নাটক আমাৰ যোগেদি কৰাইছিল। মই স্কুলীয়া জীৱনতে কেইখনো নাটক কৰিছিলো। 'বদন বৰফুকন', 'জয়মতী', 'সতীৰ তেজ', 'শকুনীৰ প্ৰতিশোধ', 'শোণিত কুঁৱৰী', 'কাশ্মীৰ কুমাৰী' আদি কেইখনো নাটকত অভিনয় কৰিছিলো। তেতিয়াও মই ভূয়সী প্ৰশংসা পাইছিলো। বিশেষকৈ 'সতীৰ তেজ' আৰু 'কাশ্মীৰ কুমাৰী' নাটকত মই সোণ আৰু ৰূপৰ পদত পাবলৈ সক্ষম হৈছিলো। 'শোণিত কুঁৱৰী' নাটকত মই নগদ ধনেৰে পুৰস্কৃত হৈছিলো। অভিনয়ৰ জীৱন সিমানতে অন্ত পৰিব বুলি মই অনুমান কৰিছিলো। কিন্তু যেতিয়া মই শিৱসাগৰ কলেজত নামভৰ্তি কৰিছিলো তেতিয়া যোগেন চেতিয়া নামৰ এজন ছাৰক লগ পাইছিলো। তেতিয়া তেওঁ পুনৰ 'ৰেডিঅ' নাটক' আৰু 'উইক ফেষ্টিভেল'ত গুৱাহাটী ইউনিভাৰচিটিত নাটক কৰাৰ সুযোগ দিছিল। ইউনিভাৰচিটিত পঢ়ি থাকোতেও মই দুখনমান নাটক কৰিছিলো। এইদৰেই স্কুলত পঢ়ি থকা দিনৰে পৰা মই নাটকৰ ক্ষেত্ৰত, খেলা-ধূলাৰ ক্ষেত্ৰত আৰু বিভিন্ন সামাজিক কামত জড়িত আছিলো।

## *মই সুখ বৰুৱাই কৈছোঁ*

স্কুলৰ দিনবোৰ বৰ মধুৰ আছিল। স্কুলত ক্লাচৰ পাছত যেতিয়া ৰিকেয়েশ্যন হয়, তেতিয়া আমি লগৰ ছোৱালী যেনে- লাৱণ্য গগৈ, পুতলী চেতিয়া, নিৰু কোঁৱৰ,ভাৰতী,বিমলা,মৃদুলা,ৰীনা আদি আমি লগলাগি সিহঁতৰ ঘৰলৈ বা আমাৰ ঘৰলৈ দৌৰি দৌৰি কিবাকিবি খাবলৈ গৈছিলো। এটা কথা আজিও মোৰ মনত পৰে। লাৱণ্যৰ মাকে বৰ সুন্দৰকৈ ৰন্ধা-বঢ়া কৰিছিল। মাটি দাইল ইমানেই সুস্বাদুকৈ ৰান্ধিছিল আমি খাই পাহৰিব পৰা নাছিলো। সেই মাটি দাইলৰ সোৱাদ এতিয়াও মোৰ জিভাত লাগি থাকে। লাৱণ্য গগৈ বৰ্তমান প্ৰধান শিক্ষয়িত্ৰী। তেওঁ বৰ্তমান নাহৰকটীয়াত থাকে। যমুনা গগৈ গুৱাহাটীত থাকে। নিৰু কোঁৱৰ প্ৰধান শিক্ষয়িত্ৰীৰূপে অৱসৰ গ্ৰহণ কৰি বৰ্তমান নিতাইপুখুৰীত থাকে। তাৰোপৰি ভাৰতী দিহিঙ্গীয়া নামৰ যিগৰাকী অভিনয়ৰ লগত অভিন্ন হৈ আছিল সেইগৰাকী অকালতে মৃত্যুবৰণ কৰে। কিছুদিন পূৰ্বে তেখেতৰ স্বামীৰ লগত অতীতৰ কিছু কথা ৰোমন্থন কৰিছিলো। ইয়াৰোপৰি জগত চেতিয়া, উপেন গোহাঁই, পদ্ম বৰুৱা, প্ৰদীপ বৰুৱা, প্ৰমোদ বৰুৱা, ৰাজেশ্বৰ চেতিয়া, যোগেশ্বৰ বৰা, লক্ষী, ভোলা আদি কৰি সকলোৱে বিভিন্ন ধৰণৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠানৰ লগত জড়িত হৈ অৱসৰ গ্ৰহণ কৰিছে। তাৰে ভিতৰত কেইবাজনো গুৱাহাটীৰ বাসিন্দা হৈছে। গুৱাহাটীলৈ গ'লে সিহঁতক লগ পালে স্কুলৰ দিনৰ সেই মধুৰী , জলফাই , আম, কঠাঁল, লেতেকু ,পনিয়ল, শিলিখা আদি বুটলি খোৱা বা খেলা-ধূলা কৰাৰ কথা ৰোমন্থন কৰো।

প্ৰশ্ন ঃ এতিয়া আহো আপোনাৰ মহাবিদ্যালয়ত পঢ়াৰ দিনবোৰৰ কথালৈ,এফালৰ পৰা যি মনত পৰে কৈ যাওকচোন। কলেজৰ কি কি কামৰ লগত জড়িত আছিল,কোন কোন ছাৰক লগ পাইছিল সকলোবোৰ দীঘলীয়াকৈ শুনিবলৈ মন গৈছে।

- ড° সুখ বৰুৱা ঃ স্কুলীয়া জীৱন শেষ কৰিছিলো। কিন্তু দুখৰ বিষয় যে, ভালদৰে উত্তীৰ্ণ হোৱাৰ পাছতো মোৰ মহাবিদ্যালযত নামভৰ্তি কৰিবলৈ অসুবিধা হৈছিল। কাৰণ আমি দৰিদ্ৰতাৰ সীমাত আবদ্ধ হৈ আছিলো। স্কুলীয়া জীৱনত গম পাইছিলো যে, জয়সাগৰত শিৱসাগৰ মহাবিদ্যালয় অৱস্থিত। যিখন মহাবিদ্যালয়ত তেতিয়া পৰাগ চলিহা ছাৰ অধ্যক্ষ হৈ আছিল। মোৰ আশা আছিল, মই মেট্ৰিক পাছ কৰাৰ পাছতেই সেইখন মহাবিদ্যালয়তে নামভৰ্তি কৰিম। কিন্তু আৰ্থিক দৈন্যতাৰ বাবে মই মন বান্ধি ৰাখিবলগীয়া হৈছিল। তেতিয়া মায়ে মোক ক'লে— 'পঢ়া-শুনা বাদ দে। নাৰ্চ পঢ়িবলৈকে যা।' ময়ো মাৰ কথাত মান্তি হৈছিলো। কাৰণ মোৰ দদাইদেউৰ ছোৱালীয়েও তেতিয়া নাৰ্চ পঢ়ি আছিল। মইও যদি নাৰ্চ পঢ়িবলৈ যাওঁ নিশ্চয় মানৱ সেৱা আৰু নিজৰ জীৱনটোক আত্মনিয়োগ কৰিব পাৰিম। কিন্তু ভাগ্যই অন্যফালে লৈ গ'ল। মোৰ এজন সম্বন্ধীয় ভিনিদেউ আছিল। তেখেতৰ নাম আছিল ভোলা বৰপাত্ৰ গোহাঁই। সেই সময়ত তেখেত আমাৰ ঘৰলৈ মোৰ ৰিজাল্টৰ খবৰ ল'বলৈ আহিছিল। তেখেতক মোৰ মায়ে সকলো কথা বিৰৰি কৈছিল। তেতিয়া তেখেতে কৈছিল যে, তাইক মই পঢ়ুৱাম। মোৰ এটা দমৰা গৰু আৰু অলপ জহা ধান আছে সেইবিলাক বিক্ৰী কৰিলেই তাইৰ নামভৰ্তি কৰাৰ টকাখিনি ওলাব। ভিনিদেউৰ কথামতেই মই নাৰ্চ পঢ়িবলৈ যোৱা নহ'ল। মই মহাবিদ্যালয়ত নামভৰ্তি কৰিলো। যিদিনাই মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ গৈছিলো, সেইদিনাই মোৰ পৰাগ চলিহা ছাৰৰ লগত সাক্ষাৎ হৈছিল। কি দেখিছিল নাজানো, ছাৰে মোলৈ অপলক দৃষ্টিৰে চাইছিল। ময়ো ছাৰক নমস্কাৰ জনাই সেইদিনা মহাবিদ্যালয়ৰ পৰা গুচি আহিছিলো।

  মোৰেই ভাগ্য ভাল আছিল। কাৰণ সেই সময়ত মোৰ ককাইদেৱে পলিটেক্‌নিকৰ পৰা পৰীক্ষা পাছ

কৰি আহিছিল। সেই সময়তেই শিৱসাগৰত অ'.এন.জি.চি. আৰম্ভ হৈছিল। আৰম্ভ হোৱাৰ পাছত যেতিয়া বিজ্ঞাপন দিয়া হৈছিল তেতিয়া মোৰ ককাইদেউ আৰু সম্বন্ধীয় দুজন ককাইদেৰে মেকানিকেল বিভাগত চাকৰি পাইছিল। মোৰ ককাইদেউৰ নাম আছিল দীপেশ চেতিয়া। তেওঁ যেতিয়া অ'.এন.জি.চি.ত চাকৰিটো পাইছিল তেতিয়া আমাৰ পৰিয়ালটোলৈ অলপ পোহৰ নামি আহিছিল। আমি অনুভৱ কৰিছিলো মাৰ আৰ্থিক দৈন্যতাৰ বাবে হোৱা কষ্টখিনি কিছু লাঘৱ হ'ব। সঁচাকৈয়ে লাঘৱ হৈছিল আৰু মোৰ পঢ়াৰ কাৰণেও সুবিধা হৈছিল। মোৰ একমাত্ৰ বাইদেউৰ ঘৰ শিৱসাগৰতেই আছিল। ছমাহমান মই বাইদেউৰ ঘৰৰ পৰাই অহা-যোৱা কৰিছিলো। ককাইদেউৰ দৰমহা হোৱাৰ পাছত ছাত্ৰী নিবাসত থকাৰ সুবিধা হৈছিল।

যেতিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো, তেতিয়া ইটো ক্লাছৰ পৰা সিটো ক্লাছলৈ যাওঁতে খুওব ভয় হৈছিল। দৌৰি দৌৰি ক্লাছলৈ গৈছিলো। তাৰ পাছত এটা নিৰ্দিষ্ট দিনত মহাবিদ্যালয়ত নৱাগতা আদৰণি সভা আৰম্ভ হ'ল। শিৱসাগৰ মহাবিদ্যালয়ৰ আটাইতকৈ পুৰণি ভৱন 'লাহটি হল'ত সেই সভা আয়োজন কৰিছিল। সেই সভাৰ সভাপতি আছিল আমাৰ আটাইতকৈ শ্ৰদ্ধাৰ পৰাগ চলিহা ছাৰ। অৰ্থাৎ সেই মহাবিদ্যালয়খনৰ অধ্যক্ষ। নতুনক আদৰিবৰ কাৰণে যিহেতু সভাখন আয়োজন কৰিছিল, সেয়েহে এটা ফালে আমাৰ নতুন চামক আৰু আনটো ফালে পুৰণি ছাত্ৰ-ছাত্ৰীসকলক বহুৱাইছিল। আদৰণি ভাষণ দিয়াৰ পাছতে নতুন ছাত্ৰ-ছাত্ৰীক ভাষণ দিবলৈ দিয়া হৈছিল। পৰাগ চলিহা ছাৰে অতি ক্ষীপ্ৰতাৰে, অতি তীক্ষ্ণ দৃষ্টিৰে আমাৰ ফালে চাইছিল। মই অতি ভয়ে ভয়ে উঠি গৈছিলো, নিজকে পৰীক্ষা কৰিবলৈ। কাৰণ মই স্কুলত থাকোতেও বিভিন্ন সময়ত তৰ্ক প্ৰতিযোগিতা বা কথা কোৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো। লাহে লাহে উঠি গৈ কৈছিলো—

'মই যেতিয়াই বিদ্যালয়ত পঢ়ি আছিলো, তেতিয়াই মোৰ মনৰ মাজত অনবৰতে এটা ভাৱ হৈছিল যে, মই শিৱসাগৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিম। আৰু সেই মহাবিদ্যালয়ৰ যিজন অধ্যক্ষ পৰাগ চলিহা ছাৰ তেখেতৰ আদৰ্শ মই অনুসৰণ কৰিম। আপোনালোক সকলোকে মই আদৰ সম্ভাষণ জনাইছো আৰু ডাঙৰসকলক মই শ্ৰদ্ধা জনাইছো। আশা কৰিছো, যাতে মহাবিদ্যালয়খনৰ বিভিন্ন প্ৰকাৰৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মই মোৰ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰো আৰু মহাবিদ্যালয়খনলৈও সুনাম কঢ়িয়াই আনিব পাৰো।'

মোৰ কথাখিনি শেষ হোৱাৰ পাছত ছাৰে মোক কাষলৈ মাতিছিল আৰু হাতত ধৰি সুধিছিল— 'তোৰ ঘৰ ক'ত?' মই তেতিয়া ছাৰক কৈছিলো— 'বেতবাৰীৰ চেতিয়া গাঁৱত। দিচাং মথাউৰিৰ এখন তেনেই সাধাৰণ পিছপৰা গাঁৱত মোৰ জন্ম হৈছিল।' তেতিয়া ছাৰে কৈছিল— 'জন্মৰ কথা নাভাবিবি, পঢ়াৰ কথা ভাবিবি। তই আগলৈ ভালদৰে বক্তৃতা দিব পাৰিবি বুলি মোৰ বিশ্বাস।' মই তেতিয়া ইমান আনন্দ অনুভৱ কৰিছিলো, এতিয়াও সেই আনন্দৰ ভাৱে মোক আপ্লুত কৰি তোলে।

মই হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত ডিগ্ৰীত নামভৰ্তি কৰিলো। সেইবছৰ মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব লৈছিলো। সম্পাদিকাৰ দায়িত্ব লোৱাৰ সময়ত আমাৰ উপাধ্যক্ষ আছিল পতিত পৱন দাস ছাৰ। ছাৰৰ পৰিবাৰ আছিল শান্তি দাস বাইদেউ। তেখেতে মোক তেখেতসকলৰ ছোৱালীৰ দৰে মৰম কৰিছিল। মই লাইব্ৰেৰীলৈ এদিন নগ'লেই মোক বাইদেৰে সুধিছিল— 'তুমি লাইব্ৰেৰীলৈ নাহিলে মোৰ মনটো বৰ বেয়া লাগে। তুমি হাঁহি হাঁহি সদায় জিলিকি থাকিবা।' এই কথা বাইদেৰে মোক সদায় কৈছিল। মহাবিদ্যালয়ৰ শেষৰ দিনকেইটালৈকে বাইদেউৰ লগত মোৰ সান্নিধ্য অটুট আছিল।

## *মই সুখ বৰুৱাই কৈছোঁ*

তাৰ পাছত লগ পাইছিলো যোগেন চেতিয়া ছাৰ, ইমৰাণ শ্বাহ ছাৰ, গিৰিশ দাস ছাৰ, শিৱনাথ বৰ্মন ছাৰ, বিশ্বনাথন ছাৰ আৰু প্ৰফুল্ল বৰুৱা ছাৰ। মোৰ প্ৰফুল্ল বৰুৱা ছাৰ আৰু ছাৰৰ বাইদেউৰ লগত অতি আত্মিক সম্বন্ধ গঢ়ি উঠিছিল। মই ছাত্ৰী নিবাসত থকাৰ সময়ত যথেষ্ট চাফ-চিকুণতাৰে গাঁৱৰ নীতি-নিয়ম পালন কৰি আছিলো বাবে প্ৰতি সোমবাৰে প্ৰফুল্ল বৰুৱা ছাৰৰ বাইদেৱে মোক শিৱদ'ললৈ লৈ গৈছিল। অবিবাহিত শিক্ষকসকলৰ বাবে কলেজত এটা হোষ্টেল আছিল। সেই হোষ্টেলত আছিল পুৰন্দৰ গগৈ ছাৰ, বিনোদ বৰুৱা ছাৰ, প্ৰতাপ বৰা ছাৰ, বীৰেন বৰুৱা ছাৰ, শৰৎ মহন্ত ছাৰ আৰু কেইজনমান অসমৰ বাহিৰৰ পৰা অহা শিক্ষক।তেখেতসকলে মোক বৰ ভাল পাইছিল। তেখেতসকলৰ এজন ৰান্ধনি আছিল। ৰান্ধনিজনক হতুৱাই তেখেতসকলে মোক মাতি পঠাইছিল। মোৰ হাতৰ আখৰবোৰ ভাল আছিল বাবে তেখেতলোকৰ কিছুমান প্ৰবন্ধ মোক কপি কৰিবলৈ দিছিল। আনকি বিনোদ বৰুৱা ছাৰ আৰু পুৰন্দৰ গগৈ ছাৰৰ কিতাপো মই কপি কৰি দিবলগীয়া হৈছিল। মই আজৰি সময় পালেই তেখেতসকলৰ প্ৰবন্ধ-পাতি কপি কৰি দিছিলো। সেইবাবেই তেখেতসকলে মোক খুওব ভাল পাইছিল। বীৰেন বৰুৱা ছাৰ আৰু শৰৎ মহন্ত ছাৰ আমাৰ বন্ধুৰ দৰে আছিল। মোৰ এগৰাকী ভাল বান্ধৱী আছিল। তাইৰ নাম আছিল নীলমণি গগৈ। আমি দুইগৰাকীয়ে আজৰি পৰত ছাৰ দুজনৰ লগত বিভিন্ন ধৰণৰ পঢ়াৰ কথা আলোচনা কৰিছিলো। কিছুমান ইংৰাজী ভাষা বুজি নাপালে ছাৰ দুজনে ভালদৰে বুজাই দিছিল। আমাৰ আৰু এজন ইংৰাজী শিক্ষক আছিল। নাম আছিল শ্যনাল ছাৰ। পৰৱৰ্তী সময়ত তেখেত শিৱসাগৰৰ ছোৱালী মহাবিদ্যালয়লৈ বদলি হৈ আহিছিল। তেখেতে ইমান ধুনীয়াকৈ কবিতা আবৃত্তি কৰিছিল যে, এতিয়াও তেখেতৰ মাতটো মনৰ মাজত ভাঁহি উঠে। যিদিনা আমি পৰীক্ষা শেষ কৰি ঘৰলৈ ঘূৰি আহোঁ, সেই ছাৰ দুজনে আমালৈ অপলক দৃষ্টিৰে চাইছিল। তেখেতসকলৰ লগত সেই সান্নিধ্য বহুত দিনলৈকে অটুট আছিল। আমি যেতিয়া মৰাণৰ বাসিন্দা হৈছিলো তেতিয়া তেখেতসকলৰ কেইবাজনো মৰাণ মহাবিদ্যালযত পৰীক্ষা চাবৰ বাবে আহিছিল। সেইসকলৰ ভিতৰত আছিল যোগেন চেতিয়া ছাৰ, পতিত পৱন দাস ছাৰ, পুৰন্দৰ গগৈ ছাৰ আদি। তেখেতসকলে আমাৰ ঘৰত পদাৰ্পণ কৰি গৈছিল। সেই সময়ত আমাৰ ঘৰখন বাঁহ-খেৰেৰে নিৰ্মিত আছিল। তেতিয়াই আমাৰ জীৱনত এটা তাৎপৰ্যপূৰ্ণ ঘটনা ঘটিছিল আৰু সেই ঘটনাই আমাৰ জীৱনৰ গতি সলনি কৰি দিছিল। সেইজন আছিল যোগেন চেতিয়া ছাৰ। তেখেতে আমাৰ ঘৰত এসাজ ভাত খাওঁতে মোৰ স্বামী বিনন্দ বৰুৱাক কৈছিল— 'তোমালোকে ক'পাৰ্টিভৰ এটা ঋণ লৈ ঘৰটো পকা কৰি লোৱা।' ছাৰৰ কথা শুনি আমাৰ গৃহস্থই সাতজনীয়া কমিটি গঠন কৰি ক'পাৰ্টিভৰ লগত যোগাযোগ কৰি এক লাখকৈ টকা ঋণ পাইছিল আৰু সেই ঋণেৰে আমাৰ ঘৰটো পকা কৰিলে। এইদৰে আমি জীৱনত অলপ হ'লেও আগবাঢ়ি গৈছিলো।

পৰাগ চলিহা ছাৰো আমাৰ ঘৰলৈ কেইবাবাৰো আহিছিল। মই যেতিয়া মৰাণত 'মৰাণ মহিলা মহাবিদ্যালয়' স্থাপন কৰিছিলো তেতিয়াও বিভিন্ন সভা-সমিতিত ছাৰ আহিছিল। তাৰোপৰি তেখেত যেতিয়া ৰাজনীতিত প্ৰৱেশ কৰি সাংসদ হৈছিল তেতিয়াও তেওঁ আমাৰ ঘৰলৈ আহিছিল। পৰাগ চলিহা ছাৰৰ এটা কথা মোৰ আজিও মনত আছে। মই তেতিয়া ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা আছিলো। কলেজৰ নাতিদূৰত এখন কেন্টিন আছিল। কেন্টিনৰ কাষতে এটা গুদাম ঘৰ আছিল। সেই গুদাম ঘৰতে কাঠখৰিবিলাক ভৰাই থৈছিল। কিছুমান দুষ্ট ল'ৰা-ছোৱালীয়ে তাত গৈ প্ৰেমালাপ কৰিছিল। এদিনৰ কথা। আমাৰ ক্লাছৰে এজন ল'ৰা আৰু এজনী ছোৱালীয়ে সেই গুদাম ঘৰত বহি কথা পাতি আছিল। ইতিমধ্যে কোনোবা ল'ৰাই কথাটো শিক্ষকক অৱগত কৰিছিল। সেই শিক্ষকজনে কথাষাৰ অধ্যক্ষ মহোদয়ৰ

কাণত পেলাইছিল। অধ্যক্ষ মহোদয়ে তৎক্ষণাৎ মোক মাতি পঠাইছিল আৰু কৈছিল— 'তোক এখন ইমান ডাঙৰ কলেজত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব দিয়া হৈছে, তই কিয় ভালদৰে কামবোৰ কৰা নাই।' মই কৈছিলো— 'মই কি কাম কৰিব লাগে। ক্লাচৰ পৰা গৈ হোষ্টেলৰ যাৱতীয় কামো কৰিব লাগে আৰু কেন্টিনৰ দায়িত্বও ল'ব লাগে বুলি মই কেতিয়াও ভবা নাই।' তেতিয়া ছাৰে মোক ধম্কি দিছিল আৰু কৈছিল তই যদি কাম কৰিব নোৱাৰ তেতিয়াহ'লে ৰিজাইন দে। মই ক'লো, ৰিজাইন দিবলৈও মই প্ৰস্তুত। কিন্তু অন্যায়ভাৱে মোক কোনোবাই কিবা কৰিলে মই কেতিয়াও আপোচ নকৰো। তেতিয়া ছাৰৰ খং উঠিছিল আৰু কৈছিল— 'এতিয়া যদি তোৰ বিৰুদ্ধে কোনোবাই কিবা কয় তেতিয়াহ'লে এতিয়াই মই তোক কলেজৰ পৰা বহিস্কাৰ কৰিম।' তেতিয়া মোৰ লগৰ দুজনমানে অতি সাহসেৰে ছাৰৰ ওচৰলৈ গৈছিল আৰু কৈছিল— প্ৰতিবাৰেই কেন্টিনৰ সেই গুদাম ঘৰটোত বিভিন্ন ধৰণৰ ল'ৰা-ছোৱালীয়ে কথা পাতি থাকে। সেইবোৰতো সুখ চেতিয়াই কেতিয়াও চাই থাকিব নোৱাৰে। ছাৰ, সুখ চেতিয়াক ক্ষমা কৰি দিয়ক বা ৰেহাই দিয়ক। তেতিয়া ছাৰে মোলৈ অতি কটাক্ষ দৃষ্টিৰে চাই মোক যাবলৈ ক'লে। সেইদিনা আছিল আমাৰ ছাত্ৰ একতা সভাৰ আলোচনীত দিবৰ বাবে ফটো তোলাৰ শেষ দিন। ইতিমধ্যে ফটোগ্ৰাফাৰ আহিল। মই কান্দি কান্দি হোষ্টেললৈ আহিলো। চকীদাৰে মোক নিবলৈ আহিল ফটো উঠিবৰ বাবে। মই ক'লো, মই নাযাওঁ। সেইবাবেই ছাত্ৰীৰ ফটো নোহোৱাকৈ কলেজ ছাত্ৰ একতা সভাৰ আলোচনীখন প্ৰকাশ হ'ল। এনেদৰেই মই সদায় অন্যায়ৰ প্ৰতিবাদ কৰি আহিছিলো। সমালোচনা, প্ৰৰোচনাই মোক শুদ্ধ পথৰ পৰা বিচলিত কৰিব পৰা নাছিল।

প্ৰশ্ন ঃ কলেজৰ বন্ধু বান্ধৱী সকললৈ এতিয়া মনত পৰেনে ?

- ড° সুখ বৰুৱা ঃ কলেজৰ পৰা গুচি অহাৰ পাছত এতিয়াও বন্ধু-বান্ধৱীবোৰলৈ বৰকৈ মনত পৰে। আমাৰ লগত এজন ল'ৰা আছিল। নাম আছিল পৰমা পেগু। তেওঁ এজন মিচিং সম্প্ৰদায়ৰ ল'ৰা আছিল। বৰ চোকা আৰু নিষ্ঠাৱান লোক আছিল। তেওঁ বৰ্তমান টেক্স কমিচনাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছে। তেওঁৰ উপৰিও বীৰেন্দ্ৰ দলে এজন ভাল বন্ধু ডি.জি.পি. হৈছিল। তদু পৰি কেইবাজনো ব্যক্তি ভাল ভাল চাকৰিত মকৰল হৈছিল। গুৱাহাটীত কেইবাজনো ভাল ভাল চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিছে। এতিয়াও মই যদি গুৱাহাটীলৈ যাওঁ এমাহমান থাকিব পৰাকৈ মোৰ বন্ধু-বান্ধৱী আছে। মোৰ এগৰাকী ভাল বান্ধৱী আছিল। নাম আছিল নীলমণি গগৈ। ঘৰ গুৱাহাটীত। আমাৰ ইমান গাঢ় সান্নিধ্য হৈছিল, আমি অতি ঘনিষ্ঠতাৰে একাত্ম হৈ পৰিছিলো। তাৰ ফলস্বৰূপে তেওঁৰ ভনীয়েকক মোৰ ভাইটোলৈ বিয়া কৰাবলৈ আমি সন্মত হৈছিলো। সেয়াও এক কাহিনী আমাৰ মাজত সজীৱ হৈ আছে। তাৰ মাজত আছিল মৰাণত বাস কৰা মৰাণ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা ইলা বৰগোহাঁই, মৰাণ বালিকা বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা ৰেণু গগৈ, পদ্মা গোহাঁই, সৰ্বেশ্বৰী দত্ত আমাৰ প্ৰায় লগৰীয়া আছিল। আমি এতিয়ালৈকে দুই-তিনিগৰাকীমানক হেৰুৱাব লগা হৈছে। সেই সকলৰ ভিতৰত বীণাপাণি গগৈ, পুলিনা দত্ত, ৰীনা চিৰিং, মীৰা বৰুৱা আদি।

প্ৰশ্ন ঃ কলেজৰ পৰা ওলাই আহি কেনেকুৱা কামত ব্যস্ত হ'ল ?

- ড° সুখ বৰুৱা ঃ কলেজৰ পৰা ওলাই আমি ধান দোৱা কামত লাগিছিলো। তাৰ পাছত ৰিজাল্ট ওলাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে যোগাযোগ কৰিছিলো। তাত ছাত্ৰী নিবাস নোপোৱাৰ বাবে

## *মই সুখ বৰুৱাই কৈছোঁ*

মোৰ মায়ে গুৱাহাটীত পঢ়ুৱাবলৈ অমান্তি হ'ল। তেতিয়া সেইসময়ৰ বিধায়ক দুৰ্গেশ্বৰ শইকীয়াই আমাৰ কাষৰে এগৰাকী সমন্ধীয়া বাইদেউক বিয়া কৰাইছিল। তেখেত তেতিয়া থাওৰা সমষ্টিৰ বিধায়ক আছিল। তেখেত প্ৰায়ে আমাৰ ঘৰলৈ আহিছিল। মই যেতিয়া বি.এ. পাছ কৰাৰ কথা তেখেতে গম পাইছিল, তেতিয়া মোক মৰাণলৈ মাতি লৈ গৈছিল আৰু কৈছিল— 'মই মৰাণত এখন ছোৱালী স্কুল খুলিছো, তাতেই তই শিক্ষয়িত্ৰী কৰিবি ব'ল।' যদিও মই তেখেতক 'ভিনিদেউ' বুলি সম্বোধন কৰিছিলো তেখেতে মোক 'তই' বুলি কৈছিল। ময়ো তেখেতৰ লগত মৰাণলৈ আহিছিলো। মৰাণলৈ আহিয়েই আমি অৰুণ শইকীয়াৰ পুৰণা ঘৰলৈ আহিছিলো। তেখেতে তোলন গগৈ আৰু নিশাৰাম ফুকনদেৱক মাতি নিছিল। জীৱনত প্ৰথম এনে এজন মানুহ লগ পাইছিলো, যিজনে ইমান লাহে লাহে কথা কৈছিল। তাৰ পাছত মই মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত নিযুক্তি পাইছিলো। সেই সময়ত মোক মাহে ১০০ টকাকৈ দৰমহা দিয়াৰ কথা কৈছিল। কিন্তু মই সেই চাৰিটা মাহত শিক্ষকতাৰ নামত ১০০ টকাৰ এটকাও পোৱা নাছিলো। তেতিয়ালৈকে মোৰ কোনো অভিজ্ঞতা নাছিল সংসাৰৰ কথা, জ্বলা-যান্ত্ৰণাৰ কথা বা অন্য ধৰণৰ কোনো কথা। জীৱনটো কেনেদৰে পৰিচালিত কৰিব লাগে, জীৱনৰ জটিল সময়ত কেনেদৰে সংগ্ৰাম কৰিব লাগে সেই কথাও জনা নাছিলো। স্কুলত নিযুক্তি পোৱাৰ পাছত মই ঘৰৰ পৰা গুচি আহিছিলো। মোৰ এজন দদাইদেউ আছিল। তেওঁ আছিল টংকেশ্বৰ চেতিয়া নামৰ প্ৰধান শিক্ষকজনৰ ভায়েক। সেই সময়ত ভেটেনেৰী ডিপাৰ্টমেন্টৰ এজন কৰ্মচাৰী আছিল। তেখেত কোৱাৰ্টাৰত আছিল। তেখেতৰ নাম আছিল ডিম্ব চেতিয়া। তেখেতৰ ঘৰতে মই আছিলো। সেই সময়ত জুলিয়ানা বেগমহঁত, স্কুলৰ পৰা ওলাবৰ সময়তে মই আহি পাইছিলো। ছোৱালীবিলাকক মই বৰ মৰম কৰিছিলো। সেই চাৰিমাহতে মই ছোৱালীবিলাকক লেখা-মেলাৰ প্ৰতি উৎসাহিত কৰি তুলিছিলো। মই ইংৰাজী আৰু অসমীয়া বিষয় দুটা পঢ়াইছিলো। দুখৰ বিষয় যে, স্কুলখনত ছোৱালীবিলাক বহিবলৈ এখনো বেঞ্চ-ডেস্ক নাছিল। ছোৱালীবিলাক থিয় হৈ আছিল। তেতিয়া মই ছোৱালীবিলাকৰ লগত এটা কথা আলোচনা কৰিছিলো। অষ্টমমান শ্ৰেণীত পঢ়ি থাকোতেই মোৰ সামাজিক দায়বদ্ধতাৰ মন এটা গঢ় লৈ উঠিছিল। মই ছোৱালীবিলাকক মনে মনে একত্ৰিত কৰিছিলো। তেওঁলোকক থিয় কৰাই প্ৰতিবাদ কৰাইছিলো। যেতিয়ালৈকে স্কুল কৰ্ত্তপক্ষই তেওঁলোকক বেঞ্চ-ডেস্ক দিব নোৱাৰিব, তেতিয়ালৈকে তেওঁলোকে শ্ৰেণী বৰ্জন কৰিব। ভাগ্য ভাল, মোৰ কথা কোনেও গম নাপালে। সঁচাকৈয়ে কেইদিনমানৰ পাছতে তোলন গগৈ ছাৰে কেইযোৰমান বেঞ্চ-ডেস্ক কৰবাৰ পৰা আনি ছোৱালীবিলাকক দিলে।

প্ৰশ্ন ঃ আপুনি বিশ্ববিদ্যালয়ত পঢ়াৰ কথা চিন্তা কৰা নাছিলনে?

- ড° সুখ বৰুৱা ঃ চিন্তা কৰিছিলো ।কৈছোঁশুনা। তেতিয়া আছিল ১৯৬৮ চন। ইতিমধ্যে ১৯৬৭ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পাঠ্যক্ৰম আৰম্ভ হৈছিল। ককাইদেৱে মোক কৈছিল, টকা-পইচাৰ কথা চিন্তা কৰিব নালাগে। তই আকৌ বিশ্ববিদ্যালয়ত নাম লগোৱাটোহে উচিত হ'ব। সেইমতেই কাম। মই বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত নামভৰ্তি কৰিলো। সেই বছৰতে মই আন এটা পাঠ্যক্ৰমতো নামভৰ্তি কৰিলো। সেইটো হ'ল বি.এড.। দুখৰ বিষয় যে, যেতিয়া এম.এ. পৰীক্ষাৰ প্ৰিভিয়াচ দিয়াৰ সময় হ'ল, তেতিয়া তিনিখন পেপাৰৰ পৰীক্ষা দিয়াৰ পাছতে মোৰ চকুৰ অসুখ হ'ল। চতুৰ্থখন পৰীক্ষা মই দিব নোৱাৰিলো। তাৰ পাছত মই বি.এড.ও সম্পূৰ্ণ নকৰাকৈ ঘৰলৈ ঘূৰি আহিলোঁ।

প্ৰশ্ন ঃ তাৰ পাছত বাইদেউ? বিয়া নেকি? মই কৌতুক কৰি সুধিলো।

## *মই সুখ বৰুৱাই কৈছোঁ*

- ড° সুখ বৰুৱা ঃ তাৰ পাচত অনেক কথা ।বিয়াৰ কথাকে কওঁ শুনা, মই যেতিয়া মৰাণত চাৰিমাহ স্নাতক ডিগ্ৰী লৈ শিক্ষয়িত্ৰী কৰি আছিলো, সেই কথা মৰাণৰ আশে-পাশে থকা লোকে জানিছিল। কাৰণ তেতিয়ালৈকে কোনো মহিলাই মৰাণত ভাড়াঘৰত থাকি শিক্ষয়িত্ৰী কৰা নাছিল।

এদিনৰ কথা। ডুমডুমাৰ পৰা এজন মানুহ আহিল। মানুহজন উচ্চ শিক্ষিত আৰু ভাল চাকৰিয়াল আছিল। মোক চাবৰ বাবে তেখেতক কোনোবাই পঠাইছিল। মই ক'ত থাকো সেই কথা জানিব নোৱাৰি বিনন্দ বৰুৱা (বিনন্দ বৰুৱা সেই সময়ত মৰাণ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ বিষয় শিক্ষক আছিল) বাটতে লগ পাই সুধিছিল যে, সুখ চেতিয়া নামৰ ছোৱালী এজনী শিক্ষকতা কৰি ভাড়াঘৰত থাকে। সেই ছোৱালীজনীক লগ কৰি দিয়াৰ সুবিধা কৰি দিব নেকি? তেতিয়া বৰুৱাই ক'লে— 'মই সুবিধা কৰি দিম। আপুনি অহা সপ্তাহত আহিব।' ইতিমধ্যে বিনন্দ বৰুৱাইও মোক মনে মনে ভাল পাইছিল। সেই কথা মই জনা নাছিলো। মই যেতিয়া স্কুলত যোগদান কৰিবলৈ আহিছিলো, তেতিয়া মোৰ লগত ডিমৌৰ পমিলা মাহী আহিছিল। সেই মাহীগৰাকী আছিল বিনন্দ বৰুৱাৰ বাইদেউৰ সমন্ধীয়। গতিকে আমি সেই বাইদেউৰ ঘৰলৈকে গৈছিলো। বাইদেউৰ নাম আছিল কনকলতা বৰুৱা আৰু ভিনিদেউৰ নাম আছিল টংকেশ্বৰ ফুকন। তেওঁলোকৰে খুলশালীয়েক আছিল বিনন্দ বৰুৱা। আমি এদিন তেওঁলোকৰ ঘৰলৈ গৈছিলো। সেই সময়ত বিনন্দ বৰুৱা ঘৰত নাছিল। আমি চাহ খোৱাৰ পাছতহে আহিছিল। আহি তেওঁ আমাৰ পৰিচয় সুধিলে— তুমি কোন ক্লাছত পঢ়িছা? এইট নে নাইনত? তেতিয়া মোৰ মাহীয়ে হাঁহি এটা মাৰি ক'লে যে, তাই বি.এ. পাছ কৰি 'মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়'ত আজি যোগদান কৰিছে এগৰাকী শিক্ষয়িত্ৰী হিচাপে, মাহীয়ে ক'লে। তেতিয়া তেওঁ মোৰ ফালে চাই ৰ'ল। সেয়াই প্ৰথম চিনাকি আছিল বিনন্দ বৰুৱাৰ লগত। তাৰ পাছত যেতিয়া সেই মানুহজনে মোক চাবলৈ অহাৰ কথা গম পাইছিল তেওঁৰ মনত সেইদিনা যিটো ভাৰ আহিছিল, সেই ভাৰ প্ৰকট হৈ উঠিছিল। তেতিয়া তেওঁ এজন মানুহৰ আগত তেওঁৰ মনৰ ভাৰ ব্যক্ত কৰিলে। সেই মানুহৰ আছিল তোলন গগৈ ছাৰৰ এজন সম্পৰ্কীয় লোক। তেওঁ ক'লে— 'এই ছোৱালীজনীক মই বিয়া কৰাব খোজো, যদি তেওঁ সন্মত হয়। মই চাবলৈ অহা লোকজনক কি বুলি ক'ম?' তেখেতেই বুদ্ধি এটা দিলে যে, ছোৱালীজনীৰ বিয়া ঠিক হৈ আছে বুলি ক'বলৈ। কথামতেই কাম। তাৰ পিছৰ সপ্তাহত মানুহজনে লগত এজনক লৈ আহিল আৰু এওঁক লগ কৰিলে। তেতিয়া এওঁ ক'লে— 'আপোনাক সহায় কৰিব নোৱাৰিলো। ছোৱালীজনীৰ বিয়া ঠিক হৈ আছে। তেওঁ বিফল মন এটা লৈ ঘৰলৈ ঘূৰি গ'ল। পাছত গম পাইছিলো তেখেত আছিল ভাল উচ্চ পদস্থ বিষয়া। এই ঠাইত থাকোতে কেইবাজনেও মোৰ লগত বিয়াৰ কথা ভাবিছিল। কিন্তু মনতে ৰাখি থৈছিল। যিজন মানুহৰ আগত বিনন্দ বৰুৱাই মোৰ কথা ব্যক্ত কৰিছিল তেওঁ মোক সুধিছিল, তোমাৰ ক'ৰবাত বিয়া ঠিক হৈ আছে নেকি? যদি নাই বিনন্দ বৰুৱাই তোমাৰ লগত বিয়াৰ কথা ভাবে। মই তেতিয়া কৈছিলো— 'আগতেও কেইজনমান মোক পঢুৱা শিক্ষকে আনৰ হতুৱাই বিয়াৰ প্ৰস্তাৱ দিছিল।সদ্যহতে মই বিয়াৰ কথা ভবা নাই।' সেই তেতিয়া বিয়াৰ কথা তল পৰিছিল।

প্ৰশ্ন ঃ তাৰপাছত বাইদেউ? আপোনাৰতো বিনন্দ বৰুৱা ছাৰৰ লগতে বিয়া হ'ল?

- ড° সুখ বৰুৱা ঃ কৈ আছো। তাৰপাছত অনেক কথা আছে। তিনি চাৰি মাহমানৰ পাছত মই মৰাণ এৰিছিলো। তাৰ পাছত মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী হৈছিলো। মই শেষৰটো পৰীক্ষা দিব নোৱাৰি ঘৰলৈ ঘূৰি আহিছিলো, তাৰ পাছত প্ৰস্তুতি চলাইছিলো দ্বিতীয়বাৰ পৰীক্ষা দিবৰ কাৰণে। কিন্তু সেই

*মই সুখ বৰুৱাই কৈছোঁ*

সময়ত সকলোৰে মনত এটা ভাৱ হৈছিল যে বেতবাৰীত এখন ছোৱালী স্কুল পতাৰ কথা। কিন্তু তেওঁলোকে এই দায়িত্ব ল'বলৈ কোনো মানুহ বিচাৰি পোৱা নাছিল। মই বিশ্ববিদ্যালয়ৰ পৰা ঘূৰি অহাৰ পাছত আমাৰ ঘৰলৈ পাঁচজনমান লোক আহিছিল। তেখেতসকল হৈছে— খগেন্দ্ৰ নাথ বুঢ়াগোহাঁই, লৰন চেতিয়া, তাৰিণী চেতিয়া,গোপাল চেতিয়া, ৰংনাথ গগৈকে আদি কৰি কেইজনমান লোক। তেখেতসকলে আমাৰ ঘৰলৈ আহি কৈছিল— 'সুখই হৈছে বেতবাৰীৰ প্ৰথম স্নাতক। গতিকে তাইক আমি এখন স্কুল পতাৰ কাৰণে অনুৰোধ কৰিবলৈ আহিছো।' তেতিয়া মায়ে সুধিলে, কি স্কুল? তেওঁলোকে ক'লে— 'উচ্চ মাধ্যমিক বালিকা বিদ্যালয়।' কথাটো তেওঁলোকে মোৰ লগত আলোচনা কৰিলে। মই কৈছিলো, যদি আপোনালোকে মোক সকলোৰে সহায় কৰে আৰু কামটো কাৰ্যকৰী হয়, তেতিয়াহ'লে মই আগবাঢ়িব পাৰো।

সেইমতেই কাম। তেতিয়া আছিল ডিচেম্বৰ মাহ। মই কথাটো ৰাতিটো চিন্তা কৰিলো। ভাবিলো, মই জানো এখন স্কুল পাতিব পাৰিম। কিন্তু মায়ে মোক সাহস দিছিল যে, তই নিশ্চয় পাৰিবি। তই যেতিয়া শিক্ষিত হৈছ, গাঁৱৰ ছোৱালীবিলাকো শিক্ষিত হ'লে বৰ ভাল হ'ব। তেওঁলোকে তোকে উপযুক্ত বুলি ভাবিছে যেতিয়া তই কামটো কৰিলে ভাল হ'ব। সেইমতেই আমি এখন আহ্বায়ক সমিতি গঠন কৰিলো আৰু এটা সময়ত আমি এখন সভা পাতিলো। বেতবাৰীৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাষতে এটা প্ৰশিক্ষণ কেন্দ্ৰ আছিল। সেই প্ৰশিক্ষণ কেন্দ্ৰৰ সঞ্চালক আছিল গোলাপ চন্দ্ৰ বৰা। যিজন দুৰ্গেশ্বৰ শইকীয়াৰ আত্মীয় আছিল। তেখেতৰ সেই প্ৰশিক্ষণ কেন্দ্ৰতেই আমি সভাখন দিছিলো। তেতিয়াই গম পাইছিলো যে, কেইজনমান শিক্ষাগুৰুৱে মই এই কামটো কৰিবলৈ লোৱাৰ বাবে তেওঁলোকে ভাল পোৱা নাই। আৰু সেই সভাখনতেই মই এই কাম নকৰিবলৈ তেওঁলোক সঁকিয়াই দিবলৈহে সভাত উপস্থিত থকাৰ কথা সিদ্ধান্ত লৈছিল। এই কথা কাণ বাগৰি আহি যেতিয়া মোৰ কাণত পৰিছিলহি, তেতিয়া মই চিন্তা কৰিছিলো যে, যিকেইজন ব্যক্তি (নাম— লক্ষেশ্বৰ বুঢ়াগোহাঁই, কিৰণ বৰদলৈ, ডিম্বধৰ দুৱৰী আদি কৰি কেইবাজনো শিক্ষক)য়ে তেখেতসকলে যেতিয়া ইমান অমান্তি হৈছে, তেখেতসকল সভালৈ গ'লে মই এটা কাম কৰিম বুলি ভাবিলো। সভাখন আৰম্ভ হ'ল। তেতিয়া সেই সভাত প্ৰায় ১০০ মান মানুহ গোট খাইছিল। মহিলাসকলৰ ভিতৰত আছিল মোৰ লগৰ চুপহী বৰুৱা, মীৰা বৰুৱা,স্বৰ্ণলতা চেতিয়া সুব ন্টি গোহাঁই অদি। আমি সভাখন আৰম্ভ কৰিবলৈ অহাৰ আগতে মই উদ্যোক্তাসকলক কৈছিলো যে, আজি সভাখনৰ ডিম্বধৰ দুৱৰী ছাৰকে সভাপতি কৰো। তেতিয়া দুজনমানে কৈছিল, তেওঁক সভাপতি পাতিলে লগে লগে স্কুল পাতিব নালাগে বুলি নস্যাৎ কৰি দিব। মই তেতিয়া তেখেতসকলক বুজাইছিলো। তেখেতসকলে সভাপতিৰ আসনত থাকি কেতিয়াও এই কাম কৰিব নোৱাৰে। মই ভবামতে ডিম্বধৰ দুৱৰী ছাৰকে অনুৰোধ কৰিলো,' ছাৰ আপুনিয়েই আজি সভাখনৰ সভাপতি কৰক। তেওঁ বাৰম্বাৰ আপত্তি কৰিছিল যদিও শেষত মোৰ কথাতে পতিয়ন গৈ তেওঁ সভাপতিৰ আসন গ্ৰহণ কৰিলে। সভা আৰম্ভ হ'ল। উদ্দেশ্য ব্যাখ্যা আৰম্ভ হ'ল। তাৰ পাছত আমাৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় স্থাপনৰ উদ্দেশ্যৰ কথা আহিল। প্ৰত্যেকেই থিয় হৈ এইটো এটা মহৎ কাম হ'ব বুলি হয়ভৰ দিলে আৰু প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ ক'লে। তেতিয়া দুৱৰী ছাৰেই সেই প্ৰস্তাৱটো গৃহীত কৰিলে। লগে লগে বিভিন্ন আলোচনাৰ মাধ্যমেৰে বেতবাৰীৰ মধ্যস্থলত নাৰীৰ মাধ্যমিক শিক্ষাৰ প্ৰথম খোজ আৰম্ভ হ'ল।

স্কুলখন হ'ল যদিও বহুত সমস্যা আহিল। মাটি ক'ত পোৱা যাব, ছোৱালী ক'ত পোৱা যাব। মাটিৰ সমস্যাটো সমাধান হোৱাৰ পথত আগবাঢ়িল। যেতিয়া আমি গ'ম পালো যে, যিখন এম.ভি. স্কুল আছে

তাতে এডোখৰ ছন পৰা চৰকাৰী মাটি আছে। তাত আধাবিঘামান মাটিৰ এটা সৰু টিলা আছে। সেই টিলাটো চাবলৈ আমি গ'লো। ময়েই প্ৰস্তাৱ দিলো, এই টিলাটোৰ সকলো মাটি আমি কোৰেৰে কাটি সমান কৰি ইয়াতেই এটা বাঁহ-খেৰেৰে ঘৰ সাজিম। সেইমতেই কাম। কিন্তু আধাবিঘামান মাটিত কেতিয়াও স্কুল হ'ব নোৱাৰে। স্কুলখনৰ কাষতে আমাৰ চাৰিবিঘামানৰ মাটিৰ এটা প্লট আছিল। তেতিয়া মই মাক ক'লো, তাৰে এবিঘামান মাটি স্কুলৰ কাৰণে দিব পাৰিবনে? মায়ে ক'লে— যদি স্কুলখন প্ৰকৃততে হয় বা ছোৱালীবোৰ শিক্ষিত হয়, তেতিয়াহ'লে মাটি দিবলৈ মান্তি হ'ব আৰু পিচত মান্তি হ'ল। সেইমতেই আমাৰ ঘৰৰ মাটি লৈ স্কুলখন আমি প্ৰতিষ্ঠা কৰিলো। কৈৱৰ্ত্ত গাওঁ আৰু জোলা গাঁৱৰ ল'ৰাবোৰে আমাক সহায় কৰিলে। সিহঁতে মাটি কটা, বাঁহ কটা, ইকৰা বিচৰা আদি কামত লাগি গ'ল। আমি নাৰেৰে ইটো পাৰলৈ গৈ ইকৰা, বিৰিণা কাটি আনিলো। তাৰ পাছত আমাৰ সমস্যা হ'ল ছাত্ৰী ক'ত পাম? তাৰ পাছত আমি গাঁৱে গাঁৱে ছোৱালী বিচাৰি গ'লো। খোজকাঢ়ি যাওঁতে আমাৰ মেখেলাৰ পতা চিগি গৈছিল। মোৰ লগত ছোৱালী বিচাৰি গৈছিল চুপহী বৰুৱা, মীৰা, খগেন বুঢ়াগোহাঁই, ভলক চেতিয়া, গিৰিন চেতিয়া, তাৰিণী চেতিয়া। তাৰিণী চেতিয়া বৰ্তমান আমাৰ মাজৰ পৰা আঁতৰি গৈছে। তেখেত অতি আগৰণুৱা ব্যক্তি আছিল। গিৰিণ চেতিয়া (তেখেত বৰ্তমান গুৱাহাটীত থাকে) লোকজনে কৈছিল— আহ, আৰু বেছিদূৰ নাই। আমিও ভাগৰি-জুগৰি গৈ আছিলো। গৈ গৈ আমি কিছুমান মানুহৰ ঘৰ পাইছিলো। তেওঁলোকে আমাক কলপাতত গুৰ দি চাহ দিছিল। সেই চাহ আমি বৰ তৃপ্তিৰে খাইছিলো। ভোকে-ভাগৰে গৈ কাৰোবাৰ ঘৰত পিঠা খাইছিলো, কাৰোবাৰ ঘৰত চাহ খায়েই আমি গুচি আহিছিলো। সেইদৰে ঘূৰি ঘূৰি আমি কমেও ২০ জনীমান ছোৱালী গোটাইছিলো।

২ নং কোঁৱৰ গাঁৱলৈ গৈছিলো। আমি গম পাইছিলো যে, তিনিঘৰমানত তিনিজনী ছোৱালী আছে। কিন্তু তাৰে দুঘৰ মানুহে আমাক ইমান আথে-বেথে চাহ খোৱালে। কিন্তু ছোৱালীকেইজনী লুকুৱাই ৰাখিলে। আমাক ছোৱালী নাই বুলি ক'লে। এঘৰ মানুহে আমাক কোমল চাউলৰ জলপান খোৱাই ক'লে যে, আমাৰ ছোৱালীজনী আমি আপোনালোকৰ স্কুলতে পঢ়িবলৈ পঠাম। এওঁলোকৰ দুজনী ছোৱালী আছে। ছোৱালীকেইজনী পঢ়িবলৈ নপঠায় নেকি? তেতিয়াহে আমি গম পাইছিলো যে, তেওঁলোকৰো দুজনী ছোৱালী আছে। সেই কথা শুনি আমি বৰ দুখ পাইছিলো। ঘূৰি আহোঁতে বাটত আমি কথা পাতিছিলো। তেতিয়া তাৰিণী ককাইদেৱে কৈছিল— সঁচাই আজি বৰ দুখ পাইছো, ছোৱালীকেইজনী লুকুৱাই ৰখাৰ বাবে। তাৰ পাছত মোৰ মনটো দুগুণে উৎসাহিত হ'ল। তেওঁলোকে ছোৱালী নিদিলেও বাকীকেইজনী ছোৱালীৰে আমি স্কুল আৰম্ভ কৰিব পাৰিম। গোপাল চেতিয়া নামৰ লোকজন বৰ উৎসাহী আছিল। আমাৰ সম্পাদক আছিল ৰং নাথ গগৈ, তেওঁ যথেষ্ট উৎসাহিত হৈছিল মোৰ কামৰ বাবে আৰু সেইদিনাই সেই সভাখনতেই মোক প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছিল। তেওঁলোকে সম্পাদকৰ দায়িত্ব দিছিল ৰংনাথ গগৈক। গোপাল চেতিয়াক উপ-সভাপতিৰ দায়িত্ব দিছিল। গোপাল চেতিয়াৰ ছোৱালীজনী যথেষ্ট চোকা আছিল। তেওঁ ছোৱালীজনীক বেতবাৰী হাইস্কুলত নপঢ়ুৱাই আমি পতা স্কুলখনতে পঢ়ুৱাইছিল। কালক্ৰমত ছোৱালীজনীয়ে প্ৰথমবাৰৰ বাবে কেইবাটাও বিষয়ত লেটাৰ লৈ প্ৰথম ছাত্ৰী হিচাপে বেতবাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছিল। বৰ্তমান তেওঁ নাহৰকটীয়া হায়াৰ ছেকেণ্ডাৰী স্কুলত ইংৰাজী বিষয়ৰ বিষয় শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত হৈ আছে। তেওঁৰ নাম মৃণালী চেতিয়া বৰগোহাঁই। তেনেদৰে ছোৱালী গোটাই আমি স্কুলখনত পাঠ আৰম্ভ কৰিছিলো। যেতিয়া মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰথম শুভাৰম্ভ হৈছিল, তেতিয়া মই সেই কথা মই উপলব্ধি কৰিছিলো। সেইদিনটো যে কিমান আনন্দমুখৰ

আছিল। কিন্তু সেই উপলব্ধি তেতিয়াতকৈ বহুত বেলেগ আছিল। কাৰণ তেতিয়ালৈকে বহুত অভিজ্ঞতা মই অৰ্জন কৰি আহিছো।

যেতিয়াৰ পৰা বিদ্যালয়খন আৰম্ভ হৈছিল তেতিয়া তাত শিক্ষকতা কৰিছিল চুপহী বৰুৱা, মীৰা বৰুৱা, শৈলেন গোহাঁই, লক্ষী চাংমাই, স্বৰ্ণ চেতিয়া আদি কৰি কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰীয়ে। আমি মাহিলি দৰমহা ১০০ বা ২০০ টকাতকৈ বেছি দিব নোৱাৰিছিলো। মোক কমিটিখনে ২০০ টকা পাৰিশ্ৰমিক দিছিল। কিন্তু সেই পাৰিশ্ৰমিকক আমি আওকান কৰি কেনেদৰে শিক্ষাদান কৰিব লাগে, সেই কথা বেছিকৈ চিন্তা কৰিছিলো। মাজে মাজে আমি ছোৱালী বিচাৰিছিলো। বিভিন্ন ঠাইৰ পৰা বেঞ্চ-ডেস্ক বিচাৰি স্কুলখন প্ৰতিষ্ঠা কৰিছিলো। উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰো মনৰ পৰা প্ৰতিহিংসাৰ ভাৱটো আঁতৰি গৈছিল। তেওঁলোকে আমাক আদৰি লৈছিল। বিভিন্ন কাম-কাজত তেওঁলোকে যথেষ্ট সহায় কৰিছিল। সেই বিদ্যালয়ত শিক্ষকতা কৰি থাকোতে মই কেইবাখনো নাটক কৰিবলগীয়া হৈছিল। লক্ষেশ্বৰ বুঢ়াগোহাঁই, যিজন আমাৰ সহকাৰী প্ৰধান শিক্ষক আছিল। তেওঁৰ পৰিবাৰ আছিল কুলদা বুঢ়াগোহাঁই। তেখেতসকলে মোক নিজৰ কন্যাৰ দৰে মৰম কৰিছিল। তেখেতসকলৰ একমাত্ৰ সুযোগ্য পুত্ৰ হৈছে ডাঃ সৌৰভ বুঢ়াগোহাঁই। তেওঁ বৰ্তমান চাবুৱাত কৰ্মৰত।

প্ৰশ্ন ঃ তাৰপাছত বাইদেউ? ঘৰত বিয়া-বাৰুৰ কথা ওলোৱা নাছিলনেকি?

- ড° সুখ বৰুৱা ঃ ওলাইছিল। তাৰ মাজতে কিছুদিন তল পৰি আছিল স্কুল পতাৰ বাবে। দিন বাগৰিল। মায়ে মোৰ বিয়াৰ কথা চিন্তা কৰিলে। মাক মই বিনন্দ বৰুৱাৰ কথা কৈছিলো। মায়ে এদিন বিনন্দ বৰুৱাক আমাৰ ঘৰলৈ মাতি পঠালে। বিনন্দ বৰুৱা এজন অমায়িক লোক। সেই কথা মই অনুধাৱন কৰিছিলো। তেওঁৰ আচাৰ-ব্যৱহাৰত মই মুগ্ধ হৈছিলো। যদিও ঘৰখনে শিক্ষকৰ লগত বিয়াৰ কথা ভবা নাছিল, তথাপিও বিনন্দ বৰুৱাক তেওঁলোকে পচন্দ কৰিলে। মায়ে মোক কৈছিল— 'তোৰ ককায়েৰৰ যদিও শিক্ষকলৈ বিয়া দিবলৈ মন নাই, তথাপিও মই তাক বুজাম। সি যাতে কুণ্ঠাবোধ নকৰে। সেইমতেই কামবোৰ আগবাঢ়িল।

  ১৯৬৯ চনত আমাৰ বিয়া হৈছিল। এখন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ দায়িত্ব লোৱাৰ পাছতে মোৰ জীৱনৰ গতি সলনি হ'ল। মই মগৰাহাট চাংমাই গাঁৱৰ বোৱাৰী হ'লো। বোৱাৰী হোৱাৰ পাছত মোৰ মনটো কিবা আচহুৱা যেন লাগিছিল। যদিও মোৰ শাহু, বৰজনা, ননদেৰে ঘৰখন পৰিপূৰ্ণ আছিল। আমাৰ ঘৰৰ কাষতে দদাশহুৰৰ পৰিয়াল। বিভিন্ন সময়ত, বিভিন্ন ব্যক্তিয়ে মোক চাবলৈ আহিছিল। গাঁৱৰ ঘৰ যিহেতু নীতি-নিয়মৰ মাজেদি দিনবোৰ পাৰ কৰিছিলো। তেতিয়াৰ দিনত আমাক ঘৰত চেণ্ডেল পিন্ধিবলৈ দিয়া নাছিল। ৰাতিপুৱা চোতাল, ঘৰ সৰাৰ পাছত শাহু আইক সেৱা এটি কৰাৰ পাছতহে মই চাহ খাব পাৰিছিলো। মেখেলা-চাদৰ-ৰিহা পিন্ধাৰ উপৰিও মূৰত ওৰণি নোলোৱাকৈ থকা নাছিলো। এদিনৰ কথা। দিচাং মুখৰ পৰা এজন বৈষ্ণৱ প্ৰাণ ব্যক্তি এজন আমাৰ ঘৰত প্ৰৱেশ কৰিছিল। গাঁৱৰ নীতি-নিয়মবোৰ নিয়াৰিকৈ পালন কৰা দেখি ব্যক্তিজনে মোক কৈছিল— 'তুমি নিশ্চয় কেইটামান শ্ৰেণী পঢ়ি আহিছা। আজিকালি ছোৱালীবোৰে সাধাৰণতে নীতি-নিয়ম পালন কৰা দেখা নাযায়। তুমি কিমান পঢ়িছা।' তেতিয়া কাষতে বহি থকা মোৰ শাহু আয়ে মিচিকিয়া হাঁহি এটা মাৰি কৈছিল— 'তাই বি.এ. পাছ কৰি এম.এ পঢ়ি আছে।' তেতিয়া তেওঁ আচৰিত হৈছিল। ইমান শিক্ষিত এজনী ছোৱালী হৈও নীতি-নিয়ম পালন কৰাটো অতি বিৰল কথা। মোৰ শাহু আয়ে তেতিয়া কৈছিল— 'এওঁৰ মাক যথেষ্ট আধ্যাত্মিক

জ্ঞান থকা এগৰাকী মহিলা। নাম-ধৰ্ম এইবিলাকত তেখেত যথেষ্ট পাৰ্গত। সেইবাবেই হয়তো এইবিলাক নীতি-নিয়ম এওকো শিকাই পঠাইছে।' সম্পৰ্কীয় মানুহবোৰৰ ঘৰলৈ যেতিয়া ননদজনীৰ লগত ফুৰিবলৈ গৈছিলো, তেতিয়াও মানুহবোৰ মোক যথেষ্ট ভাল পাইছিল।

এটা বছৰ মই গাঁৱৰ ঘৰত আছিলো। মই সকলোবিলাক কাম নিয়াৰিকৈ কৰিছিলো। খেতি কৰা মাটি ঘৰৰ পৰা যথেষ্ট দূৰত। তথাপিও মই ননদজনীৰ লগত ৰোৱা-তোলা কৰিবলৈ গৈছিলো। মানুহবোৰ আচৰিত হৈছিল। তাত হয়তো এনেদৰে শিক্ষিত ছোৱালীয়ে কাম-বন কৰা দেখা নাছিল। মোৰ শাহু আৰু খুৰী শাহুয়ে বাৰান্দাত বহি মই ধান দোৱা চাই আছিল। মই যেতিয়া তিনিটা মুঠি কাটো, তেতিয়া ননদজনীয়ে এটা মুঠি কাটে। ঘৰলৈ অহাৰ পাছত খুৰী শাহুয়ে মোক সোধে— 'তই পঢ়া-শুনাত ইমান চোকা। তই পঢ়া-শুনা কেতিয়া কৰিছিলি আৰু কাম-বন কেতিয়া শিকিছিলি।' এইবুলি তেওঁলোকে মোক প্ৰশংসা কৰিছিল।

যদিও মই শহুৰক লগ পোৱা নাছিলো, তেখেত এজন বৰ আধ্যাত্মিক লোক আছিল বুলি শুনিছিলো। তেখেত ঘোষাখন মুখস্থ মাতি ইহলীলা সম্বৰণ কৰিছিল। তেখেতৰ নাম আছিল বদুৰাম বৰুৱা আৰু শাহুৰ নাম আছিল বিচিত্ৰা বৰুৱা। দুজন ককাইদেউ (বৰজনা) আছিল। নাম আছিল আনন্দ বৰুৱা আৰু বিষ্ণুপ্ৰসাদ বৰুৱা। ভনীয়েকৰ নাম আছিল লিলিমাই বৰুৱা। এদিন মোক ননদজনীয়ে ক'লে যে, আমি এখন তাঁত লগাওঁ; আশী সূতাৰ চাদৰ। তেতিয়া মোক সুধিলে— আপুনি তাঁতৰ কাম জানেনে? মই ক'লো— জানো। সেইমতেই আমি তাঁতৰ কামত আগবাঢ়িলো। ১ মান বজাতে তাঁতখন চলাই-মেৰাই শেষ কৰিলো। মোৰ খুৰী শাহুয়ে দেখি আচৰিত হ'ল। যিখন তাঁত ছোৱালী দুজনীয়ে দুদিনতো শেষ কৰিব নোৱাৰে, সেই কাম এদিনতে চলাই-মেৰাই শেষ হ'ল। মোৰ দক্ষতাক তেওঁলোকে সেইদৰেই স্বীকৃতি দিলে। এনেদৰেই মই গাৰ্হস্থ্য জীৱনৰ সময়বোৰ পাৰ কৰিলো।

পুনৰ আমি এওঁৰ কৰ্মস্থলী মৰাণলৈ গুচি আহিলো। মৰাণত আহি যমুনা ৰাজখোৱাৰ ঘৰটোত ৪০ টকাৰ ভাড়াত আছিলো। তেওঁলোক কৰ্মসূত্ৰে বাহিৰত আছিল। তাতেই আমাৰ ডাঙৰ ল'ৰা শ্যামল (ধন)ৰ জন্ম হৈছিল।

প্ৰশ্ন ঃ এতিয়া আপোনাৰ চাকৰি জীৱনৰ কথা কওকচোন।

- ড° সুখ বৰুৱা ঃ মৰাণত চাকৰি জীৱনৰ কথা কওঁ শুনা। প্ৰথমৰে পৰা কৈছোঁ। মৰাণ মধ্য ইংৰাজী বিদ্যালয়খনৰ সম্পাদক হৈছিল লক্ষীপ্ৰসাদ বৰগোহাঁই। যিজন পৰৱৰ্তী কালত এদিন অসম বিধান সভাৰ মাহমৰা সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। আমি যমুনা বাইদেউৰ ঘৰৰ পৰা আহি পুনৰ তেওঁৰ ঘৰত ভাড়া লৈছিলো। সন্মুখৰ ঘৰটোৰ (বৰ্তমান ৰেব গগৈ) ৰেণু বাইদেউহঁত কৰ্মসূত্ৰে গুৱাহাটীলৈ যোৱাত পুনৰ আমি সেই ঘৰটোত ৪০ টকা ভাড়াত আছিলো। তেতিয়াই মোলৈ এটা সুযোগ আহিছিল যে মেধাৰ ভিত্তিত মৰাণ মধ্য ইংৰাজী বিদ্যালয়ত খালী হোৱা দুটা পদত নিযুক্তি দিব। তেতিয়া এই সমষ্টিৰ বিদায়ক আছিল খগেন গগৈ। খগেন গগৈ আছিল মোৰ এজন সম্পৰ্কীয় ভিনিদেউ। তেতিয়া মই স্বামীক কৈছিলো, লাগিলে মই বেতবাৰী স্কুললৈকে ঘূৰি যাওঁ। ইয়াত আৰু কাম কৰিবলৈ মন যোৱা নাই। এওঁ ক'লে, কেঁচুৱাৰ সৈতে আকৌ বেতবাৰীলৈ যাবলৈ অসুবিধা হ'ব। তেতিয়া মোৰ ককাইদেৰে বিয়া-বাৰু কৰাই সংসাৰী হৈছে। মায়ে মোক কেইবাবাৰো কৈছিল যে, স্কুলখন কৰিলি যেতিয়া আৰু কেইবছৰমান কৰ। কিন্তু মই দুবছৰ কাম কৰি স্কুলৰ পৰা অব্যাহতি লৈছিলো। কেইবাজন লোকে মোক ঘৰত আহি মাতিছিলহি। কিন্তু মই

যাবলৈ ইচ্ছা নকৰিলো। ইতিমধ্যে এই চাকৰিটো ওলাল। মই ইন্টাৰভিউত প্ৰথম হৈ চাকৰিটো পালো। ১৯৭২ চনৰ পৰা ১৯৭৭ চনলৈকে মই মাত্ৰ ২০০ টকাত চাকৰিটো কৰি আছিলো। তেতিয়া মোৰ লগত তিনিগৰাকীয়ে চাকৰি পাইছিল। সেইসকলৰ ভিতৰত আছিল দিপ্তীময়ী গগৈ, বিজয়া লাহন আৰু ফুলমাই বুঢ়াগোহাঁই। তাৰ পাছত মোৰ ১৯৭৭ চনত চাকৰি চৰকাৰীকৰণ হ'ল। মই নিয়মিত ভাবে দৰমহা পালো। তাৰ পাছত সুদীৰ্ঘ দিন ১৯৭২ চনৰ পৰা ১৯৯২ চনলৈকে মধ্য ইংৰাজী বালিকা বিদ্যালয়ত ইংৰাজী বিষয়ত সহঃ শিক্ষয়িত্ৰী হিচাপে পাঠদান কৰিছিলো। সেই সময়ত উচ্চ পদৰ শিক্ষকসকল আছিল তোলন গগৈ, পদ্মা গোহাঁই, পুতলী দেৱী বৰুৱা, ৰেণু গগৈ আদি। সুশীলা পাটগিৰি আছিল মধ্য ইংৰাজীৰ প্ৰধান শিক্ষয়িত্ৰী। মণিকা গগৈ, সুফিয়া খাতুন, নয়নতৰা গোহাঁই আদি কৰি শিক্ষয়িত্ৰীসকল। আমি সকলোৱে অতি নিষ্ঠাৰে কাম কৰিছিলো আৰু সদায় মিলিজুলি আছিলো। কিন্তু মোৰ চকুত সদায় এটা কথাই ধৰা দিছিল যে, স্কুলখনৰ অৱস্থাটো একেবাৰে শোচনীয়। চালৰ ওপৰৰ পৰা পানী পৰে, বেঞ্চ-ডেক্সৰ অভাৱ আৰু ছোৱালীবোৰো বৰ মেধা শক্তিৰ নাছিল। বিশেষকৈ অনুন্নত পৰ্যায়ৰ ছোৱালীবিলাকে এই বিদ্যালয়ত নামভৰ্তি কৰে। ইতিমধ্যে আমালৈ এটা সুযোগ আহিছিল। আমাৰ দ্বিতীয় ল'ৰা মনৰ জন্ম হৈছিল। সেই সময়ত আমাৰ ঘৰলৈ তেতিয়াৰ অসম চাহ মজদুৰ সংঘৰ সম্পাদক পৱন সিং ঘাটোৱাৰ আহিছিল। তেওঁ সদায় স্কুললৈ যাওঁতে মোক মাত লগাইছিল আৰু চাকৰি পোৱাৰ কাৰণে পাৰ্টী খোৱাবলৈ কৈছিল। মই এদিন আহিবলৈ কৈছিলো। আৰু সেই যি এদিন আহিছিল আমাৰ সৰু ল'ৰাটোৰ মৰমত সঘনাই আহিছিল। তেওঁ যেতিয়া সঘনাই আমাৰ ঘৰলৈ আহিছিল তেতিয়া মই মোৰ স্বামীক কৈছিলো যে এটা বেলেগ সম্প্ৰদায়ৰ ল'ৰা, বিশেষকৈ চাহ মজদুৰৰ ঘৰৰ ল'ৰা, আমাৰ ঘৰলৈ সঘনাই অহাটো ভাল হোৱা নাই। কিবা এটা কৰিলে ভাল হয়। তেতিয়া মোক স্বামীয়ে কৈছিল— 'মই ভাবিছিলো তোমাৰ মনটো ইমান বিশাল সকলোকে আদৰ-সাদৰ কৰিবা। কিয় এই অমায়িক ল'ৰাটোক এনেদৰে ক'ব লগা হৈছে? মই বেয়া পাইছো। পৱন ঘাটোৱাৰকো নিজৰ সহোদৰ ভাতৃ হিচাপে জ্ঞান কৰিবা।' লগত আহিছিল তেতিয়া কমলা বৰগোহাঁই, প্ৰদীপ হাজৰিকা আৰু হাদী মুস্তাক হুচেইন। তেওঁলোক প্ৰতিদিনেই আমাৰ ঘৰৰ আলহী হৈছিল। এনেদৰেই মই চাকৰিটো কৰি গৈছিলো। সেইসময়ত মোৰ ছোৱালী মাতুৰ জন্ম হৈছিল। তাইৰ জন্মৰ পাছত আৰু পঢ়া-শুনাৰ কথা ভাবিবলৈ অৱকাশ নাছিল।

প্ৰশ্ন ঃ তাৰপাছত বাইদেউ?

- ড° সুখ বৰুৱা ঃ যেতিয়া স্কুলখনৰ এনে এটা শোচনীয় অৱস্থা দেখিছিলো, তেতিয়া পৱন ঘাটোৱাৰক খাটিছিলো। এবিটা অথবা টাটাৰ পৰা অলপ টিং আনি দিব নোৱাৰানে? তেতিয়া তেওঁ মোক প্ৰধান শিক্ষয়িত্ৰীৰ যোগেদি এখন দৰ্খাস্ত লিখিবলৈ কৈছিল। তেতিয়া প্ৰধান শিক্ষয়িত্ৰী সুশীলা পাটগিৰিয়ে অৱসৰ লৈছিল আৰু তাৰ ঠাই পূৰণ কৰিছিল মণিকা গগৈয়ে। মণিকা গগৈৰ হতোৱাই এখন দৰ্খাস্ত লিখালো। সেই সময়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল অৰুণ শইকীয়া। দুয়োজনৰ পৰা এখন দৰ্খাস্ত লৈ মই পৱন ঘাটোৱাৰক দিছিলো। সেইমতেই পৱন ঘাটোৱাৰে আমাক ২০ বান্দোল ছোৱালী স্কুলৰ কাৰণে আৰু হাইস্কুলৰ কাৰণে ১২ যোৰা বেঞ্চ-ডেক্স, শিক্ষক-শিক্ষয়িত্ৰী বহিবৰ কাৰণে এযোৰ টেবুল-চকী যোগান ধৰিছিল। তেতিয়া মই স্বস্তিৰ নিশ্বাস পেলাইছিলো যে, বেলেগ এজন মানুহৰ সহায় লৈ হ'লেও স্কুলখনৰ কাৰণে অলপ বস্তু ক্ৰয় কৰিব পাৰিলো।

## *মই সুখ বৰুৱাই কৈছোঁ*

প্ৰশ্ন ঃ তাৰমাজতে বাইদেউ আপোনাৰ সাংসাৰিক জীৱনৰ কথা কওকচোন?

- ড° সুখ বৰুৱা ঃ তাৰমাজতে সাংসাৰিক জীৱন চলি আছিল। ইতিমধ্যে আমাৰ ডাঙৰ ল'ৰাই মেট্ৰিক পাছ কৰিলে। সি কটনত পঢ়িবলৈ সুযোগ পালে। ইফালে মোৰ ডাঙৰ ভাইটিয়ে পাৰ্চনেল ডিপাৰ্টমেন্ট চেক্ৰেটেৰীয়েটত চাকৰি কৰে। ক'পাৰ্টিভৰ ঋণ লোৱাৰ বাবে গৃহস্থ গুৱাহাটীলৈ সঘনাই যাব লগা হোৱাত ভাইটোৰ ঘৰতেই থাকিব লগা হৈছিল। তেতিয়া মোৰ ডাঙৰ ভাইটোৱে এওঁক কৈছিল যে— ভিনিদেউ, এচিচ্‌টেন্ট ইন্সপেক্টৰ চাৰিটা প'ষ্ট ওলাইছে। আপুনি এপ্লাই কৰিবনে? কমিচনাৰ ভাস্কৰ বৰুৱা মোৰ লগত যথেষ্ট ভাল। আৰু মই যদি কওঁ তেখেতে নিশ্চয় অলপ সহায় কৰিব। সেইমতেই মোৰ স্বামীয়ে এচিচ্‌টেন্ট ইন্সপেক্টৰৰ কাৰণে পৰীক্ষা দিলে। পৰীক্ষাত তেওঁ উত্তীৰ্ণ হ'ল। এচিচ্‌টেন্ট ইন্সপেক্টৰ হিচাপে তেওঁ নগাঁৱত নিযুক্তি পালে। কিন্তু আমাক এৰি যাবলৈ অসুবিধা হোৱাৰ বাবে নগাঁৱত বেলেগ এজনক দি যাও তেওঁ ডিব্ৰুগড়ত নিযুক্তি পালে। তাৰ পাছত তিনিবছৰৰ পাছতেই তেওঁ গোৱালপাৰালৈ বদলি হ'ল। 'মন' আৰু 'মাতু'ৰ লগত এজনী ঘৰত কাম-বনত সহায় কৰি দিয়া ছোৱালীৰ সৈতে ঘৰৰ গৃহস্থী জঞ্জাল আৰম্ভ কৰিলো।

প্ৰশ্ন ঃ ৰ'বচোন বাইদেউ, আপোনালোকৰ পৰিয়ালৰ আৰ্থিক দিশটোৰ কথা কওকচোন। এনেকুৱা প্ৰশ্ন সুধিব নাপায় চাগে। কিয় জানো জানিবৰ খুউব মন গৈছে। আপুনি ইচ্ছা নকৰিলে নালাগে ক'ব।

- ড° সুখ বৰুৱা ঃ সুধি ভালেই কৰিলা। তেতিয়াৰ দিনবোৰত কেতিয়াবা আমাৰ কেনেকুৱা হয় জানা? এদিনৰ কথা, আমাৰ ডাঙৰ ল'ৰালৈ পইচা পঠাব লাগে। তেতিয়া স্বামীয়ে নতুনকৈ জইন কৰিছে। দুবছৰলৈকে দৰমহা হোৱা নাছিল। মোৰ যিকেইটা দৰমহা সেই পইচাৰে তেওঁলৈও পঠাব লাগে আৰু ল'ৰাকো দিব লাগে। ইতিমধ্যে তেওঁ আকৌ ডিব্ৰুগড়লৈ বদলি হৈ আহিছে। এদিনৰ কথা, ল'ৰাই চাৰি হাজাৰ টকা খুজি পঠাইছে। তেওঁ চিন্তা কৰিছে আজি কেনেকৈ চাৰি হাজাৰ টকা যোগাৰ কৰি ল'ৰালৈ পঠাও। মইও চিন্তা কৰি আছো। ভগৱানক খাতিছো, কেনেকৈ টকাৰ যোগাৰ কৰো। তেনেতে আমাৰ ঘৰলৈ যতীন চুতীয়া আহিল। তেতিয়া তেওঁ মৰাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক। তেওঁ আহি ক'লে— 'বাইদেউ, মই সাহিত্য সভাৰ কাৰণে টকা চাৰি হাজাৰ পাইছো। ঘৰলৈ নিলে খৰচ হৈ থাকিব। আপুনি টকাখিনি থৈ দিব পাৰিবনে?' মই অতি আনন্দেৰে তেওঁৰ প্ৰস্তাৱটো গ্ৰহণ কৰিলো। সেই সময়তে মোৰ স্বামী ডিব্ৰুগড়ৰ পৰা ঘৰলৈ আহিল। মই তেওঁক সুধিলো টকা যোগাৰ কৰিব পাৰিলেনে? তেওঁ ক'লে যে মাত্ৰ এহেজাৰ টকা যোগাৰ কৰি আনিছো। মই ক'লো, যতীনে মোক চাৰি হাজাৰ টকা দিছে। আমি তেনেদৰেই যোগাৰ কৰি পাঁচ হাজাৰ টকা ল'ৰালৈ পঠালো। ভগৱানৰ ওচৰত অগাধ বিশ্বাস আহিল যে, মই অতি ভক্তিভাৱে ভগৱানক ভাবিছো কাৰণেই বেলেগ উপায়েৰে হ'লেও আমাক সহায় কৰিছে। সেই দিনটোৰ কথা মনত পৰিলেই যতীনলৈও মনত পেলাও।তেনেকৈয়ো চলিছিলো। আমাৰ সহজ-সৰল জীৱন,আৰ্থিক স্বচ্ছলতা নহ'লেও অশান্তি নাছিল।

প্ৰশ্ন ঃ বুজিলো বাইদেউ। এতিয়া কওক আপোনাৰ পুনৰ এম.এ. পঢ়াৰ কথা।

- ড° সুখ বৰুৱা ঃ আমাৰ ঘৰত থাকিবলৈ সদায় এটা ল'ৰা আহে। তাৰ নাম চিত্ৰ ফুকন। আমাৰ প্ৰতিবেশী। তেওঁ কিতাপ-পত্ৰ আনি এম.এ পঢ়িবলৈ লৈছে। যেতিয়া আমাৰ ঘৰত ৰাতি থাকিবলৈ আহে তেতিয়া মোক আমনি কৰে যে মাহী, (উষাপুৰৰ প্ৰায়বোৰ লৰা-ছোৱালীয়ে মোক মাহী বুলি মাতে) আপুনি পঢ়িবনে?

## *মই সুখ বৰুৱাই কৈছোঁ*

মই পঢ়িম, মোৰ লগতে আপুনিও পঢ়ক। তেতিয়া মই কৈছিলো— 'বহুদিন বিৰতি হ'ল, মই আখৰ লিখিবলৈকে পাহৰি গৈছো। লিখা-মেলা মনলৈ আহিলেও মই লিখিবলৈ এৰি দিলো। গতিকে মই নপঢ়ো।' কমলা আৰু প্ৰদীপ কলেজৰ পৰা অহাৰ পাছত মই ক'লো, চিত্ৰই মোক এনেধৰণে কৈছে মই কি কৰো বাৰু? তেতিয়া কমলা আৰু প্ৰদীপে লগে লগে উত্তৰ দিলে যে আপুনি পঢ়ক। ইংৰাজীত নহ'লেও অসমীয়াতে পঢ়ক। মই তেতিয়া তাক ক'লো কিতাপ-পত্ৰবোৰ আনচোন। পাঠ্যসূচী চাই মই কিতাপ-পত্ৰবোৰ কিনি আনিলো। সেইমতেই কিতাপ আনি মই পঢ়িবলৈ ল'লো। মই মোৰ স্বামী আৰু ল'ৰা-ছোৱালীকো কথাটো নজনালো। মন আৰু মাতুয়ে পঢ়া শেষ কৰি সিহঁত শোৱাৰ পাছত মই পঢ়িবলৈ ল'লো, লিখিবলৈ ল'লো। লাহে লাহে মোৰ হাতৰ আঙুলিবোৰ যেন ঠন ধৰি উঠিল। মাত্ৰ তিনিটা মাহ পঢ়িবলৈ ল'লো।  পৰীক্ষা দিবলৈ সাজু হ'লো। কি পঢ়িলো নিজেই নাজানো। তথাপিও পৰীক্ষা দিবলৈ গ'লো পৱন আৰু কমলাৰ লগত। মনে মনে হলত সোমালো। কোনো যেন চিনাকি মানুহৰ মুখ দেখা নাপাওঁ সেই কথাষাৰকে মনতে ভাবি থাকিলো। কিন্তু দেখিলো যে মৰাণৰ কেইবাজনো পুৰুষ-মহিলাই এই পৰীক্ষা দিবলৈ বহিছে। মইও নিজৰ ঠাইত বহি লিখিবলৈ আৰম্ভ কৰিলো। এনেতে এগৰাকী নিৰীক্ষক আহি মোৰ কাষ পালেহি। তেওঁৰ নাম ড° জাহ্নবী গগৈ। মোৰ কলেজীয়া বান্ধৱী ভাৰতী গগৈৰ ভগ্নী। তেওঁ আহি ক'লে— 'বাইদেউ ভালনে? আপুনি ইমান ধুনীয়াকৈ লিখি আছে, দেখি মোৰ বৰ ভাল লাগিছে।' মোৰ লাজ লাগিছিল। তথাপিও হাঁহি এটা মাৰি মই আকৌ লিখিবলৈ ল'লো। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাম কৰা মোৰ এটা ভাই আছিল। তাৰ নাম বীৰেন বৰা। মই তাক কৈ থৈছিলো যে, পৰীক্ষা হলৰ পৰা ১৫ মিনিটৰ আগতেই ওলাম। তই গেটৰ সন্মুখত ৰৈ থাকি মোক স্কুটাৰত লৈ যাবি। যাতে মোক পৰীক্ষা দিয়া কোনেও নেদেখে। ঠিক সেইমতেই বীৰেনে আহি মোক লৈ গৈছিল। তাৰ ঘৰতে ভাত-পানী খাই অলপ সময় জিৰণি লৈছিলো। পৱন আৰু কমলাই আহি ডিব্ৰুগড়ৰ পৰা গাড়ীত মৰাণলৈ লৈ আহিছিল। এইদৰেই মই প্ৰিভিয়াচৰ চাৰিখন প্ৰশ্নকাকত সম্পূৰ্ণ কৰি আহিছিলো। যথাসময়ত তাৰ ফলাফল ওলাইছিল। ফলাফলত মই ভাল নম্বৰ পাই উত্তীৰ্ণ হৈছিলো। তেতিয়াহে মোৰ স্বামী আৰু ল'ৰা-ছোৱালীয়ে কথাটো গম পাইছিল। মোৰ স্বামী ইমানেই আনন্দিত আৰু উৎফুল্লিত হৈছিল যে ফাইনেল পৰীক্ষাৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ যোগান দিবলৈ যত্নপৰ হৈ পৰা দেখিছিলো। মই ফাইনেল পৰীক্ষাৰ বাবে প্ৰস্তুত হৈছিলো। যথাসময়ত পৰীক্ষা দিছিলো। কিন্তু এটা দুঃসংবাদে মোৰ শেষৰটো পৰীক্ষাত আউল লগাইছিল। সেই সংবাদটো হ'ল মোৰ জন্মদাত্ৰী মাতৃৰ বিয়োগ। সেই কথাই মোক অতি ব্যথিত কৰিলে বাবেই শেষৰখন প্ৰশ্নকাকতত মই যেনেদৰে মনোযোগেৰে লিখিব লাগিছিল সেইদৰে লিখিব নোৱাৰিলো। সেইবাবে মই ভবাৰ দৰে নম্বৰ পাবলৈ সক্ষম নহ'লো। তথাপিও মই এম.এ. ডিগ্ৰী লাভ কৰিলো।

প্ৰশ্ন ঃ আমি মৰাণলৈ অহাৰ পৰা দেখিছো আপোনাৰ ঘৰখনত সদায়  আলহী-অতিথিৰে পৰিপূৰ্ণ হৈ থাকে, সেইখিনি কথা আপোনাৰ কেনেকৈ মনত পৰে। কিবা কাহিনী আছে যদিও কওক।

- ড° সুখ বৰুৱা ঃ মই আগতেই উল্লেখ কৰিছো যে, মৰাণত যিখন আমাৰ ঘৰ সেইখন ঘৰ সদায়েই আলহী-অতিথিৰে পৰিপূৰ্ণ হৈ আছিল। বহুজনে মন্তব্য কৰিছিল যে, আপোনাৰ অন্নপূৰ্ণা ৰূপ আমি দেখিবলৈ পাইছো। সেই কথা মোৰো উপলব্ধি হৈছিল। আমাৰ ঘৰলৈ সৰুৰ পৰা ডাঙৰলৈ যিমান মানুহ আহে সকলোকে এখন তামোল বা একাপ চাহ নযচাকৈ মই কেতিয়াও সুখী নহওঁ বা মই বৰ কষ্ট পাওঁ। গতিকে

## মই সুখ বৰুৱাই কৈছোঁ

মই সকলোকে যেনেদৰে পাৰো তেনেদৰে শুশ্রূষা কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিলো। মোৰ স্বামী যেতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষৰ পদত নিযুক্তি হৈছিল তেতিয়া আমাৰ ঘৰলৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ আগমন হৈছিল। কোনোবাই চিটৰ কাৰণে, কোনোবাই পৰীক্ষাৰ কাৰণে, কোনোবাই থকা ঠাই বিচাৰি দিবৰ কাৰণে অহা অনেকজনৰ লগত সান্নিধ্য হৈছিল। তাৰ উপৰিও আমাৰ ঘৰৰ কাষতে আছিল মৰাণ মহাবিদ্যালয়খন। মহাবিদ্যালয়খনৰ প্ৰত্যেকজন শিক্ষক-শিক্ষয়িত্ৰীয়েই যেন আমাৰ লগত আত্মিক সম্বন্ধত বান্ধ খাই পৰিছিল। সেইবিলাকৰ ভিতৰত আছিল অৰুণ শইকীয়া (অধ্যক্ষ), তৰুণ গোহাঁই (উপাধ্যক্ষ), পদ্ম চুতীয়া, যুগল চেলেং, অনিল শইকীয়া, যতীন চুতীয়া, কমলা বৰগোহাঁই, অতুল গগৈ, হাদী মুস্তাক হুচেইন, মীনা ফুকন, অঞ্জনা দত্ত ভৌমিক, সৰ্বেশ্বৰী দত্ত, প্ৰদীপ হাজৰিকাকে আদি কৰি সকলোবিলাকৰ উপস্থিতি আমি সদায় পাইছিলো। কোনোবা এজন নাহিলেই আমি অন্তৰত বৰ দুখ পাইছিলো। তেওঁলোক কিয় আজি নহাকৈ থাকিল। বিশেষকৈ কমলা বৰগোহাঁই, প্ৰদীপ হাজৰিকা, পৱন ঘাটোৱাৰ, হাদী মুস্তাক হুচেইন, অনিল শইকীয়া, যতীন চুতীয়া আদিক মই মোৰ সহোদৰ ভাতৃসম জ্ঞান কৰিছিলো। তেওঁলোকৰ পৰা যেতিয়াই যি দিহা-পৰামৰ্শ লাগে মই লৈছিলো। আৰু তেওঁলোকেও মোক তেওঁলোকৰ সহোদৰ ভগ্নীৰ দৰে জ্ঞান কৰিছিল আৰু সমীহ কৰিছিল। বিভিন্ন সাহিত্য বিষয়ক আলোচনা কৰাৰ ক্ষেত্ৰত তেওঁলোকে মোৰ লগত অংশগ্ৰহণ কৰিছিল। এইদৰেই মৰাণৰ বিশেষকৈ মজদুৰ সংঘৰ চুচনচন্দ্ৰ চুতীয়া নায়ক, মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কনক শৰ্মা, দ্বিজেন গোহাঁই, মোহন শৰ্মা, নীলাম্বৰ গগৈ, হৰেশ ফুকন আদি কৰি বিভিন্নজনৰ লগত আমাৰ আত্মিক সম্বন্ধ গঢ়ি উঠিছিল।

আমি উল্লেখ নকৰিলে ভুল হ'ব যে, কুমুদেশ্বৰ বৰগোহাঁইক মই ভিনিদেউ বুলি মাতিছিলো। তেখেতে আমাক বৰ ভাল ভাল দিহা-পৰামৰ্শ দিছিল আৰু আপোন হিচাপে আমাক ব্যৱহাৰ কৰিছিল। লক্ষীপ্ৰসাদ বৰগোহাঁই আমাৰ ঘৰৰ কাষতে আছিল। যিজনে মোক মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকৰ চাকৰি পোৱাত সহায় কৰিছিল। পিছলৈ তেওঁ বিধায়ক হৈও আমাৰ ঘৰৰ লগত সেই একেই সম্বন্ধ ৰাখিছিল। আমাৰ ওচৰ-চুবুৰীয়া বিলাকেও আমাক যথেষ্ট সমীহ কৰে আৰু ভাল পায়। আমিও সকলোৰে লগত মিলা-প্ৰীতিৰে সময় কটাও। আৰু কেইজনমান লোকৰ নাম মোৰ মনলৈ আহিছে। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মোৰ বন্ধুবৰ ৰোহিণী গগৈ, বুদ্ধেশ্বৰ গগৈ, যোগানন্দ গগৈ, দ্বীজেন গোহাঁই, জগত ফুকন। তদুপৰি চাকৰিসূত্ৰে মৰাণলৈ অহা এচ.ডি.চি. আৰু বহু কেইজন চৰকাৰী বিষয়াৰ লগতো আমাৰ ঘনিষ্ঠতা বাঢ়িছিল। সেইবাবেই তেওঁলোকৰ বিদায়ৰ মুহূৰ্তবোৰ অতি কৰুণ হৈ পৰিছিল। তেতিয়া আমি অনুভৱ কৰিছিলো সেই সন্ধ্যাবোৰ উদাস হৈ আহিছিল। কাৰণ তেওঁলোক ইতিমধ্যে এই ঠাই এৰি বদলি হৈ গৈছে। আকৌ নতুন এচাম আমাৰ মাজলৈ আহিছিল। মৰাণ মহাবিদ্যালয়ত তেতিয়া বিজ্ঞান শাখা খোলা হৈছিল। বিভিন্নজনে আহি আমাৰ পৰা বিভিন্ন দিহা-পৰামৰ্শ লৈছিল। তাৰে এজন বিশিষ্ট ব্যক্তি আছিল বিধায়ক নাৰদ কুমাৰ। নাৰদ কুমাৰৰ দিনতেই মৰাণ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা আৰম্ভ হৈছিল। বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে বিজ্ঞান শাখা আৰম্ভ হৈছিল। সেই সময়ত তৰুণ চুতীয়াদেৱ আছিল মৰাণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক। মৰাণ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বা বিজ্ঞান শাখা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতৰ অনবদ্য বৰঙণি আছে। নাৰদ কুমাৰ, পৱন ঘাটোৱাৰ, চুচনৰঞ্জন চুতীয়া নায়কৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ অৰুণ শইকীয়া, তৰুণ চুতীয়া, অতুল গগৈৰো অনবদ্য বৰঙণি আছে। ইয়াৰ উপৰিও কলা শাখাৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী বিজ্ঞান শাখাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল।

## *মই সুখ বৰুৱাই কৈছোঁ*

এদিনৰ কথা। ৰাতিপুৱা ৭ বজাত বিধায়ক নাৰদ কুমাৰ, পৱন ঘাটোৱাৰ আৰু চুচনৰঞ্জন চুতীয়া নায়ক আমাৰ ঘৰলৈ আহিছিল। তেওঁলোকে মোক কৈ গৈছিল যে আমি বাগানলৈ যাওঁ। বিজ্ঞান শাখাৰ শিক্ষকসকলক দৰমহা দিবৰ বাবে বৰঙণি বিচাৰি যাওঁ। ঘূৰি আহি আমি ইয়াতেই ভাত খাই ডিব্ৰুগড়লৈ যাম। নাৰদ কুমাৰে কেইটামান কথা কৈছিল। সেই কথাকেইষাৰে মোৰ মন চুই গৈছিল। তেখেতে মোক 'বাইদেউ' বুলি সম্বোধন কৰিছিল। কৈছিল— 'বাইদেউ, যদিও বিজ্ঞান শাখাটো মৰাণত প্ৰৱৰ্তন কৰিলো, তথাপিও আমাৰ মনটো দোদুল্যমান হৈ আছে। এচাম মানুহ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত ক্ষুণ্ণ হৈছে। আৰু কেনেকৈ বিজ্ঞান শাখাটো মৰাণত নহয় তাৰ কাৰণে চেষ্টা কৰি আছে। এই কথাই মোক যথেষ্ট দুখ দিছে। তথাপিও মই বাগানে বাগানে গৈ দান-বৰঙণি তুলি শিক্ষক-শিক্ষয়িত্ৰীসকলক পাৰিশ্ৰমিক দিবৰ বাবে আগবাঢ়িছো।' তেতিয়া মই তেওঁক নিৰ্ভয় দি কৈছিলো যে, মই যদিও আপোনাতকৈ জ্যেষ্ঠ নহয়, তথাপিও মই মোৰ অভিজ্ঞতাৰ পৰা কৈছো, আপুনি কেতিয়াও আপোনাৰ সাহসৰ ওপৰত, আপোনাৰ চেষ্টাৰ ওচৰত হাৰ নামানিব। আপুনি আগবাঢ়ি গৈ থাকক। সংগ্ৰাম থাকিবই, সমস্যা থাকিবই। যদি বিজ্ঞান শাখাটো মৰাণত চৰকাৰীকৰণ হয়, তেন্তে মৰাণৰ আৰু এই বৃহৎ অঞ্চলটোৰ ল'ৰা-ছোৱালীবিলাক বিজ্ঞান শিক্ষা লোৱাত অতি লাভৱান হ'ব। তেওঁ মোৰ কথা শুনি বৰ আনন্দ পাইছিল আৰু বাগানলৈ বুলি ওলাই গৈছিল। সেইদিনা তেওঁলোকে পুনৰ আমাৰ ঘৰলৈ আহি ভাত খাইছিল। ভাত খাই থাকোতে কৈছিল যে, আজি আমি আগতকৈ দান-বৰঙণি অলপ বেছিকৈ পাইছো। বৰ উৎসাহিত হৈ আহিছো। আৰু আপোনাৰ কথাখিনিয়েও বৰ উৎসাহিত কৰিলে। এনেধৰণৰ কামে মোক যথেষ্ট সহায় কৰিছিল আৰু মানুহৰ মাজত আন্তৰিকতা, সান্নিধ্য দুগুণে বৃদ্ধি কৰিছিল। তাৰ পাছৰ পৰা লাহে লাহে বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ লৈছিল। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাহিদাও বৃদ্ধি হৈছিল আৰু ফলাফলো যথেষ্ট ভাল হৈছিল। চৰকাৰীকৰণৰ আওতালৈ যোৱাৰ উপক্ৰম হৈছিল।

বিজ্ঞান শাখাটো চৰকাৰীকৰণ হোৱাৰ ক্ষেত্ৰত মোৰ এটা কথা ক'বলগীয়া আছে। মৰাণ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা চৰকাৰীকৰণৰ আওতালৈ আহিবলৈ তালিকা প্ৰস্তুত হওঁতে অলপ অসুবিধা হৈছিল। সেই সময়ত মৰাণৰ যদিও বিধায়ক আছিল যদিও বিসম্বাদী আছিল। এই ক্ষেত্ৰত মই এটা উদ্যোগ লৈছিলো। তেতিয়া সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল হিতেশ্বৰ শইকীয়া আৰু পৱন ঘাটোৱাৰ আছিল ভাৰত চৰকাৰৰ স্বাস্থ্য উপ-মন্ত্ৰী। তেওঁলোক ডিব্ৰুগড়লৈ আহিছিল। মই ৰাতিপুৱা সোনকালে উঠি বাথৰুমলৈ গৈ কথাবোৰ চিন্তা কৰিলো। মই যিখিনি উপায় চিন্তিলো সেইখিনি ফোনত মৰাণ মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ তৰুণ গোহাঁইৰ লগত কথা পাতিলো। তেখেত মোৰ সম্বন্ধীয় মামা আছিল। মই কৈছিলো— 'মামা, সোনকালে উঠক। আৰু কোনোবা দুজনমান শিক্ষকক লগত লৈ বিজ্ঞান শাখাটো চৰকাৰীকৰণৰ কাৰণে ডিব্ৰুগড়লৈ গৈ মুখ্যমন্ত্ৰীক লগ ধৰক।' তেখেতে মোক কৈছিল— 'গ'লে জানো কিবা লাভ হ'ব? এতিয়া নাযাওঁ।' কিন্তু মই কৈছিলো— 'আপুনি যাওঁক, নিশ্চয় লাভ হ'ব। আমি চেষ্টা কৰাত কোনো কৃপণালি কৰিব নালাগে।' তাৰ পাছত তেওঁ তাৰানাথ নামৰ শিক্ষক এজনৰ লগত এখন গাড়ী লৈ ডিব্ৰুগড়ৰ চাৰ্কিড হাউচলৈ ৰাওনা হৈছিল। মই ইতিমধ্যে পৱন ঘাটোৱাৰ আৰু মুখ্যমন্ত্ৰীৰ পি.এ.জনক কৈ থৈছিলো যে, মৰাণ মহাবিদ্যালয়ৰ কেইজনমান শিক্ষক-শিক্ষয়িত্ৰী আপোনালোকক লগ কৰিবলৈ যাব আৰু আপুনি যেনে-তেনে মুখ্যমন্ত্ৰীক লগ কৰাই দিব। তেনেদৰে সেই পি.এ.জনেও সহায় কৰিছিল। পৱন ঘাটোৱাইয়ো সহায় কৰাৰ বাবে মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ তৰুণ গোহাঁই আৰু তাৰানাথহঁতে মুখ্যমন্ত্ৰীক লগ পাবলৈ সক্ষম হৈছিল। তেতিয়া মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল যে, মৰাণ মহাবিদ্যালয়ৰ

বিজ্ঞান শাখাটো চৰকাৰীকৰণৰ আওতালৈ আহিব বুলি। বিজ্ঞান শাখাই হওক, কলা শাখাই হওক, অধ্যক্ষ-উপাধ্যক্ষয়েই হওক কোনে কি পাইছিল নাজানো। মই যে অনুৰোধ জনালো এখন কলেজৰ বিজ্ঞান শাখাটো চৰকাৰীকৰণৰ আওতালৈ যাবৰ বাবে সেই কথাই মোক বৰ আনন্দ আৰু উৎফুল্লিত কৰিছিল। মৰাণ মহাবিদ্যালয়খন আমাৰ ঘৰৰ কাষতে থকাৰ বাবে আৰু প্ৰত্যেকজন শিক্ষক-শিক্ষয়িত্ৰী লগত আমাৰ গভীৰ আন্তৰিকতা থকাৰ বাবে মই মহাবিদ্যালয়খন প্ৰাণৰো প্ৰাণ বুলি ভাবো। এতিয়াও সেই চিন্তা আমাৰ মাজত আছে।

প্ৰশ্ন ঃ এইবোৰৰ মাজতে  আপোনাৰ সাহিত্য চৰ্চ্চাৰ কথা অকণমান কওকচোন।

- ড° সুখ বৰুৱা ঃ সেইবোৰ বহুত কথা । অনেক কথা । শুনা তেনেহ'লে। আকৌ ঘূৰি আহো এম.এ. পৰীক্ষা পাছ কৰা সেই দিনবোৰলৈ। যেতিয়া এম.এ. ডিগ্ৰীটো পালো, তেতিয়া ভাবিলো এতিয়া সাহিত্য চৰ্চাত নিজকে উচৰ্গিত কৰিম। সেই কথা ভাবি মই কবিতা লিখিবলৈ আৰম্ভ কৰিলো। আৰু কেইগৰাকীমান শুভাকাংক্ষীক লগত লৈ মই এখনি কবিতা সংকলন প্ৰকাশ কৰিলো। নাম ৰাখিলো 'অনন্যা'। সেই কবিতা সংকলনখনি কৰাৰ ক্ষেত্ৰত আমাক সহায় কৰিছিল প্ৰদীপ হাজৰিকাই। সেই সময়ত প্ৰদীপ হাজৰিকাৰ 'দেৱযানী প্ৰিন্টাচ্' নামৰ এটা প্ৰেছ আছিল। আৰু সেই প্ৰেছতেই ২০০/৩০০ কপিৰ 'অনন্যা' নামৰ এখন সৰু কবিতা পুথি প্ৰকাশ কৰিছিলো। যেতিয়া আমি কবিতা পুথিখনি যিসকল সাহিত্যপ্ৰেমী মহিলাৰ হাতত তুলি দিছিলো, তেতিয়া দুই-এগৰাকীয়ে মন্তব্য কৰিছিল যে, 'সুখ বৰুৱাই এখন সৰু কবিতা পুথি উলিয়াই পুনৰ ছোৱালীবিলাকৰ সান্নিধ্যলৈ আহিছে।' সিমান ভাল হোৱা নাই। তথাপিও মোক সেই কথাই উৎসাহিত কৰিলে, নিৰুৎসাহ নকৰিলে। তাৰ পাছত মই সাহিত্য চৰ্চাত লাগি গ'লো। কবিতা, গল্প, প্ৰবন্ধ আদি লিখিবলৈ ল'লো। এনেদৰেই কেইটামান বছৰ অতিবাহিত কৰিলো। ইতিমধ্যে ছোৱালীও ডাঙৰ হৈ আহিছে। দুই-তিনিবছৰৰ পাছত মেট্ৰিক পৰীক্ষা দিব। দ্বিতীয়টো ল'ৰায়ো মেট্ৰিক পৰীক্ষা পাছ কৰি কলেজত নামভৰ্তি কৰিছে। ডাঙৰ ল'ৰায়ো গুৱাহাটী ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ হ'ল। মোৰ স্বামীও গোৱালপাৰাৰ পৰা ডিব্ৰুগড়লৈ স্কুল সমূহৰ পৰিদৰ্শক হিচাপে বদলি হৈ আহিল। তেতিয়া বহুত সুবিধা হ'ল আৰু ঘৰখন পুনৰ জীপাল হৈ উঠিল। পুনৰ আলহী অতিথিয়ে ঘৰখন ভৰি পৰিল।

  এইখিনিতে কেইটামান কথা মোৰ মনলৈ আহিছে। পৱন, কমলা আৰু হাদী মুস্তাক হুচেইন আদি এনেদৰে আমাৰ আত্মীয় হৈছিল যে, তেওঁলোকৰ পিতৃ-মাতৃয়ে বিশেষকৈ কমলা বৰগোহাঁইৰ পিতৃ-মাতৃ আৰু পৱন ঘাটোৱাৰৰ মাতৃক মই নিজৰ পিতৃ-মাতৃৰ নিচিনা গণ্য কৰিছিলো। আৰু তেওঁলোকেও মোক নিজৰ কন্যাসম জ্ঞান কৰি বহু ক্ষেত্ৰত সহায় কৰিছিল আৰু মৰম-স্নেহৰ মাজত আবদ্ধ কৰি ৰাখিছিল।

প্ৰশ্ন ঃ এইবোৰৰ মাজতে মৰাণত এখন মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা সপোনটো আপোনাৰ মনলৈ কেতিয়া আহিল? সেই বিষয়ে দীঘলীয়াকৈ কওকচোন। একেবাৰে আপুনি কলেজৰ পৰা অৱসৰ লোৱালৈকে কওক। মাজত মই একো প্ৰশ্ন নকৰো।

- ড° সুখ বৰুৱা ঃ দিন বাগৰি গ'ল। লিখা-মেলাত ব্যস্ত থকাৰ উপৰিও বিদ্যালয়ত ক্লাচসমূহ কৰি ছাত্ৰীবিলাকক আগুৱাই নিয়াৰ ক্ষেত্ৰত মই মনোনিৱেশ কৰিলো। আগতেই উনুকিয়াই আহিছো যে, অনিল শইকীয়া, যতীন চুতীয়া, কমলা বৰগোহাঁই, প্ৰদীপ হাজৰিকা, দয়ানন্দ বৰগোহাঁই আদি কৰি প্ৰতিজন কলেজৰ শিক্ষকেই আমাৰ ঘৰত চাহ খাবলৈ আহে। মই স্কুলত থাকিলেও বিজ্ঞান শাখাৰ শিক্ষক শিক্ষয়িত্ৰীসকলে

আহি  নিজেই চাহ বনাই খায়। সেয়াও মোৰ কাৰণে অতি আনন্দৰ কথা বুলি ভাবো। সেই স্মৃতিবোৰে এতিয়াও মোক বৰকৈ আমনি কৰি থাকে।

মৰাণ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু যিসকল আমাৰ ঘৰলৈ সদায় আহে, আমাৰ এখন এখন ঘূৰণীয়া টেবুল আছে সেইখন বাহিৰত উলিয়াই থওঁ আৰু তাতেই আমি চাহ খাওঁ। আমি সদায় তেওঁলোক অহালৈ অপেক্ষা কৰি থাকো। সেইদিনা আছিল ১৯৯২ চনৰ ১ জুলাই শনিবাৰ। সেইদিনাই আৰম্ভ হৈছিল মৰাণ মহিলা মহাবিদ্যালয়ৰ জন্মৰ কথা। সেইদিনা আমাৰ ঘৰলৈ প্ৰদীপ হাজৰিকা আহিছিল। এটা বৰ্ষামুখৰ আবেলি আছিল। মই চাহ আনিলো। প্ৰদীপ হাজৰিকাই চাহকাপ মুখত দিওতেই মোৰ মুখৰ পৰা অজানিতে ওলাইছিল— 'প্ৰদীপ, মৰাণত এখন ছোৱালী কলেজ পাতিব নোৱাৰিনে?' প্ৰদীপে টপৰাই উত্তৰ দিছিল— পাৰি। ইতিমধ্যে কমলা বৰগোহাঁয়ে গেটখন খুলি সোমায় আহিয়ে সুধিছে— 'আপোনালোকে কি কথা পাতিছে? মই কৈছিলো— আহ। চাহ খা। তেতিয়া প্ৰদীপ হাজৰিকাই কৈছিল যে— 'বাইদেৱে এটা বৰ ডাঙৰ কথা কৈছে।' কথাটো শুনি কমলাই তপৰাই উত্তৰ দিছিল— 'বৰ ভাল কথা। মৰাণত ছোৱালী মহাবিদ্যালয় হ'লে বৰ সুবিধা হ'ব। নহ'লে মৰাণ মহাবিদ্যালয়ত ছাত্ৰী সংখ্যা বাঢ়িলে আমি আসন দিব নোৱাৰিলে বৰ সমস্যাৰ সৃষ্টি হয়।' সেই সময়ত উপস্থিত থকা স্বামী বিনন্দ বৰুৱাই একমত প্ৰকাশ কৰি কৈছিল— 'ছোৱালী কলেজ পাতিব পাৰি। কিন্তু এইটো এটা বৰ জটিল কাম হ'ব। ইমান জটিল কাম কৰিবলৈ ভবা হৈছে যেতিয়া কৰিব পাৰিলে ভাল হয়।' আটাইকেইজন একমত হোৱাত কমলা বৰগোহাঁয়ে ফোন কৰি পৱন ঘাটোৱাৰক তেতিয়াই কথাটো অৱগত কৰিলে। পৱন ঘাটোৱাইও ইতিবাচক সঁহাৰি জনাই বিনন্দ বৰুৱাক সুধিলে যে, এতিয়া ইমান দেৰিকৈ চৰকাৰী নীতি-নিয়ম উলংঘা কৰি কলেজ পাতিব পৰা হ'বনে? তেতিয়া বৰুৱাই কৈছিল যে, যদি ৰাজনীতিৰ প্ৰভাৱ পৰে নিশ্চয় পৰা যাব। সেই কথা শুনি পৱন ঘাটোৱাৰেও মোক কৈছিল যে, আপুনি কালিলৈ অৰুণ শইকীয়া আৰু তৰুণ গোহাঁইক ঘৰলৈ মাতি আনি ক'ব যে- মৰাণত এখন ছোৱালী কলেজ পাতিব বিচাৰিছো, আপোনালোকে সহযোগিতা আগবঢ়াব পাৰিবনে? পৱন ঘাটোৱাৰে কোৱাৰ দৰে মই ফোন কৰি তেওঁলোকক আমাৰ ঘৰলৈ মাতিলো। তেওঁলোক আহিল। আহিয়েই তেওঁলোক দুয়োজনেই একেই মত প্ৰকাশ কৰিলে। আৰু এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যিমানখিনি সহায় কৰিব লাগে সিমান সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিলে। এখন আহ্বায়ক সমিতি গঠন কৰি তাত তেওঁলোক দুয়োজনে আহ্বায়ক সমিতিৰ সদস্য ৰূপে স্বাক্ষৰ কৰিলে। সেই সময়ত আহি উপস্থিত হ'ল প্ৰদীপ হাজৰিকা আৰু কমলা বৰগোহাঁই। কমলা বৰগোহাঁয়ে লগে লগেই চিঠিখন ডাৰ্ফট কৰিলে আৰু প্ৰদীপ হাজৰিকাৰ প্ৰেছতেই চিঠিখন উলিয়াই দিবলৈ কোৱা হ'ল। ইতিমধ্যে আমাৰ ঘৰলৈ আহিল ড° অনিল শইকীয়া আৰু যতীন চুতীয়া। তেওঁলোককো কথাটো আমি অৱগত কৰিলো। পোনচাটেই তেওঁলোকে একমত প্ৰকাশ কৰিলে আৰু সোনকালে এই কামখিনি কৰিবৰ বাবে আমাক দিহা-পৰামৰ্শ আগবঢ়ালে। কিন্তু তাৰ মাজতে এটা উজুতি খালো। পিছদিনা সেই আহ্বায়ক সমিতিৰ কাগজখন লৈ মৰাণৰ যিমানবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান আছে তাৰ মুৰব্বীসকলৰ স্বাক্ষৰ কৰিবৰ কাৰণে ওলাই গ'ল  প্ৰদীপ হাজৰিকা আৰু কমলা বৰগোহাঁই। আগতেই যেতিয়া মৰাণ মহাবিদ্যালয়ৰ  অধ্যক্ষৰ আৰু উপাধ্যক্ষৰ স্বাক্ষৰ হৈ গ'ল তেতিয়া তেওঁলোকে চহী কৰোৱালে তোলন গগৈক। তেওঁ মৰাণ ছোৱালী মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক। তেওঁ লগে লগেই চহী কৰি দিলে। তাৰ পাছত তেওঁলোক গ'ল মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ। কিন্তু মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সেই সময়ত যিজন অধ্যক্ষৰ আসনত আছিল তেওঁ পোনচাটেই নাকচ

কৰিলে যে, কেতিয়াও মৰাণত ছোৱালী কলেজ হ'ব নোৱাৰে। ছোৱালী কলেজ পতাৰ কথা মইহে ভাবি আছো। গতিকে মই চহী কৰাৰ প্ৰশ্নই নুঠে। তেওঁলোকে বিফল মন এটা লৈ ঘূৰি আহিবলৈ লওঁতে ৰোহিনী গগৈ (সেই সময়ত তেওঁ বিষয় শিক্ষক আছিল)য়ে সুধিলে যে তোমালোক কিয় ইয়ালৈ আহিছিলা? তেতিয়া তেওঁলোকে কথাটো প্ৰকাশ কৰিলে। তাৰ পাছত ৰোহিনী গগৈয়ে কাগজখন লৈ লগে লগেই মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ স্বাক্ষৰ কৰিলে। তেওঁলোকে ঘূৰি আহি ঘৰ পালেহি। আহিয়েই প্ৰদীপ আৰু কমলাই ক'লে যে, কলেজ পাতিব পৰা নহ'ব। কাৰণ মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষজনে ঘোৰ আপত্তি দৰ্শাইছে। গতিকে আমাৰ মনটো আজি বৰ বেয়া লাগি আহিল। মইও তেওঁলোকৰ কথা শুনি মনে মনে থাকিলো। পিছদিনা আমাৰ ঘৰলৈ আকৌ অনিল শইকীয়া আৰু যতীন চুতীয়া আহিল। তেওঁলোকে মোক আহি সুধিলে— বাইদেউ, কামটো কিমান আগবাঢ়িছে? মই তেওঁলোকক ক'লো আগদিনা হোৱা কথাৰ কাৰণে প্ৰদীপ আৰু কমলাই পিছ হুহুকিছে। তেতিয়া অনিল শইকীয়াই ক'লে— 'পিছ হুহুকিলে নহ'ব। যিহেতু আপুনি কথাটো ভাবিলেই, ভবাৰ কাৰণে আপুনি আগবাঢ়িব লাগিব।' তেতিয়া মোৰ মনটো খুব উৎসাহিত হ'ল আৰু কমলাক বাদ দি যতীন আৰু প্ৰদীপক বেলেগ কেইজন মুৰব্বীৰ চহী আনিবলৈ পঠোৱা হ'ল। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাদে প্ৰত্যেকেই চহী কৰি দিলে। কেইজনমান ব্যৱসায়ী আৰু সমাজকৰ্মীও সেই আহ্বায়ক সমিতিত জড়িত হৈ পৰিছিল। সময়ত মাত্ৰ ৩০০ মান চিঠি উলিয়াই বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰা হৈছিল। অতি ততাকৈয়াকৈ ৪ তাৰিখে চিঠি দি ৮ তাৰিখে আমি সভাখন আৰম্ভ কৰিছিলো। সভাখন দিবলৈ আমি স্থান বিচাৰি অনুৰোধ কৰিছিলো চুচনৰঞ্জন চুতীয়া নায়কক। চুচন ৰঞ্জন চুতীয়া নায়ক তেতিয়া চাহ মজদুৰ সংঘৰ সম্পাদক আছিল। তেখেতে আমাক সকলো যাৱতীয় কাম-কাজত সহায় কৰি তাতেই সভাখন দিবলৈ ঠিক কৰি দিছিল। মাজতে এষাৰ কথা থাকি আহিছে। যেতিয়া আমি পৱন ঘাটোৱাৰক কথাটো কৈছিলো, তেতিয়া পৱন ঘাটোৱাৰে মোক মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষৰ উপৰিও মাহমৰা সমষ্টিৰ বিধায়ক লক্ষীপ্ৰসাদ বৰগোহাঁই, মৰাণ সমষ্টিৰ বিধায়ক জয়চন্দ্ৰ নাগবংশী আৰু সোণাৰি সমষ্টিৰ বিধায়ক তথা শিক্ষামন্ত্ৰী শৰৎ বৰকটকীক ফোনযোগে কথাটো অৱগত কৰিবলৈ কৈছিল। তেওঁ নিজেও অৱগত কৰিছিল। তেওঁলোকেও মতামত আগবঢ়াইছিল। কিন্তু সভাৰ এদিনৰ আগত লক্ষীপ্ৰসাদ বৰগোহাঁয়ে আমাৰ ঘৰত উপস্থিত হৈছিল। আহিয়েই কৈছিল যে, 'শিক্ষামন্ত্ৰীয়ে মৰাণত ছোৱালী কলেজ সদ্যহতে নাপাতিলেও হ'ব বুলি কৈ পঠাইছে। গতিকে সভাখন নাপাতিলে ভাল হ'ব নেকি?' মই তেখেতক একো উত্তৰ নিদি লগে লগেই শিক্ষামন্ত্ৰীলৈ ফোন কৰিছিলো আৰু সুধিছিলো যে— ছাৰ, আপুনি প্ৰথমে নিজেই আহিম বুলি ক'লে আৰু এতিয়া গোহাঁই ছাৰৰ আগত কলেজখন সদ্যহতে পাতিব নালাগে বুলি কিয় কৈ পঠাইছে। কাৰণটো মই জানিবলৈ বিচাৰিছো। তেতিয়া তেওঁ মোক ক'লে যে, মই কেতিয়াও কলেজ নাপাতিবলৈ কোৱা নাই। মই যাম বুলি কথা দিছো। সেই কথা শুনি লক্ষীপ্ৰসাদ বৰগোহাঁই অসন্তুষ্ট হৈছিল। তাৰ পাছত তেওঁ নিমাত যদিও তাৰ এদিনৰ পাছত তেওঁৱেই সভাত সভাপতিত্ব কৰিছিল আৰু জয়চন্দ্ৰ নাগবংশী সেই সভাত উপস্থিত আছিল। লগতে মৰাণৰ ৪০০ ৰো অধিক গণ্য-মান্য ব্যক্তিয়ে সভাখনত অংশগ্ৰহণ কৰিছিল। সভাখনত লক্ষীপ্ৰসাদ বৰগোহাঁইক সভাপতিত্ব কৰিবৰ কাৰণে প্ৰস্তাৱ দিছিল ড° কমলা বৰগোহাঁয়ে আৰু সমৰ্থন কৰিছিল ড° অনিল শইকীয়াই। সভা আৰম্ভ হ'ল। সভাত অনেকজনে মৰাণত যে এখন মহিলা মহাবিদ্যালয় হ'ব লাগে তাৰ সপক্ষে যুক্তি দৰ্শাই মতামত আগবঢ়াইছিল। মৰাণ মহিলা মহাবিদ্যালয় নামাকৰণৰ ক্ষেত্ৰতো যথেষ্ট আলোচনা-বিলোচনা হোৱাৰ

## মই সুখ বৰুৱাই কৈছোঁ

পাছত কেইগৰাকীমান মহিলাৰ অনুৰোধক্ৰমে তেওঁলোকৰ মতামতৰ ওপৰত ভিত্তি কৰি ছোৱালী কলেজৰ পৰিৱৰ্তে 'মৰাণ মহিলা মহাবিদ্যালয়' নামটো দিব লগা হৈছিল। তেতিয়াই সকলোৱে উপলব্ধি কৰিছিল যে, মৰাণত যেতিয়া মৰাণ মহিলা মহাবিদ্যালয় স্থাপন হ'ব তাৰ অধ্যক্ষৰ দায়িত্বটো কাক দিয়া যায়। তেতিয়াই অৰুণ শইকীয়াই উপস্থিত ৰাইজৰ আগত থিয় হৈ কৈছিল— 'মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব সুখ বৰুৱাক প্ৰদান কৰিলে কেনে হয়?' সকলোৱে একমত প্ৰকাশ কৰি হৰ্ষধ্বনিৰে হাত চাপৰি বজাই সমৰ্থন জনাইছিল। পথালিবামৰ পৰা অহা এজন প্ৰধান শিক্ষক আছিল। নাম আছিল খগেন দিহিঙীয়া। লগতে আন কেইবাজনো ব্যক্তি আছিল। নামবোৰ মনত নাই। তাৰ ভিতৰত খগেন দিহিঙীয়াই কৈছিল— 'যিগৰাকী মহিলাক আপোনালোকে অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে তেওঁক আমি চাব পাৰোনে?' তেতিয়া সভাপতি মহোদয়ে মোৰ সন্মুখলৈ আহি মোক বক্তব্য দিবলৈ পৰামৰ্শ দিছিল। তেতিয়া মই যথেষ্ট ভয় আৰু সংকোচবোধ কৰিছিলো যে, এয়া মই কি কৰিলো। ইতিমধ্যে হেম বৰা, প্ৰতাপ শৰ্মা আদি কৰি কেইবাজনো ব্যক্তিয়ে মোক কেতিয়াও অধ্যক্ষৰ পদটো নেৰিবৰ কাৰণে হেঁচা দিছিল। সেই সময়ত মোৰ স্বামীও তাত উপস্থিত আছিল। তেওঁৰ পৰা মই অনুমতি ল'বলৈ যাওঁতে আগভেটি ধৰিছিল হেম বৰাহঁতে। যাতে মই আৰু কোনো বাধাৰ সন্মুখীন হ'ব নালাগে। অধ্যক্ষৰ দায়িত্ব লোৱা উচিত বুলি তেওঁলোকে মত পোষণ কৰিছে। মই ভয়ে ভয়ে মঞ্চলৈ উঠি গৈছিলো। সেই সময়ক কেৱল ভগৱানৰ প্ৰতিমূৰ্তিটো মনলৈ আনিছিলো যে, মোক ইমান এটা ডাঙৰ পৰীক্ষাৰ সন্মুখীন হ'বলৈ কিয় দিছা। মই ভাবিছিলো এখন মহিলা মহাবিদ্যালয় হ'ব লাগে, মহিলাসকল শিক্ষিত হ'ব লাগে। কেতিয়াও ভবা নাছিলো বা কল্পনাও কৰা নাছিলো যে, মই অধ্যক্ষ হৈ মহাবিদ্যালয়খন চলাব লাগিব। তথাপিও মই সকলোৱে আগত থিয় হৈ কৈছিলো—

'মোৰ ঘৰ বেতবাৰীত। এখন অনুন্নত গাঁৱৰ পৰা শিক্ষা-দীক্ষা লৈ এই ঠাইত এগৰাকী সহঃ শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত হৈ আছোহি। অজানিতে মোৰ মনলৈ এটা সপোন আহিল। মানুহে কয়, দিনত দেখা সপোন কেতিয়াও নফলিয়ায়। তথাপিও যেন মোৰ সপোনটো ফলিয়ালে। মই এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিম। মোক শিক্ষানুৰাগী ব্যক্তি, শুভাকাংক্ষীয়ে সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিলে। সেয়ে আজি এই মৰাণ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ শুভলগ্ন আৰম্ভ হ'ল। মই আশা কৰিছো, আপোনালোকে যদি সঁচাকৈয়ে সহায় কৰে, এইক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰি মোক দিহা-পৰামৰ্শ দিয়ে, তেতিয়াহ'লে মই বেতবাৰীত 'ছোৱালী আদৰ্শ বালিকা বিদ্যালয়' প্ৰতিষ্ঠা কৰাৰ দৰে মৰাণতো 'মৰাণ মহিলা মহাবিদ্যালয়' নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান এটা গঢ়িবলৈ নিশ্চয় কুণ্ঠাবোধ নকৰিম। কেৱল লাগিব আপোনালোকৰ সক্ৰিয় সহায়-সহযোগিতা।'

তেতিয়া মোৰ কথা শুনি প্ৰত্যেকেই যেন সন্তোষিত হ'ল। প্ৰত্যেকৰে মুখত যেন আনন্দৰ জোৱাৰ উঠিল। প্ৰত্যেকেই হাত চাপৰিৰে মোক স্বাগতম জনালে। বিভিন্নজনে কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ দিয়াৰ পাছত সভাখন অতি আনন্দমনেৰে শেষ হ'ল। অনিল, প্ৰদীপ, কমলা, বিধায়ক দুজন, অধ্যক্ষ-উপাধ্যক্ষৰ লগতে সকলো আমাৰ ঘৰলৈ গুচি আহিল। যতীন আৰু মই সভাখনৰ সকলোবিলাক কাম-কাজ সামৰি ঘৰলৈ আহিলো। ঘৰলৈ আহি দেখিলো যে, সকলোৱে হোটেলৰ পৰা ৰুটি-মাংস আনি খাই খুউব হাঁহি-স্ফূৰ্তি কৰি আছে। অলপ সময়ৰ পাছতে ফোনযোগে বিভিন্নজনে মোক অভিনন্দন, স্বাগতম জনালে। এই অভিনন্দন, স্বাগতম নিশা ৯ মান বজালৈকে চলি থাকিল।

ভাত-পানী খাই বিচনাত পৰিলো। কিন্তু গোটেই নিশা মোৰ টোপনি নাহিল। ভয়, শংকাত মই কঁপি

উঠিলো। ভাবিলো, কাকো নোকোৱাকৈ ৰাতিপুৱা সোনকালে উঠি কমলাক মাতি মোৰ অধ্যক্ষৰ পদটো প্ৰত্যাখ্যান কৰিম। পৱন ঘাটোৱাৰকো কথাটো জনাম। মই দৃঢ় প্ৰতিজ্ঞ হ'লো। পুৱা গা-পা ধুই গোসাঁই ঘৰত চাকি-বন্তি জ্বলাই মই ভগৱানক প্ৰাৰ্থনা কৰিলো যে— 'ভগৱান তুমি কোৱা মই কোনটো কাম কৰিলে ভাল হ'ব।' এইবুলি কৈয়েই মই কমলাক ফোনতে মাতিলো— 'তই এতিয়াই আমাৰ ঘৰলৈ আহ। বিশেষ কথা আছে।' কমলা আহিল। মই তেতিয়া কমলাক ক'লো— মই কেতিয়াও অধ্যক্ষৰ দায়িত্ব গ্ৰহণ নকৰো। কমলাই ক'লে— কিয়? মই ক'লো— 'মই নোৱাৰো। কাৰণ মাটি ক'ত পাম? ছোৱালী ক'ত পাম? শিক্ষক-শিক্ষয়িত্ৰী, টকা-পইচা, বেঞ্চ-ডেস্ক ক'ত পাম মই ভাবিব পৰা নাই। মই ইমান পৰিচয় থকা ব্যক্তি নহয় যে, মই সকলো কাম কৰিব পাৰিম। গতিকে তহঁতি এই দায়িত্বটো বেলেগ কাৰোবাক দে।'

ইতিমধ্যে অতুল গগৈ আৰু যুগল চেলেং, তেওঁলোকৰ অৱসৰৰ দিন আহি পৰিছে। মই সেই কথা কোৱা নাই যদিও মনতে ভাবি আছো। কমলাই লগে লগে পৱন ঘাটোৱাৰত ফোন কৰিলে। পৱনে ক'লে— 'আপুনি পাগল হৈছে নেকি? ইমানখিনি হোৱাৰ পাছত এতিয়া নকৰো বুলি ক'লে নহ'ব নহয়। আপুনি পাৰিব। আমি সহায় কৰিম। কমলাও সদায় আপোনাৰ লগত থাকিব। গতিকে আপুনি কৰিব লাগিব।' তাৰ পাছত মই অৰুণ শইকীয়াক মাতি পঠালো। তেওঁ মোৰ ভাগিন জোঁৱাই হয়। তেওঁ ক'লে— মাহী, কিয় মাতিলা? মই ক'লো— 'মই কোনো দায়িত্ব ল'ব নোৱাৰো। ইমান ডাঙৰ দায়িত্ব মই কেনেকৈ ল'ম। কলেজ পাতিলেই যে মই অধ্যক্ষৰ দায়িত্ব ল'ম, সেই কথা ভাবি মই কেতিয়াও কলেজ পতা কথা ভৰা নাছিলো। ছোৱালী শিক্ষিতা কৰা কিয় সপোন দেখিছিলো সেই কথাও মই নাজানো।' কিন্তু তেওঁ মোক বুজালে— 'মই প্ৰশাসনিক ক্ষেত্ৰত সহায় কৰিম, পৱন ঘাটোৱাৰে আৰ্থিক দিশত সহায় কৰিব, অন্যান্য কামত অনিল, প্ৰদীপ, কমলা, যতীনহঁতে সহায় কৰিব। তুমি কিয় ইমান ভয় কৰিছা?' তেতিয়া মোৰ মনটো আশ্বস্ত হ'ল। তাৰ পিছদিনাৰ পৰা মোৰ কলেজ পতাৰ সপোনৰ কথাই বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। দিনে দিনে কেৱল ক'ত, কেনেকৈ মাটি পাম, কেনেকৈ ঘৰ বনাম, সেইবোৰ কথা মনলৈ আহি থাকিল।

মানুহৰ জীৱনলৈ সুযোগ আহে বুলি মই বিশ্বাস কৰো। মোৰো জীৱনলৈ সুযোগ আহিছিল। সেই সময়ত মাহমৰা চাৰ্কোলৰ চক্ৰ বিষয়া আছিল তোযেশ্বৰ মুক্তিয়াৰ। তোযেশ্বৰ মুক্তিয়াৰ আছিল মোৰ একালৰ কলেজৰ বান্ধৱী পুলিনা বৰা দত্তৰ ননদৰ স্বামী। এদিন তাই মোক ফোন কৰি কৈছিল যে, মোৰ ননদৰ স্বামী তোৰ তালৈ চাৰ্কোল অফিচাৰ হৈ গৈছে। মই তাক তহঁতৰ ঘৰলৈ গৈ চা-চিনাকি হ'বলৈ কৈছো। সি অকলে থাকে। পাৰিলে সহায় কৰিবি। ল'ৰাটো ভাল। সেইসূত্ৰে তোযেশ্বৰ মুক্তিয়াৰ আমাৰ ঘৰলৈ আহিছিল। কলেজখন পতাৰ কথা তেওঁ গম পাইছিল। আমাৰ ঘৰলৈ আঁহোতে মই তেওঁক সকলো কথা বিৱৰি কৈছিলো। তেতিয়া তেওঁ মোক এটা ডাঙৰ পৰামৰ্শ দিছিল—
'বাইদেউ, পিতনি এডোখৰ আছে। দুবিঘামান বেদখল মুক্ত মাটি আছে। যদি আপুনি সেই দুবিঘা মাটি চাব বিচাৰে মই দেখাব পাৰো।' তেওঁৰ স্কুটাৰতে উঠি হাতত এখন দা লৈ মাটিডোখৰ চাবলৈ গ'লো। ছুইপাৰ কলনিৰ কাষেদি গৈ বিৰিণাৰ মাজেদি আমি দুয়োজন আগবাঢ়িলো। ইটোৰ পিছত সিটো জোকে মোৰ লগ নেৰিলে। জোক এৰুৱাই এৰুৱাই আমি আগবাঢ়িলো। গৈ গৈ আমি এঘৰ মানুহ পালো। তেওঁলোকে আমাক বহিবলৈ দিলে। আমি তাতে বহিলো। অলপ সময় বহাৰ পাছত আমি আমাৰ হাতৰ দা-খন তেওঁলোকৰ ঘৰতে থৈ হাতেৰেই হাবি-বন চাফা কৰি কৰি গৈ থাকিলো। দেখিলো সেই ঠাইডোখৰেই

ল'ব পৰা যাব। মাটিডোখৰ অলপ দ'। পাছত মাটি ভৰাই কিছু কাম কৰিব পৰা যাব। এনেধৰণৰ কথা চিন্তা কৰি আমি ঘূৰি আহিলো। আহি যেতিয়া মানুহঘৰত সোমালো দেখিছো আমাৰ দা-খন নাই। তেতিয়া আমি তেওঁলোকক কথাটো সোধাত তেওঁলোকে ইয়াত আমি দা-খন নাই দেখা বুলি ক'লে। দা-খন তেতিয়াই হেৰাল। এতিয়াও মোৰ সেই জোকে খোৱা দাগ কিছুমান থাকি গ'ল।

যিটো ৰাস্তাই আমি গৈছিলো সেই ৰাস্তাটো বিভিন্ন জন্তুৰ ছাল,গৰু, ম'হৰ শিঙৰ জঁকাৰে ভৰা। আমি দুয়োজনেই সেই বাটেৰে আগবাঢ়িলো। যেতিয়া মাটিডোখৰ চাবলৈ যোৱাৰ কথা বিভিন্নজনে গম পাইছিল তেতিয়া বিভিন্নজনে বিভিন্ন মন্তব্য দিছিল যে, সুখ বৰুৱাক মৰাণৰ কিমানজনে চিনি পায়? এগৰাকী সাধাৰণ শিক্ষয়িত্ৰী। তেওঁ নিশ্চয় পাগল হৈছে যে এডোখৰ পিতনিত, এটা চাংঘৰ সাজি ছোৱালী শিক্ষা দিবলৈ লৈছে। কোন অভিভাৱকে এটা চাংঘৰত বহি নিজৰ ছোৱালীক পঢ়িবলৈ পঠাব? কেতিয়াও নপঠায়। কোনো কাৰণতে কলেজখন পতাত সফল নহয়।তেওঁ নোৱাৰে। নোৱাৰেই এই কাম কৰিব ইত্যাদি ইত্যাদি।আন এজনে কৈছিল যে— 'ছাৰ, আপোনালোকে আৰু বেলেগ মানুহ নাপালেনে মহিলা কলেজত অধ্যক্ষা পাতিবলৈ? মৰাণত আন কোনো মানুহ নাছিলনে? সেই এম.ই. স্কুলৰ শিক্ষয়িত্ৰীগৰাকীক আপোনালোকে অধ্যক্ষা পাতিলে। মৰাণত কেতিয়াও কলেজ নহয়। যদি কলেজ হয় পূবৰ বেলি পশ্চিমলৈ যাব।' সেই কথা শুনি মানুহজনে অন্তৰত বৰ দুখ পাইছিল। তেওঁ আমাৰ ঘৰলৈ আহি গোটেই কথাখিনি আমাৰ আগত কৈছিল।

মৰাণ শাখা চাহ মজদুৰ সংঘত হোৱা ৰাজহুৱা সভাতে এখন পৰিচালনা সমিতি গঠন কৰা হৈছিল। সেই পৰিচালনা সমিতিক আমি আমন্ত্ৰণ কৰিলো। সেই পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব দিয়া হৈছিল লক্ষীপ্ৰসাদ বৰগোহাঁইক। কাৰ্যকৰী সভাপতি দায়িত্ব দিয়া হৈছিল কণক শৰ্মা আৰু চুচনৰঞ্জন চুতীয়া নায়কক আৰু সম্পাদকৰ দায়িত্ব দিয়া হৈছিল প্ৰদীপ হাজৰিকাক। সহঃ সম্পাদক চাৰিজন আছিল— যতীন চুতীয়া, নৰেন হাজৰিকা, প্ৰবীণ বৰপাত্ৰ গোহাঁই আৰু অঞ্জলি গগৈ। সেই সময়ত অনিল শইকীয়া আৰু কমলা বৰগোহাঁয়ে কোনো বিশেষ দায়িত্ব লোৱাৰ কথা ভবা নাছিল। তেওঁলোকে পৰিচালনা সমিতিৰ সদস্য হৈ থাকিয়েই বিভিন্নধৰণে সহায় আগবঢ়োৱাৰ কথা মোৰ আগত যুক্তি প্ৰদৰ্শন কৰিছিল। এনেধৰণৰ মন্তব্যৰ পাছত মই অলপো বিচলিত হোৱা নাছিলো। তথাপিও মই মনে মনে কামনা কৰিছিলো যে, সন্মুখত থকা ৪০ নম্বৰ দাগৰ এই ৮ বিঘা মাটি যদি আমি কলেজখনৰ কাৰণে পাওঁ তেনেহ'লে বাম মাটি হ'ব আৰু কলেজখনৰ কাৰণেও সুবিধা হ'ব। সেই কথা মই সভাখনত ব্যক্ত কৰিছিলো। গুৱাহাটীত থকা কৰ্টলৈ গৈ সকলো কথা জানিবৰ বাবে সভাপতিৰ অনুমতি লৈ প্ৰদীপ আৰু মই গুৱাহাটীলৈ যাবলৈ ওলালো। কিন্তু তাক আমি একো ভাল উত্তৰ নাপালো। তেতিয়াই আমি সিদ্ধান্ত ল'লো যে সেই পিতনি ডৰাতে আমি কলেজখন পাতিম। এনেতে লক্ষীপ্ৰসাদ বৰগোহাঁই বিধায়ক আহি ক'লে যে, এই পিতনি ডৰাত কেতিয়াও কলেজ পাতিবলৈ নিদিও। মই সিদ্ধান্ত লৈছো অভয়পুৰীয়া গ্ৰেজিঙত এডোখৰ বহল মাটি আছে, তালৈকে কলেজখন লৈ যাওঁ। সেই ক্ষেত্ৰত মই ঘোৰ প্ৰতিবাদ কৰিলো। সমিতিৰ কোনো সদস্যই তেওঁৰ কথাত সন্মতি নজনালে। ফলত মই জয়ী হ'লো।

সমিতিখনত কাৰ্যকৰী সভাপতি হিচাপে কণক শৰ্মা আৰু চুচনৰঞ্জন চুতীয়া নায়কে দায়িত্ব ল'লে। নায়ক কলেজখনৰ প্ৰতি এগৰাকী যথেষ্ট আগ্ৰহী শিক্ষানুৰাগী ব্যক্তি আছিল। প্ৰতি ক্ষেত্ৰতে তেখেতে সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ দিছিল। বিভিন্ন বাগানলৈ, বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত বিভিন্ন ঠাইলৈ যাবলৈ তেওঁৰ গাড়ীতেই গৈছিলো। আমি তেতিয়া সিদ্ধান্ত লৈছিলো, গাঁৱে গাঁৱে গৈ বাঁহ-কাঠ,

খেৰ, বেত আৰু বেঞ্চ-ডেক্স বিচাৰি আনো। সেইমতেই কাম হৈছিল। আমি কেইবাটাও দল হৈছিলো। বিভিন্ন ঠাইলৈ যোৱাত বিশেষকৈ যতীন আৰু প্ৰদীপে সংগ দিছিল। আমি প্ৰথম গৈছিলো আহোম গাঁৱৰ দিখাৰীৰ ফালে। তাত আমি ১০০/২০০ ডাল মান বাঁহ সংগ্ৰহ কৰিব পাৰিছিলো। তাৰ পাছত আমি গৈছিলো কচুমাৰি, ৰাঙলী, বালিখুটি, ৰামনগৰ আৰু পথালিবাম আদি ঠাইলৈ। বিভিন্ন ঠাইত আমি বাঁহ সংগ্ৰহ কৰিব পাৰিছিলো। কিছুমানে আমাক দান-বৰঙণি দিও সহায় কৰিছিল। বহু ঠাইত আমাক চাহ-ভাত খুৱাই বহুতে সহায় কৰিছিল। এইক্ষেত্ৰত গাড়ী দি আমাক সহায় কৰা ব্যক্তিজন আছিল যুৱনেতা শৰৎ শইকীয়া। পিছলৈ তেওঁ মহাবিদ্যালয়খন গঢ় লৈ উঠাৰ পাছত এই সমষ্টিৰ এজন বিধায়ক হৈছিল আৰু হাতে-কামে আমাৰ মহাবিদ্যালয়ৰ লগত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।

পুনৰ মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কথালৈ আহোঁ। আমি যিখন ৰাজহুৱা সভা গঠন কৰিছিলো সেই সভাতেই প্ৰস্তাৱ লোৱা হৈছিল যে পুৱাৰ ভাগতেই মহিলা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ মৰাণ মধ্য ইংৰাজী বালিকা বিদ্যালয়তেই আৰম্ভ হ'ব। সেইমতেই আমি ২ আগষ্ট তাৰিখে শ্ৰেণীসমূহ আৰম্ভ কৰাৰ কথা সিদ্ধান্ত লৈছিলো।

১৬ জুলাই দিনটো আমাৰ কাৰণে এটা স্মৰণীয় দিন আছিল। সেই দিনটোত আমি আটাইকেইজন সদস্য বহি নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। আমি দেখি আচৰিত হৈছিলো আৰু আনন্দত চকুপানী ওলাইছিল যে প্ৰথমদিনাই ২৭ জনী ছোৱালী মৰাণ মহিলা মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ আহিলে। ক্ৰমান্বয়ে ৩/৪ দিনৰ ভিতৰতে ২২৭ জনী ছোৱালীয়ে এই মহাবিদ্যালয়ত নামভৰ্তি কৰি এই উচ্চ শিক্ষাৰ অনুষ্ঠানটো আগবঢ়াই নিবলৈ আমাক অনুপ্ৰাণিত কৰিলে। তেতিয়াই আমি সিদ্ধান্ত ল'লো যে, মৰাণ বালিকা মধ্য ইংৰাজী বিদ্যালয়তেই আমি পাঠদান আৰম্ভ কৰিম। সেই দিনটো অৰ্থাৎ ২ আগষ্ট আছিল আটাইতকৈ আনন্দমুখৰ দিন। মৰাণ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সমন্বিতে মৰাণৰ সকলো শুভাকাংক্ষী, অধ্যাপক-অধ্যাপিকা, অধ্যক্ষ-উপাধ্যক্ষ আৰু মৰাণৰ গণ্য-মান্য ব্যক্তিসকল সেইদিনা উপস্থিত আছিল। উৰুলি আৰু হৰ্ষধ্বনিৰে সেইদিনা একাদশ শ্ৰেণীৰ প্ৰথম ক্লাচটো আৰম্ভ কৰিছিল ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষ অন্নদা প্ৰসাদ বৰঠাকুৰে। তাৰ পাছত মৰাণ কলেজৰ অন্য শিক্ষকসকলে ইটোৰ পাছত সিটো পাঠদান আৰম্ভ কৰিছিল।

এইখিনিতে এটা কথা উনুকিয়াব বিচাৰিছো যে মৰাণৰ আৰু প্ৰান্তীয় অঞ্চলৰ কোনো এম. এ. ডিগ্ৰীধাৰী ল'ৰা-ছোৱালী আমি বিচাৰি পোৱা নাছিলো। সেইবাবেই আমি সিদ্ধান্ত লৈছিলো, প্ৰথম বৰ্ষৰ শ্ৰেণীসমূহ মৰাণ মহাবিদ্যালয়ৰ কলা শাখাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেই আমাক সহায় কৰিব। সেইমতে তেখেতসকলে আহি আমাক সহায় কৰিছিল। এটা বছৰ বিনা বেতনে তেওঁলোকে পাঠদান দি ছাত্ৰীসকলক আগুৱাই যোৱাত সহায় কৰিছিল। যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল আমি দেখিবলৈ পাইছিলো তিনি-চাৰিবাৰকৈ অনুত্তীৰ্ণ হোৱা ছাত্ৰীসকলে উত্তীৰ্ণ হৈ যেতিয়া একাদশ শ্ৰেণীত নাম লগাইছিল, কিছুমানে আকৌ কেইবাবছৰো ঘৰতে ৰান্ধনি হৈ কাল কটাইছিল, সেইসকলেও এই মহাবিদ্যালয়ত নামভৰ্তি কৰি তেওঁলোক কৃতকাৰ্য হৈছিল। সেই কথাই আমাক যথেষ্ট আনন্দ দিছিল। যেতিয়া আমি মৰাণ মধ্য ইংৰাজী বিদ্যালয়ত পাঠদানৰ কাম কৰি আছিলো।

মোৰ এটা নিজা সময় আছে, যিটো মই ৰাতিপুৱা শুই উঠা এঘন্টামানৰ আগৰে পৰা কলেজখনৰ কথা একান্তমনে ভাবি থাকো। আৰু সেইখিনি মই দিনৰ ভাগত সমাধা কৰিবলৈ চেষ্টা কৰিছিলো। সেইমতেই আমি সেই খালী ঠাইডোখৰতে কেনেকৈ এটা ঘৰ বনাব পাৰো সেই কথাত নিমগ্ন হৈ আছিলো। যিমান

পাৰো নিজে চেষ্টা কৰিছিলো আৰু য'ৰ-ত'ৰ পৰা বস্তু গোটাইছিলো। বিভিন্ন লোকে মোক ১০০, ২০০, ৩০০, ৫০০, ১০০০ টকা দি সহায় কৰিছিল। ইঠাইৰ পৰা সিঠাইলৈ আমাৰ অঞ্চলটোত আমি পইচা বিচাৰি গৈছিলো। বিশেষকৈ উষাপুৰৰ প্ৰতিঘৰ মানুহৰ ঘৰলৈ আমি পইচা বিচাৰি গৈছিলো। তাতে এজন চাকৰীয়াল মানুহে কৈছিল— 'মই বৰ বেছি দৰমহা নাপাও। গতিকে মই যদি আপোনালোকে মৰাণৰ ব্যৱসায়ীসকলৰ ঘৰলৈ যাওঁতে গাড়ী দৰকাৰ হয় তেতিয়াহ'লে মই গাড়ীখনকেই চলাই দিম। কিন্তু মই আৰু পইচা দিব নোৱাৰো।' তথাপিও মই হতাশ হোৱা নাছিলো। মই বহুতবাৰ অইল ইণ্ডিয়া, এবিটালৈ গৈছিলো। লগত আছিল প্ৰদীপ হাজৰিকা, যতীন চুতীয়া আৰু চুচনৰঞ্জন চুতীয়া নায়ক। যেতিয়া আমাক গাড়ীৰ প্ৰয়োজন হৈছিল তেতিয়া মোৰ স্বামী যিখন জীপ আছিল সেইখনকে প্ৰতি দেওবাৰে ব্যৱহাৰ কৰিছিলো। অন্য সময়ত যেতিয়া গাড়ীৰ প্ৰয়োজন হৈছিল তেতিয়া আমি চুচনৰঞ্জন চুতীয়া নায়ক আৰু শৰৎ শইকীয়াৰ গাড়ীত আমি গৈছিলো। এনেদৰেই ইটোৰ পাছত সিটো কাম কৰিবলৈ মই পৰিকল্পনা কৰিছিলো। বিজ্ঞাপন দিছিলো। বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত আমাৰ ইয়াত কেইবৃাজনো শিক্ষক-শিক্ষয়িত্ৰীক আমি নিযুক্তি দিব পাৰিছিলো মাত্ৰ ২০০ টকা, ৫০০ টকাত। প্ৰথম আমি চাহ মজদুৰ সম্প্ৰদায়ৰ এজন ল'ৰা হাৰাধন কুৰ্মীক চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে নিযুক্তি দিছিলো আৰু মৰাণৰ যুৱক বুলু চাংমাইক তৃতীয় বৰ্গৰ কৰ্মচাৰী হিচাপে নিযুক্তি দিছিলো। কিন্তু সেই সময়ত শিক্ষক বা শিক্ষয়িত্ৰীক নিযুক্তি দিবৰ বাবে মৰাণত বা ওচৰ অঞ্চলত কোনো এম.এ. ডিগ্ৰীধাৰী ল'ৰা-ছোৱালী নাছিল। কিছুদিনৰ পিছত বন্তি ফুকনক আমি নিযুক্তি দিছিলো। তাৰ কিছুদিনৰ পাছত পৰীক্ষা দি অহাৰ পাছত জয়শ্ৰী ফুকন আৰু উষা গগৈক নিযুক্তি দিব পাৰিছিলো স্থানীয় যুৱতী হিচাপে। কিন্তু যেতিয়া মহাবিদ্যালয়খনত ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে তেতিয়া আমি সেই পূৰ্বে প্ৰস্তাৱিত বনোৱা খেৰি ঘৰটোৰে আমাৰ নাটনি হৈ পৰিল। তেতিয়া এটা বিকল্পৰ সন্ধানত আগবাঢ়িলো। সেইমৰ্মে আমি পৰিচালনা সমিতিৰ সভা আহ্বান কৰি মৰাণ চাৰ্কোলৰ এবিটা, মৰাণ ব্যৱসায়ী সন্থা আৰু অইল ইণ্ডিয়াত আমি আবেদন জনোৱাৰ সিদ্ধান্ত ল'লো। এবিটাৰ লগত সংযুক্ত থকা চুচনৰঞ্জন চুতীয়া, শৰৎ শইকীয়াৰ লগত আমি বিভিন্ন বাগানলৈ গৈ অনুদান বিচাৰিছিলো। অৱশেষত পৱন ঘাটোৱাৰে আমাৰ এখন আবেদনত অতি সুন্দৰকৈ অনুমোদনৰ বাবে লিখি দিলে । আমি এবিটালৈ প্ৰেৰণ কৰিলো। সেই আবেদন পাই অবিটাই আমাক এক লাখ টকাৰ এটা অনুদান হিচাপে দিয়াৰ প্ৰতিশ্ৰুতি দিলে। পৰৱৰ্তী সময়ত সেই প্ৰতিশ্ৰুতি তেওঁলোকে ৰক্ষা কৰি এজন ঠিকাদাৰৰ হতুৱাই আমাক প্ৰথম ঘৰটো বনাই দিলে। আমি কৃতজ্ঞ হ'লো। আমি পৱন ঘাটোৱাৰৰ হাতেৰেই জাক-জমকতাৰে সেই এবিটাৰ প্ৰথম ভৱন অৰ্থাৎ অধ্যক্ষাৰ কাৰ্যালয়টো মুকলি কৰিলো।

কলেজখন যেন এখোজ আগবাঢ়ি গ'ল যদিও আমাৰ কৰ্মচাৰীসকল বহিবৰ বাবে ঠাই নোহোৱা হ'ল। তেতিয়া আমি কাষ চাপিছিলো মৰাণ ব্যৱসায়ী সন্থাৰ। এই ব্যৱসায়ী সন্থাৰ সদস্যসকলৰ ঘৰলৈ যাওঁতে কেতিয়াবা যতীন, কেতিয়াবা প্ৰদীপ মোৰ লগত গৈছিল। কমেও ২০/৩০ বাৰ যোৱাৰ পাছত তেওঁলোকে আমাক সন্মতি প্ৰদান কৰিছিল যে, আমি ৫০ ফুটৰ এক লাখ টকাৰ এটা ঘৰ বনাই দিম। ঠিক তেনেদৰেই আমাক তেওঁলোকে সেই ঘৰটো বনাই দিছিল। তেতিয়াৰ উপায়ুক্ত গায়ত্ৰী বৰুৱাৰ হতোৱাই তেখেতসকলে উদ্বোধন কৰোৱাই আমাৰ কৰ্মচাৰীসকলক বহিবৰ বাবে সুবিধা কৰি দিছিল। এইখিনি অনুদান লাভ কৰাৰ পাছত আমি ক্ৰমান্বয়ে অইল ইণ্ডিয়া লিমিটেডৰ স্থানীয় বিধায়ক লক্ষীপ্ৰসাদ বৰগোহাঁই, পৰৱৰ্তী সময়ৰ স্থানীয় বিধায়ক শৰৎ শইকীয়া আৰু লোকসভাৰ সাংসদ বিজয়কৃষ্ণ সন্দিকৈ, ৰাজসভাৰ সাংসদ পৰাগ চলিহা আৰু স্থানীয় বিধায়ক হিৰণ্য কোঁৱৰ (পিছলৈ মন্ত্ৰী), ৰাজ্যসভাৰ সাংসদ ক্ৰমে

*মই সুখ বৰুৱাই কৈছোঁ*

দ্ৰৌপদ বৰগোহাঁই আৰু দ্বিজেন শৰ্মা আদি কৰি প্ৰতিজনৰ পৰা শকত অংকৰ অনুদান লাভ কৰি শ্ৰেণীকোঠাবোৰ বনাই যাবলৈ ধৰিলো। শ্ৰেণীকোঠা বনাই শেষ হোৱাৰ পাছত আমাৰ এটা সৌভাগ্য ঘটিল। সেই সময়ত মই দিল্লীত অধ্যক্ষসকলৰ মেনেজমেণ্টৰ এটা এমহীয়া ট্ৰেইনিং ল'বলৈ গৈছিলো। তেতিয়াই সুবিধা বুজি মই ইউনিভাৰচিটি গ্ৰাণ্ট কমিশ্বন (UGC)ৰ কাৰ্যালয়লৈ গৈছিলো আৰু এখন আবেদন দিছিলো। ইউনিভাৰচিটি গ্ৰাণ্ট কমিশ্বনৰ পৰা গ্ৰাণ্ট পাবলৈ হ'লে কলেজখনে পাৰমেনেণ্ট এফিলিয়েশ্বন পাব লাগিব। এই ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সেইসময়ৰ পঞ্জীয়ক আৰু পিছলৈ উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা মহোদয়ে যাৱতীয় আনুষ্ঠানিকতাৰ ব্যৱস্থা কৰি দিছিল। মই দিল্লীৰ পৰা আহি গুৱাহাটীত থকা শাখাটোতো এখন আবেদন দিছিলো। আবেদন দিয়াৰ ফলস্বৰূপে এটা অনুদান পাবলৈ সক্ষম হৈছিলো। সেই অনুদানটো আছিল ছাত্ৰী নিবাস নিৰ্মাণ আৰু বিভিন্ন আন্তঃগাঁথনিৰ ক্ষেত্ৰত সামগ্ৰী কিনা-বেচাৰ কাৰণে আমি অনুদান লাভ কৰিছিলো। তাৰ ফলত আমি সাংসদ দ্ৰৌপদ গোহাঁইৰ অনুদানেৰে নিৰ্মাণ কৰিছিলো আমাৰ আটাইতকৈ লাগতীয়াল পুথিভঁৰাল গৃহটি। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা যি অনুদান পাইছিলো সেই অনুদানৰ দ্বাৰা আমি ছাত্ৰী নিবাসৰ প্ৰথম মহলাটো নিৰ্মাণ কৰিছিলো আৰু দ্বিতীয় মহলাৰ চাদখনো বনাই ৰাখিছিলো। লগতে আমি মহাবিদ্যালয়ৰ কিছুমান লাগতীয়াল সামগ্ৰী কিনি আনি মহাবিদ্যালয়খন অধিক গতিশীল কৰাত আগবাঢ়িছিলো। সেই সময়তেই আমি এনে এটা ধাৰাৰ সৃষ্টি কৰিছিলো, যাৰ ফলশ্ৰুতিত পৰৱৰ্তী সময়ত ছাত্ৰী নিবাসৰ দ্বিতীয় মহলাৰ বাবে, ইন্দ'ৰ ষ্টেডিয়াম, কেণ্টিন নিৰ্মাণ কৰিবলৈ অধিক অনুদান লাভ কৰিবলৈ সক্ষম হৈছিলো। এইবিলাকৰ উপৰিও আমি অসম টি বৰ্ডৰ পৰা মুঠ ৬ লাখ টকাৰ এটা অনুদান লাভ কৰিছিলো। যি অনুদানেৰে আমি অধ্যয়ন কক্ষ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিলো।

আমাৰ কাৰ্যকালত শিক্ষক-শিক্ষয়িত্ৰীসকলক দিবলৈ যেতিয়া আমাৰ টকাৰ নাটনি হৈছিল তেতিয়া আমি লটাৰী খেল খেলাইছিলো। লটাৰী খেল খেলোৱাৰ ক্ষেত্ৰত যতীন চুতীয়া, মহেন শইকীয়া, অনিল শইকীয়া, কমলা বৰগোহাঁই, প্ৰদীপ হাজৰিকা আদি কৰি আমাক বিভিন্নজনে সহায় কৰিছিল। আনকি আমাৰ ডাঙৰ ল'ৰা শ্যামলে যেতিয়া ইঞ্জিনীয়াৰিং পৰীক্ষা দি ঘৰত আছিলহি তেতিয়া সি যুৱনেতা কুশল দত্তৰ লগত গৈ বাগানে বাগানে উপহাৰ কুপন বিক্ৰী কৰি আমাক টকা আনি দিছিল। মোৰ স্বামীয়েও ডিব্ৰুগড় পৰিদৰ্শকৰ কাৰ্যালয়ৰ যোগেদি শিক্ষকসকলৰ লগত যোগাযোগ কৰি কিছুমান অনুদান আনি দিছিল। আৰু পৱন ঘাটোৱাই মৰাণ চাহ বাগিচা এবিটাৰ উপৰিও অইল ইণ্ডিয়াৰ পৰা বিশেষভাৱে উদ্যোগ লৈ সহায় কৰিছিল। এই আপাহতে আজি এই শুভ মুহূৰ্তত আমি সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এটা কথা নক'লে হয়তো আমাৰ ভুল হ'ব। আমাৰ দ্বিতীয় পুত্ৰ 'মন' অৰ্থাৎ উজ্জ্বলৰ তেতিয়া ভাল ব্যৱসায় চলিছিল। তাৰ গাড়ীৰে কেইবাগাড়ীও শিল আমাৰ মহাবিদ্যালয়লৈ আগবঢ়াইছিল। লগতে তাৰ বেংক পাচবুকত কমেও ৫ লাখ মান টকা আছিল। চেকবিলাকত চহী কৰি মোৰ হাতত দি কৈছিল— 'যেতিয়াই আপোনাক পইচা দৰকাৰ হয়, টকাৰ অনুভৱ হয় তেতিয়াই আপুনি ইয়াৰ পৰা টকা উলিয়াই ল'ব।' সেই অনুক্ৰমে যেতিয়াই কলেজত টকাৰ টনাটনি হৈছিল তেতিয়াই তাৰ পাচবুকৰ পৰা টকা উলিয়াইছিলো। শেষত তাৰ ৫ লাখ টকা তেনেদৰেই শেষ হৈছিল। কিন্তু সি যেতিয়া কথাটো গম পাইছিল তেতিয়া সি হাঁহি হাঁহি কৈছিল— 'হ'ব, আপুনি এটা ডাঙৰ কাম কৰিছে। আমি সহায় কৰাটো কোনো ডাঙৰ কথা নহয়।' এইদৰেই আমি অনেকজনৰ পৰা সহায়-সহযোগ লাভ কৰিছিলো।

এনেদৰে লটাৰী, বিভিন্নজনৰ অনুদান, বিভিন্ন শুভাকাংক্ষীয়ে মোক বেঞ্চ-ডেস্ক, আলমীৰা, ফেন

আদি দিও সহায় কৰিছিল। নিজ ইচ্ছাৰে কোনোবাই ২০০০ টকা, কোনোবাই ১০০০ টকা দিও সহায় কৰিছিল। বহুতো অভিভাৱকে মোৰ লগত সহমত প্ৰকাশ কৰি অনুদান দি সহায় কৰিছিল। বিশেষকৈ আমাৰ মহাবিদ্যালয়ত যিসকল ছাত্ৰীয়ে অধ্যয়ন কৰি আছিল সেই ছাত্ৰীসকলে যেতিয়াই আমি লটাৰী খেলো তেতিয়াই তেওঁলোক জাকে জাকে বহি উপহাৰ কুপন বিক্ৰী কৰি কেনেকৈ দুপইচা অৰ্জন কৰিব পাৰি সেই কামত তেওঁলোক ব্ৰতী হৈছিল। এইদৰে ছাত্ৰীসকলে মোক পাৰ্যমানে সকলো ক্ষেত্ৰতে সহায় কৰিছিল। ছাত্ৰীসকলে সহায় নকৰা হ'লে, শিক্ষক-শিক্ষয়িত্ৰীসকলে ইমান পৰিশ্ৰম নকৰা হ'লে নিশ্চয় আমাৰ ছাত্ৰীসকলে ইমান দক্ষতাৰে আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব নোৱাৰিলেহেঁতেন। ছাত্ৰীসকল, শিক্ষক-শিক্ষয়িত্ৰীসকল, শুভাকাংক্ষীসকল, পৰিচালনা সমিতিৰ সদস্যসকল, মৰাণ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল সকলোৰে মোৰ হাতত হাত থৈ এনেদৰে আগবাঢ়ি যাবলৈ শিকালে, তাক মই কোনোদিন পাহৰিব নোৱাৰো।

ইতিমধ্যে এটা কথা বাদ পৰি গৈছে। যেতিয়া মই ১৯৯২ চনত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিলো তাৰ পাছতেই মই মৰাণ বালিকা মধ্য ইংৰাজী বিদ্যালয়ত সহঃ শিক্ষয়িত্ৰীৰ চাকৰিটো মই নিজ ইচ্চামতে বা স্বামী আৰু ল'ৰা-ছোৱালীকেইটাৰ লগত আলোচনা কৰি সেই চাকৰিটোৰ পৰা অব্যাহতি ল'লো যাতে মহাবিদ্যালয়খন গঢ়ি তোলাৰ ক্ষেত্ৰত, নাৰী শিক্ষাৰ ক্ষেত্ৰত মই কেতিয়াও কৃপণালি কৰিব নোৱাৰো। নিষ্ঠা আৰু সততাৰে যেতিয়া এটা মহৎ কাম কৰিবলৈ লৈছো তাৰ কাৰণে ভগৱানৰ আশীৰ্বাদেই মোক আগবাঢ়ি যোৱাত সহায় কৰিছিল।

মোৰ আন এটা কথা মনলৈ আহিছে। যেতিয়া মই হাতত কলমটো লৈ কামুৰি বহি থাকো, তেতিয়া মোৰ স্বামীয়ে কৈছিল— 'কিহৰ কাৰণে ইমান চিন্তা কৰি আছা?' মই তেতিয়া কৈছিলো— 'মাহটো পূৰণ হ'বলৈ মাত্ৰ চাৰিটা দিন আছে। ছাত্ৰীসকলৰ মাছুলৰ পইচাৰে শিক্ষক-শিক্ষয়িত্ৰীসকলক দৰমহা দিবলৈ কম হৈছে। মই এতিয়া ক'ৰপৰা টকা উলিয়াও?' যদিও তেওঁৰ সেই সময়ত দৰমহা কম আছিল, তথাপিও মোক ২০০০, ৩০০০, ৫০০০ টকা দি সহায় কৰিছিল। এই আপাহতে মোৰ স্বামীলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সম্ভৱত ১৯৯৫ চন। মোৰ সম্বন্ধীয় ককাইদেউ এজন সেই সময়ত স্বাস্থ্য বিভাগৰ সঞ্চালক আছিল। তেওঁৰ নাম আছিল ডাঃ পূৰ্ণ কোঁৱৰ। তেওঁৰ সহযোগত মই সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক লগ কৰিছিলো। হিতেশ্বৰ শইকীয়াক অনুৰোধ কৰিছিলো যে, আমাৰ মহাবিদ্যালয়খনত তদৰ্থ ভিত্তিত হ'লেও এটা গ্ৰাণ্ট দি আমাক কিছু সহায় কৰিবলৈ। সেইমতেই কাম হৈছিল। সুখৰ বিষয় যে, ১৯৯৫ চনতেই সেই অনুদান পাবলৈ সক্ষম হৈছিলো। আৰু ২০০৩ চন মানৰ পৰা আমি এটা বিত্তীয় অনুদান চৰকাৰৰ পৰা লাভ কৰিছিলো। ক্ৰমান্বয়ে ২০১০ চনলৈকে সেই বিত্তীয় অনুদান লাভ কৰিলো। তাৰ পাছতেই ২০১৩ চনত আমাৰ মহাবিদ্যালয়খন চৰকাৰীকৰণৰ আওতালৈ আহিছিল। ২০১৩ চনৰ মাৰ্চ মাহত আমাৰ মহাবিদ্যালয়খন চৰকাৰীকৰণ হ'ল। সেই দিনটো মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় দিন আছিল। সেই দিনটোতে মই আটাইতকৈ আনন্দ লাভ কৰিছিলো। মোৰ অশেষ ত্যাগ, কষ্ট আৰু উদ্যমৰ প্ৰতীকস্বৰূপ মহাবিদ্যালয়খনে চৰকাৰী আওতালৈ অহাৰ বাবে মই আটাইতকৈ সুখী অনুভৱ কৰিলো। সেইদিনাই মই স্ব-ইচ্ছাৰে মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিলো।

হাঁহি হাঁহি কলেজৰ বাৰান্দাত সেৱা জনাই, শিক্ষক/শিক্ষয়িত্ৰীক চাহ খোৱাই, জ্যেষ্ঠ শিক্ষয়িত্ৰী জয়শ্ৰী ফুকনক অধ্যক্ষাৰ চকীখনলৈ আগবঢ়াই দি ঘৰলৈ আহিছো।

## *মই সুখ বৰুৱাই কৈছোঁ*

প্ৰশ্ন ঃ বাব্ৰে বাইদেউ ইমান মনত আছে। শুনি অভিভূত হ'লো। এতিয়া আপোনাৰ অন্যান্য সামাজিক কাম-কাজৰ বিষয়ে আপোনাৰ মুখৰ পৰা শুনিব খুজিছো।

- ড° সুখ বৰুৱা ঃ মই আকৌ মোৰ জীৱনৰ উভতনি যাত্ৰা আৰম্ভ কৰিব লাগিব। ১৯৯১ চন। মই আগতেই উনুকিয়াই আহিছো যে মই 'অনন্যা' নামে এখনি কাব্য সংকলন প্ৰকাশ কৰি আমাৰ মৰাণৰ নাৰীসকলৰ মাজত থকা সৃষ্টিশীল প্ৰতিভাৰ বিকাশ কৰাৰ যত্নপৰ হৈছিলো। তাৰ পাছত সেই ধাৰাবাহিকতা অক্ষুণ্ণ আছিল। মৰাণত যদিও ১৯৮৯ চনতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্যতম অনুষ্ঠান হিচাপে শাখা এটা গঠন হৈছিল, সেই শাখা গঠন কৰাৰ ক্ষেত্ৰত তোলন গগৈ ছাৰ, পুতলী দেৱী বৰুৱা, ৰেণু শইকীয়া আদি কৰি কেইবাগৰাকীয়েও তৎপৰতা দেখুৱাইছিল। কিন্তু সময়ত সেই অনুষ্ঠান নিষ্ক্ৰিয়ভাৱে নাইকিয়া হৈ গৈছিল। পুনৰ আকৌ ১৯৯১ চনত মই মৃদুলা বৰঠাকুৰক সম্পাদিকাৰ দায়িত্ব দি সেই অনুষ্ঠানটো পুনৰোজ্জীৱিত কৰিছিলো। আৰু মৰাণৰ মহিলাসকলক একগোট কৰিবলৈ মই আগবাঢ়িছিলো। তাৰ পাছত মই সেই শাখাৰ সভানেত্ৰী হৈ দীপালী দত্ত শইকীয়াক সম্পাদিকা দিছিলো। লগতে মহিলাসকলৰ মাজত সাহিত্যৰ জাগৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিলো। তাৰ সমান্তৰালভাৱে মই এটা মহিলা সংগঠন কৰাৰ কথাও চিন্তা কৰিছিলো।

  এদিনৰ কথা। পৱন ঘাটোৱাৰৰ আইতাক শৰ্যাগত হৈ আছিল। মই প্ৰদীপক কৈছিলো, সেই মানুহগৰাকীক এবাৰ চাই আহোঁ।প্ৰদীপৰ স্কুটাৰত উঠি চাবলৈ যাওঁতে আমি বাটত দেখিছিলো চাহৰ টুকুৰী লৈ বিভিন্ন বনুৱা মহিলাই শাৰী পাতি চাহপাত দিবলৈ ৰৈ আছে। সেইবিলাক দেখি মোৰ মনটো বৰ বেদনাগধুৰ হৈ পৰিছিল। প্ৰদীপক মই কৈছিলো— সেই মহিলাসকলক সংগঠিত কৰিব পৰাকৈ, স্বাক্ষৰ কৰিব পৰাকৈ, কিছু সজাগ কৰিব পৰাকৈ আমি এটা মহিলা সংগঠন কৰিব নোৱাৰোনে? তেওঁ ইতিবাচক সঁহাৰি জনাইছিল। যেনেদৰে মৰাণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেওঁৰেই মোক প্ৰথম সঁহাৰি জনাইছিল। সেইমতেই আমি ১৯৯২ চনৰ ৮ নবেম্বৰত এখন সভা আয়োজন কৰিছিলো। সেই সভাত ৫০০ ৰো অধিক মহিলাই অংশগ্ৰহণ কৰিছিল। সেই সমাৰেশ আছিল অভূতপূৰ্ণ। সেই সভাতেই আমি মৰাণ মহাবিদ্যালয়ৰ সেই সময়ৰ দৰ্শন বিভাগৰ অধ্যাপিকা অঞ্জনা দত্ত ভৌমিকক সভানেত্ৰী আৰু মই নিজে মুখ্য সম্পাদিকাৰ দায়িত্ব লৈ আমি 'সংঘমিত্ৰা' নামেৰে এটা অনুষ্ঠান আৰম্ভ কৰিছিলো। সেই সংগঠনত মৰাণৰ আশে-পাশে থকা প্ৰান্তীয় অঞ্চলৰ বহুতো মহিলাক আমি সদস্য হিচাপে ভৰ্তি কৰিছিলো। সেই সংগঠনৰ মুখ্য লক্ষ্য আছিল নাৰীক শিক্ষিত কৰা, নাৰীক সাহিত্য সৃষ্টিত উদগণি জনোৱা আৰু কণ কণ শিশুসকলক আগবাঢ়ি যোৱাত সহায় কৰা, আমি সেইদৰেই কামবিলাক আৰম্ভ কৰিছিলো। সংঘমিত্ৰাই বহুত আগবাঢ়ি গৈছিল। আমি মাটি বিচাৰিলো। কেনেকৈ এটা নিজৰ ঘৰ সাজিব পাৰি তাৰ চেষ্টা কৰিছিলো। সেই সময়ত মৰাণ চাৰ্কেলৰ যিজন চক্ৰ বিষয়া আছিল সেইজন মোৰ সম্পৰ্কীয় দেৱৰ আছিল। নাম আছিল দেৱ কুমাৰ নাথ। তেওঁ মোক সহায় কৰিছিল। ফটিকাছোৱা অভয়পুৰীয়া গ্ৰেজিঙৰ ডেৰ বিঘা মাটি আমাক আবন্টন দিয়াইছিল। আৰু তাতেই আমি পৱন ঘাটোৱাৰৰ তিনি লাখ অনুদানেৰে এটি ঘৰ নিৰ্মাণ কৰিছিলো। তাতেই আমি আৰম্ভ কৰিছিলো তাঁত শিল্প। যিটো তাঁত শিল্পৰ বাবে আমি মৰাণৰ এটা জনপ্ৰিয় অনুষ্ঠান হিচাপে আগবাঢ়িব পাৰিছিলো। সেই অনুষ্ঠানৰ উপৰিও মহিলাসকলক কেনেকৈ 'সংঘমিত্ৰা'ৰ যোগেদি আগবঢ়াব পাৰো সেইটো উদ্যোগ লৈছিলো। মহিলাসকল ওলাই আহিছিল। ৰান্ধনীঘৰৰ পৰা ওলাই মহিলাসকলে হাতত কলম তুলি লৈছিল। কলম লৈ তেওঁলোকে বিভিন্ন স্বাদৰ প্ৰবন্ধ, গল্প, উপন্যাস, কবিতা লিখি

আমাক উদগণি দিছিল। ক্ৰমান্বয়ে আমি ইখনৰ পাছত সিখন 'সংঘমিত্ৰা' নামৰ পত্ৰিকা আৰু লেখিকা সমাৰোহৰ 'অনন্যা' নামৰ গ্ৰন্থ প্ৰকাশ কৰিবলৈ সুবিধা পাইছিলো। সেইবিলাক সম্পাদনা কৰাৰ দায়িত্বত আছিল সুখ বৰুৱা,নিলীমা তালুকদাৰ, দীপালী দত্ত শইকীয়া, কল্পনা বৰা, লিলি বৰুৱা, দীপালী চুতীয়া ফুকন,হোস্নাৰাবা বেগম ,জয়শ্ৰী ফুকন আদি কৰি আমাৰ মহিলাসকল। তেওঁলোকে আগবাঢ়ি আহি মোৰ লগত ছাঁৰ দৰে থাকি মোক সহায় কৰিছিল। পাছত ছোৱালীবিলাক বিয়া হৈ যোৱাৰ পাছত তাঁত শিল্পটো নিষ্ক্ৰিয় হৈ আহিল। তেতিয়া আমি অনুভৱ কৰিলো যে, 'সংঘমিত্ৰা'ক আমি কেতিয়াও মৰি যাবলৈ নিদিওঁ। অঞ্জনা দত্তৰ লগত মই কথাটো আলোচনা কৰিলো আৰু বিভিন্ন সদস্যাসকলৰ লগত আলোচনা কৰি আমি এটা সিদ্ধান্ত ল'লো যে, আমি 'সংঘমিত্ৰা' নামে এখনি 'জাতীয় বিদ্যালয়' প্ৰতিষ্ঠা কৰো। যিখন জাতীয় বিদ্যালয়ত দুখীয়া ল'ৰা-ছোৱালীবিলাকে কম খৰচত পঢ়িবলৈ সুবিধা পাব। সেইমতেই আমি কাম কৰিলো। আমাক সেই সময়ত সহায় কৰিছিল অন্নদা প্ৰসাদ বৰঠাকুৰ, সদানন্দ বুঢ়াগোহাঁই, যতীন চুতীয়া, সৰ্বেশ্বৰী দত্ত, অমিয়া ফুকন আদিয়ে। অমিয়া ফুকন প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী আছিল।তাৰপাছত ক্ৰমে অৰুণ বৰুৱা আৰু বৰ্তমান তিলেন্দ্ৰ শইকীয়া প্ৰধান শিক্ষক হৈ আছে। এতিয়া সেই বিদ্যালয়ত ১৫০ মান ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰে। আৰু ১৫ জন মান শিক্ষক-শিক্ষয়িত্ৰীয়ে তাত পাঠদান দিয়ে। আমাৰ 'সংঘমিত্ৰা'ৰ বৰ্তমানৰ সভানেত্ৰী হৈছে অমিয়া ফুকন আৰু সম্পাদিকা হৈছে লিলি বৰুৱা। লেখিকা সমাৰোহৰ বৰ্তমানৰ শাখাৰ সভানেত্ৰী হৈছে কল্পনা বৰা আৰু সম্পাদিকা হৈছে হাজেৰা খাতুন। লেখিকা সমাৰোহৰ যোগেদি আৰু সংঘমিত্ৰাৰ যোগেদি বিভিন্ন সাহিত্যৰ সৃষ্টিত আমাৰ মহিলাসকলক আগবঢ়াই নিবলৈ আমি সক্ষম হৈছো। সেয়াও আমাৰ কাৰণে অতি আনন্দৰ কথা।

২০১৩ চনত মই যেতিয়া মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিলো তেতিয়া মোলৈ আৰু এটা সুযোগ আহিল। যদিও মই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ১৯৯২ চনৰ পৰা কেন্দ্ৰীয় সমিতিৰ সদস্য, উপ-সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী হৈ আছিলো ২০১৪ চনত মই সভানেত্ৰীৰ দৰে এখন সন্মানীয় আসন লাভ কৰিবলৈ সক্ষম হৈছিলো। লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ পদত মই অধিষ্ঠিত হ'লো। সেই সময়ত আমাৰ অসমৰ সকলো মহিলাৰ পৰা যি আদৰ, সম্ভাষণ মই গ্ৰহণ কৰিলো সেয়া মই বৰ্ণনা কৰিব নোৱাৰো। তেখেতসকলে মোক অতি আপোনভাৱে সকলো ক্ষেত্ৰত সহায় কৰিছিল। সেই সময়তেই মই অসম চৰকাৰৰ পৰা 'সাহিত্য বঁটা', 'সাহিত্যিক পেঞ্চনা' আৰু 'চন্দ্ৰপ্ৰভা শইকীয়ানী' বঁটা লাভ কৰিবলৈ সক্ষম হৈছিলো। ২০১৭চনত অসম যুৱ ছাত্ৰ পৰিষদৰ যোগেদি মই 'মূলাগাভৰু বঁটা' লাভ কৰিবলৈ সক্ষম হৈছিলো। তাৰোপৰি বিভিন্ন শাখা, বিভিন্ন জিলা সমাৰোহে মোক কিছুমান উপাধি প্ৰদান কৰিছিল। সেইবিলাকৰ ভিতৰত 'মহীয়সী', 'প্ৰেৰণাময়ী', 'কৰ্মযোগী', 'জাছিংফা', হাৰুনি-ফামে আদি অন্যতম। তাৰোপৰি মৰাণত মই যেতিয়া 'মৰাণ মহাবিদ্যালয়'খন একক প্ৰচেষ্টাৰে প্ৰতিষ্ঠা কৰিছিলো সেই স্বীকৃতিস্বৰূপে মৰাণৰ তিনিটা সংগঠন যেনে- মৰাণ শাখা লেখিকা সমাৰোহ, মহিলা কৰ্মচাৰী আৰু সংঘমিত্ৰাই উদ্যোগ লৈ এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিল। যিখন সভাত ৮২ টা সংগঠন,মৰাণৰ ৰাইজ আৰু ব্যক্তিগতভাৱে বহুতেই মোক সম্বৰ্দ্ধনা জনাইছিল। সেইটোও মোৰ বাবে এটা আটাইতকৈ স্মৰণীয় দিন। সেই দিনতেই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা সুৱৰ্ণ শইকীয়া বৰদলৈ উপস্থিত থাকি 'ৰত্নগৰ্ভা' আৰু 'মৰাণ কুঁৱৰী' উপাধিৰে বিভূষিত কৰিছিল। এই সকলোবোৰ সন্মান,বটাঁ মই মৰাণবাসীৰ চৰণত অৰ্পন কৰিছো।

এইখিনি কৰাৰ পাছতো ক্ৰমান্বয়ে কিছুমান সামাজিক কাম কৰিবলৈ বাধ্য হৈছিলো। তাৰ পাছতেই মই

## *মই সুখ বৰুৱাই কৈছোঁ*

মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী হিচাপে অসম চৰকাৰৰ পৰা নিযুক্তি লাভ কৰিছিলো। নিযুক্তি লাভ কৰি মই চিন্তা কৰিছিলো যে, মোৰ কাষতে থকা মহাবিদ্যালয়খন কেনেকৈ অধিক গতিশীল কৰিব পাৰো, আন্তঃগাঁথনিৰ ক্ষেত্ৰত কেনেকৈ প্ৰগতিৰ পথেদি আগুৱাই নিব পাৰো সেই কথা চিন্তা কৰি অধ্যক্ষৰ লগত কথা-বতৰা পাতি বা সকলোৰে লগত আলোচনাৰ মৰ্মে বিভিন্ন আন্তঃগাঁথনিৰ কাম কৰিবলৈ সক্ষম হৈছিলো। তাৰ পাছতেই মই ডিমৌ মহাবিদ্যালয়ৰ সভানেত্ৰী হিচাপে নিযুক্তি পাইছিলো। কিন্তু দুয়োখন মহাবিদ্যালয়ত পৰিচালনা সমিতিৰ সভানেত্ৰীৰ দৰে এটা গধূৰ দায়িত্ব পালন কৰিবলৈ অসুবিধা হোৱাত মই স্ব-ইচ্ছাৰে ডিমৌ মহাবিদ্যালয়ৰ সভানেত্ৰীৰ পদ লোৱা নাছিলো আৰু পৰৱৰ্তী সময়ত মই যিখন মহাবিদ্যালয় নিজ হাতেৰে অশেষ কষ্ট, শ্ৰম আৰু ত্যাগ কৰি প্ৰতিষ্ঠা কৰিছিলো সেই মহাবিদ্যালয়ৰ বৰ্তমান মই সভানেত্ৰী হিচাপে কিছু কাম-কাজ কৰিবলৈ সুবিধা লাভ কৰিছো। আশা কৰিছো মোৰ কাৰ্যকালত মহাবিদ্যালয়খন অধিক গতিশীল হওক। অধিকভাৱে ছাত্ৰীসকলে নিজৰ দক্ষতা প্ৰতিপন্ন কৰক, শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ দক্ষতা বিকাশ কৰক, যাতে মহাবিদ্যালয়খন অসমৰ ভিতৰতে এখন উচ্চমানৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

প্ৰশ্ন ঃ বিভিন্ন কৰ্মৰ মাজেৰে আপুনি মহিয়ান হৈ জিলিকি উঠিছে। ইতিমধ্যে আপুনি অনেক সামাজিক স্বীকৃতি আৰু অনেক অভিধা অৰ্জন কৰিছে।সেই বিষয়ে অকণমান কওকচোন।

- ড° সুখ বৰুৱা ঃ মই অনেক সন্মান পাইছো, সম্বৰ্দ্ধনা পাইছো, বঁটা পাইছো, উপাধি পাইছো আৰু হাজাৰজনৰ মৰম লাভ কৰিছো। সেই কথা মই সদায়েই স্বীকাৰ কৰিম। ইমানখিনি কৰাৰ পাছতো মই যেন আৰু বহুত কাম কৰিবলগীয়া আছে। সমাজৰ কাৰণে, সামাজিক দায়বদ্ধতাৰ ওপৰত গুৰুত্ব দি আৰু যেন বহুত কাম কৰিবলৈ আছে বুলি মই অনুভৱ কৰো। এইবিলাক কামৰ মাজতো মই সৃষ্টিশীল কৰ্মত সদায় নিয়োজিত হৈ থাকো। মই অধ্যয়ন কৰো, অভিজ্ঞতা লাভ কৰো, অধ্যয়নৰ যোগেদি মোৰ আগ্ৰহ বাঢ়ি যায়। তাৰ ফলত মই বিভিন্ন ধৰণৰ কবিতা লিখো, প্ৰৱন্ধ লিখো আৰু সেইবিলাক মই প্ৰকাশ কৰো। শুভাকাংক্ষীসকলে মোক যথেষ্ট উৎসাহিত কৰে। সেইবাবেই মই ইমান কামৰ সমান্তৰালভাৱে হ'লেও ইখনৰ পাছত সিখনকৈ কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া ভাষা সাহিত্যলৈ অৰদান আগবঢ়াইছো। তাৰোপৰি কেইবাখনো গ্ৰন্থ সম্পাদনা কৰিও আমাৰ অসমীয়া ভাষা সাহিত্যক চহকী কৰিছোঁ। মৰাণৰ কমেও ১০০ মান মহিলাক মই হাতত কলম তুলি ল'বলৈ উৎসাহিত কৰিছো বুলি মই সদায়েই আনন্দ অনুভৱ কৰো। এই আপাহতে মই আৰু এটা কথা ক'ব বিচাৰিছো। মই ভাবো মৰাণৰ মহিলাসকলে মোক যেনেদৰে ভাল পায় ঠিক সেইদৰে অসমৰ মহিলাসকলেও মোক ভালপায়। সেয়েহে তেওঁলোকে মোৰ এখনি 'অভিনন্দন গ্ৰন্থ' প্ৰকাশৰ কথা চিন্তা কৰিছিল। কিন্তু মই প্ৰতিবাৰেই বাধা দি আছিলো। কেইমাহমানৰ আগতে আমাৰ মৰাণৰ 'মৰাণ শাখা লেখিকা সমাৰোহ সমিতি' আৰু 'সংঘমিত্ৰা' হঠাতে মোক এটা প্ৰস্তাৱ দিলে যে মোৰ এখন 'অভিনন্দন গ্ৰন্থ' তেওঁলোকে প্ৰকাশ কৰি উলিয়াব। মই কিবা এটা কোৱাৰ আগতেই সকলোৱে পূৰ্ণ সমৰ্থন জনালে। তাৰ লগে লগে বিভিন্নজনলৈ অভিনন্দন গ্ৰন্থৰ বাবে লেখা বিচাৰি তেওঁলোকে পত্ৰ প্ৰেৰণ কৰিলে। সম্পাদনাৰ দায়িত্ব ল'লে কল্পনা বৰাই। এতিয়া আমি দেখিছো অতি কমেও ২০০ মান লেখা ইতিমধ্যে সম্পাদিকাৰ হাতত পৰিছেহি। কিছুদিনৰ পিছতেই সেই 'অভিনন্দন গ্ৰন্থ'খন প্ৰকাশ হৈ মৰাণৰ মহিলাসকল বা বিভিন্ন ব্যক্তিসকলৰ হাতত নিশ্চয় পৰিব। সেই লেখাবোৰ পাওতে মই অভিভূত হৈ পৰিছো। বিশেষকৈ এগৰাকী স্বনামধন্য লেখিকা ড° অনিমা গুহ বাইদেৱে লিখিছে আৰু মোকো কৈছে

যে, তোমাৰ গাত এনেকুৱা কি যাদু আছে, তোমাক কোনে এনেকুৱা এটা অসীম শক্তিৰ অধিকাৰী কৰিছে, যিটোৰ কাৰণে তুমি অনবৰতে কেৱল নাৰীৰ উন্নতি, নাৰীৰ মংগলৰ কাৰণে, সমাজৰ হিতৰ কাৰণে চিন্তা কৰি থাকা? তোমাৰ নিজৰ কাম কৰিবলৈ যেন একো নাই। কেৱল নাৰীৰ কথাহে তুমি ভাবা। কিয়? মই তেতিয়া তেখেতক কৈ হাঁহিছিলো। হয় বাইদেউ, নাৰীৰ শিক্ষাৰ অবিহনে যে এখন সমাজৰ উন্নতি নহয়, প্ৰগতি নহয়, নাৰী শিক্ষা নহ'লে ঘৰ, সমাজ, দেশৰ উন্নতি নহয় সেই কথা মই সৰুৰে পৰাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো আৰু সেইবাবেই সৰ্বতো প্ৰকাৰে নাৰীক শিক্ষিত আৰু উন্নতি কৰাৰ ক্ষেত্ৰত মই মোৰ জীৱন উচৰ্গা কৰিছিলো। যিটো মই ভাবো যে সেইটো মোৰ সামাজিক দায়বদ্ধতাৰে কৰা আটাইতকৈ জীৱনৰ সফল কাম।

প্ৰশ্ন ঃ এইবোৰৰ মাজতে আপোনাৰ পৰিয়াল বুলিও কথা এটা আছে। আপোনাৰ তিনিওগৰাকী সন্তানে বিভিন্নক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁলোকৰ পৰিয়ালৰ কথা কওকচোন।

❍ ড° সুখ বৰুৱা ঃ পৰিয়াল বুলিবলৈ আমাৰ তিনিটি সন্তান। ডাঙৰ ল'ৰা শ্যামল, ঘৰত 'ধন' বুলি মাতো। সি বৰ্তমান অইল ইণ্ডিয়া লিমিটেড, ডুলিয়াজানৰ এটা বিভাগৰ মহাপ্ৰবন্ধক। বোৱাৰী আৰু নাতি দুটা ৰীত আৰু লীৰ সৈতে তেওঁলোকৰ পৰিয়াল ডুলীয়াজানত থাকে। সৰু ল'ৰা উজ্জ্বল, ঘৰত মতা নাম 'মন'। পৰিয়ালৰ সৈতে সি গুৱাহাটীত থাকে। মনৰ এজনী ছোৱালী, নাম মৌ। তৃতীয়তে আমাৰ একমাত্ৰ ছোৱালী লিপি, ঘৰত সকলোৰে মৰমতে 'মাতু' বুলি মাতো। বৰ্তমান তাই জোঁৱাইৰ সৈতে মুম্বাইত কৰ্মৰত দুয়ো। তেওঁলোকৰো এজনি ছোৱালী, নাম- গুণগুণ। আটায়ে সু-প্ৰতিষ্ঠিত। সেইটো বৰ আনন্দৰ কথা। যিসময়ত 'মাতু' মেট্ৰিক পৰীক্ষাৰ্থী আছিল সেই ,মই মই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিলো আৰু তাই যেতিয়া মৰাণ মহাবিদ্যালয়ত হায়াৰ ছেকেণ্ডাৰী পঢ়িছিল তেতিয়া তাই মোক কলেজ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সকলো কামতে পূৰ্ণ সহযোগ কৰিছিল। বিভিন্ন সময়তেই আলহী-অতিথিক চাহ-তামোল, ভাত-পানী খুউৱা কামত তাই ব্যস্ত হৈছিল। মই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত মোৰ স্বামীকে ধৰি ঘৰখনৰ সকলো সদস্যই যথেষ্ট সহায় কৰিছিল। সেই কথা মনত পৰিলে এতিয়াও মনটো আনন্দেৰে ভৰি পৰে।

আমাৰ পৰিয়ালটো অতি আদৰৰ। যেন মোৰ আত্মাটো সিহঁতৰ সকলোৰে মাজত সোমাই আছে। সিহঁতৰ সুখ-দুখ, নাতি-নাতিনীৰ পঢ়া-শুনা সকলোবোৰ কথাই মোক যেন অনবৰতে আমনি কৰে। মোৰ এই চাৰিটা নাতিৰ লগতে ডাঙৰ বোৱাৰী বৌজি আৰু সৰু বোৱাৰী চিমুৰ সৈতে মই ভাবো আমাৰ এখন সুখৰ সংসাৰ। তেওঁলোকৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কামনা কৰাই যেন মোৰ লক্ষ্য। তাতোতকৈ মই আৰু এটা কথা নক'লেই যেন মোৰ দুখ হ'ব। মোক অনবৰতে সততাৰে কাম কৰিবলৈ উদগণি দিয়া ভগৱানৰ ওচৰত বিশ্বাস ৰাখি কাম কৰিবলৈ মোক অনুপ্ৰাণিত কৰা মোৰ স্বামী বিনন্দ বৰুৱাৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'ম। তেওঁৰ প্ৰেৰণা, সহযোগিতাৰ অবিহনে মই সামাজিক কামত ইমান আগবাঢ়িব নোৱাৰিলোহেঁতেন।

ধন্যবাদ বাইদেউ। আজি আপোনাৰ সংগ্ৰামী জীৱনৰ বহুত কথা জানিলো। বহুত থাকি গ'ল। আশাকৰো পুনৰ লগ পাম। ❍

# ড° সুখ বৰুৱাৰ সংক্ষিপ্ত জীৱন পঞ্জী

| | |
|---|---|
| নাম | ঃ **ড° সুখ বৰুৱা।** |
| পিতৃৰ নাম | ঃ ফুলবৰ চেতিয়া। |
| মাতৃৰ নাম | ঃ গুণলতা চেতিয়া। |
| স্বামীৰ নাম | ঃ শ্ৰীযুত বিনন্দ বৰুৱা। |
| স্থায়ী ঠিকনা | ঃ উষাপুৰ মৰাণহাট, চৰাইদেউ, অসম- ৭৮৫৬৭০। |
| জন্ম | ঃ ৩১ ডিচেম্বৰ ১৯৪৬ চন। |
| জন্মস্থান | ঃ বৰকুৰী চেতিয়া গাঁও, বেতবাৰী, শিৱসাগৰ, অসম। |
| শিক্ষাগত অৰ্হতা | ঃ এম. এ., পি এইচ. ডি.। |
| পৰিয়াল | ঃ দুই পুত্ৰ আৰু এগৰাকী কন্যা। |

**শিক্ষা ঃ**

ক) প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা- বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়।

খ) প্ৰাক্ স্নাতক আৰু স্নাতক শিক্ষা - শিৱসাগৰ কলেজ, জয়সাগৰ।

গ) স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী - ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**সামাজিক কৰ্ম জীৱন ঃ**

ক) প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী, বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় (১৯৬৮-১৯৭০ চন)। খ) সহ-শিক্ষয়িত্ৰী, মৰাণ বালিকা বিদ্যালয় (১৯৭৩-১৯৯২ চন)। গ) প্ৰতিষ্ঠাপক অধ্যক্ষা, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণহাট, শিৱসাগৰ (১৯৯২- ২০১৩, মাৰ্চ)। (চৰকাৰী সহ-শিক্ষয়িত্ৰীৰ চাকৰি ইস্তাফা দি নাৰী শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এককভাৱে মহাবিদ্যালয় স্থাপনত আত্মনিয়োগ) ঘ) প্ৰতিষ্ঠাপক মুখ্য সম্পাদিকা, সংঘমিত্ৰা (মৰাণ আঞ্চলিক মহিলা মঞ্চ), স্থাপিত ১৯৯২ চন। ঙ) প্ৰতিষ্ঠাপক সম্পাদিকা, সংঘমিত্ৰা হস্ত তাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, স্থাপিত ১৯৯২ চন। চ) প্ৰতিষ্ঠাপক সম্পাদিকা, সংঘমিত্ৰা জাতীয় বিদ্যালয়, স্থাপিত ২০০১ চন। ছ) প্ৰতিষ্ঠাপক সভানেত্ৰী, মৰাণ লেখিকা সমাৰোহ সমিতি আৰু ১৬ টা শাখা

সমিতিৰ প্ৰতিষ্ঠাতা। জ) সভানেত্ৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতি (২০১৪-২০১৬ চন)। ঝ) প্ৰাক্তন উপ-সভানেত্ৰী, পূৰ্ব্বাঞ্চল তাই সাহিত্য সভা। ঞ) উপ-সভানেত্ৰী, জয়মতী ন্যাস সমিতি, গুৱাহাটী। ট) আজীৱন সদস্যা, অসম সাহিত্য সভা, উপদেষ্টা, চৰাইদেউ জিলা সাহিত্য সভা। ঠ) প্ৰাক্তন সঞ্চালিকা, মৰাণ জাতীয় বিদ্যালয়। ড) প্ৰাক্তন সভানেত্ৰী, পৰিচালনা সমিতি, মৰাণ মহাবিদ্যালয় আৰু ডিমৌ মহাবিদ্যালয়। ঢ) সভানেত্ৰী, পৰিচালনা সমিতি মৰাণ মহিলা মহাবিদ্যালয়। (২০১৮ চনৰ পৰা বৰ্তমানলৈ) ণ) পৰিচালনা সমিতিৰ সদস্য ক্ৰমে- মৰাণ কলেজ (২০০৬-২০১১), নিতাই পুখুৰী কলেজ (২০০৮-২০১১), খোৱাং পিথুবৰ গাৰ্লছ কলেজ (২০১২-২০১৫ ৰ পৰা ২০১৫-২০১৭)। ত) সভানেত্ৰী, অসম মহিলা কবি মঞ্চ।

**প্ৰকাশিত গ্ৰন্থ ঃ**

**আহোমসকলৰ উৎসৱ-অনুষ্ঠান,** গৱেষণা গ্ৰন্থৰ প্ৰকাশিত ৰূপ। প্ৰথম প্ৰকাশ মাৰ্চ ২০০৭, দ্বিতীয় প্ৰকাশ মাৰ্চ ২০১০, তৃতীয় প্ৰকাশ জুন ২০১২, চতুৰ্থ প্ৰকাশ জুলাই ২০১৩ আৰু পঞ্চম প্ৰকাশ (বনলতা প্ৰকাশন) ২০১৮। **বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস,** প্ৰবন্ধ সংকলন। **টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা,** প্ৰৱন্ধ সংকলন। **টাই আহোমসকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান,** প্ৰৱন্ধ সংকলন। **প্ৰবন্ধ সমীক্ষণ,** প্ৰবন্ধ সংকলন। **চিন্তা তৰংগ,** প্ৰবন্ধ সংকলন। **নাৰী ৰত্ন,** জীৱনী সংকলন। (প্ৰথম খণ্ড), **শতাব্দীৰ লেখিকা,** প্ৰবন্ধ সংকলন। **নাৰী ৰত্ন,** জীৱনী সংকলন। (দ্বিতীয় খণ্ড) **ইতিহাস অনুধ্যান,** প্ৰবন্ধ সংকলন। **প্ৰবন্ধ বিচিত্ৰা,** প্ৰবন্ধ সংকলন। **নাৰী ৰত্ন,** জীৱনী সংকলন। (তৃতীয় খণ্ড), **প্ৰসংগ ঃ নাৰী,** প্ৰবন্ধ সংকলন। **জীৱনৰ লগত জড়িত উৎসৱ-অনুষ্ঠান,** প্ৰবন্ধ সংকলন। **শব্দৰ স'তে আলাপ,** কবিতা সংকলন। **দুবৰিত নিয়ৰৰ মুকুতা সৰে,** কবিতা সংকলন, **শব্দ শিল্প,** কবিতা সংকলন। **অপৰাজেয়,** গল্প সংকলন। **অগ্নিস্নাতা চন্দ্ৰপ্ৰভা,** প্ৰকাশৰ পথত। **প্ৰবন্ধ সৌৰভ,** প্ৰকাশৰ পথত।

**সম্পাদিত গ্ৰন্থ ঃ**

**অনন্যা,** মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু 'সংঘমিত্ৰা'ৰ মুখপত্ৰ, প্ৰকাশ ১৯৯৩ ডিচেম্বৰ, ১৯৯৪ ডিচেম্বৰ, ১৯৯৮ নবেম্বৰ আৰু ২০০০ এপ্ৰিল। **নাৰীকণ্ঠ,** কবিতা সংকলন (মৰাণ শাখা লেখিকা সমাৰোহ সমিতি) ২০০৮ জানুৱাৰী আৰু ২০১০ মে'। **ঋতু মঞ্জৰী,** গল্প সংকলন, যুটীয়া সম্পাঃ, সদৌ অসম লেখিকা সমাৰোহ সমিতি, প্ৰকাশ ২০১০ জানুৱাৰী। **জীৱনজয়ী চন্দ্ৰপ্ৰভা,** প্ৰকাশক, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ২০১৭ চন। **নাৰীকণ্ঠ,** কবিতা সংকলন, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, ২০১১ নৱেম্বৰ। **সংঘমিত্ৰা,** (স্মাৰক গ্ৰন্থ) ৰূপালী জয়ন্তী বৰ্ষ, ২০১৭ চন।

**উপাধি লাভ ঃ**

**ক) ৰত্নগৰ্ভা, খ) মৰাণ কুঁৱৰী, গ) কৰ্মযোগী, ঘ) প্ৰেৰণাময়ী, ঙ) মহিয়সী, চ) হাৰুনি ফামে (বোকাৰ পদুম), ছ) জাচিংফা।**

**বঁটা ঃ**

১) **পুৰ্ণিমা বৰুৱা বঁটা**, সিংহ পুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ স্মাৰক সমিতি, ডিব্ৰুগড়, তৰফৰ পৰা (২০০০)। ২) **অসম চৰকাৰৰ সাহিত্য বঁটা**, (২০১৩)। ৩) **অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন**, (২০১৪)। ৪) **অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা**, (২০১৫)। ৫) **বীৰাংগনা মূলাগাভৰু বঁটা**, টাই আহোম যুৱ পৰিষদ অসম (২০১৭)। ৬) **সমাজসেৱা আৰু সাহিত্যসেৱা বঁটা**, সদৌ অসম লেখিকা সমাৰোহ সমিতি (২০১৮)। ৭) **জীৱন সমৃদ্ধ বঁটা**, মহাশয় ন্যাস (২০১৯)। ৮) **উইমেন এডুকেশ্যন এক্সেলেন্ট এৱাৰ্ড**, সৰ্বভাৰতীয় কবিয়ত্ৰী সন্মিলন, (All India Poetess Conference)

**পাৰিবাৰিক জীৱন ঃ**

ড° বৰুৱাৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা এগৰাকী অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক। তিনিটা সন্তান ক্ৰমে ড° শ্যামল, উজ্জ্বল আৰু একমাত্ৰ কন্যা লিপি। বোৱাৰী ক্ৰমে মৌচুমী, প্ৰিয়ংকা আৰু জোঁৱাই হিমেনজ্যোতি ডেকা। সকলোৱেই উচ্চ শিক্ষিত আৰু প্ৰতিষ্ঠিত। নাতি-নাতিনী ক্ৰমে আদৃত, আত্ৰেয়, সুৰঞ্জনা আৰু আন্দিতা।


মই সুখ বৰুৱাই কৈছোঁ
ড° অনিল শইকীয়া
আহোমসকলৰ উৎসৱ-অনুষ্ঠান